ষষ্ঠদশ অসম বিধানসভাৰ

বাজেট অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ২২/০৭/২০২৬ বুধবাৰ

**ইংৰাজী ২২-০৭-২০২৬ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীৰণজিৎ কুমাৰ দাস মহোদয়ৰ অধ্যক্ষতাত পূৰ্বনিৰ্দ্ধাৰিত সময় সূচী মতে সদনৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ** :- এতিয়া প্ৰশ্ন নং ১৬১। শ্ৰীওৱাজেদ আলী চৌধুৰী।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী** :- মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ( ধুবুৰী )** :- ছাৰ, মই supplementary কৰাৰ আগতে আপোনাক মনত পেলাই দিব বিচাৰিছো যে যোৱাকালি মই এখন application দিছিলো আপোনাক।

**মাননীয় অধ্যক্ষ** : Question hour টো হৈ যাওঁক আগতে।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ( ধুবুৰী )** :- ঠিক আছে, আমাৰ প্ৰশ্ন যিটো আছিল তাৰ উত্তৰত পাইছো প্ৰশ্ন নং (ক) যোৱা ৫ বছৰত BADP ৰ পৰা কোনো ধৰণৰ টকা আৱন্টন দিয়া হোৱা নাই। কি কাৰণত দিয়া হোৱা নাই কাৰণটো ইয়াত দিয়া নাই। কিন্তু আৱন্টন দিয়া হোৱা নাই স্থগিত ৰখা বুলি কৈছে। এইটোৰ স্পষ্টিকৰণ বিচাৰিছো, লগতে এটা কথা কৈছে যে আমি border area ৰ গাঁও বিলাকৰ কাৰণে এটা Vibrant Village Programme –II নামে এটা নতুন আঁচনি গ্ৰহণ কৰা বুলি কৈছে। গোটেই নতুন আঁচনিত জিলা কেইখনৰ নাম দিছে, কিন্তু গাঁওবিলাকৰ কোন কোন গাঁওক take-up কৰা হৈছে, বিশেষকৈ আমাৰ ধুবুৰী জিলাৰ কোন কোন গাঁও এই Vibrant Village Programme-ৰ কাৰণে লোৱা হৈছে, গতিকে সেইটো জনাব লাগে।

**মাননীয় অধ্যক্ষ** :- মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী** :- মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াক তেখেতৰ প্ৰশ্নৰ বাবে ধন্যবাদ জনাইছোঁ। তেখেতে এটা কথা সুধিছে যে ২০২০-২১ চনৰ পিছত এইকেইটা বছৰত কোনো পুঁজি আৱণ্টন কিয় দিয়া হোৱা নাই? এই পুঁজি ভাৰত চৰকাৰে দিয়ে আৰু মই এই কথাও তেখেতৰ প্ৰশ্নৰ উত্তৰত কৈছো যে এইবাৰ Vibrant Village Programme লোৱা হৈছে, মাননীয় গৃহমন্ত্ৰীগৰাকী নিজেও ভাৰত-বাংলাদেশ সীমান্তৰ হাইলাকান্দি জিলাত থকা ব'ৰ্ডাৰলৈকে গৈছে নিজেও চাইছে। ইয়াৰ অধীনত ১৪০ খন গাঁও অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ভিতৰত অসম–বাংলাদেশ সীমান্তৰ চাৰিখন জিলাৰ ৬৫ খন গাঁও আৰু অসম–ভূটান সীমান্তৰ পাঁচখন জিলাৰ ৭৫ গাঁও সামৰি লোৱা হৈছে। এই আঁচনিৰ মূল উদ্দেশ্য হৈছে সীমান্তৱৰ্তী গাঁওসমূহত মৌলিক আন্তঃগাঁথনি, সংযোগ ব্যৱস্থা, জীৱিকা, শিক্ষা, স্বাস্থ্য, খোৱাপানী, বিদ্যুৎ, ডিজিটেল সংযোগ, পৰ্যটন, দক্ষতা বিকাশ মুখী আৰু অন্যান্য সামাজিক-অৰ্থনৈতিক সুবিধাৰ সমন্বিত উন্নয়নৰ জৰিয়তে গাঁওসমূহক সৰ্বাংগীনভাৱে বিকশিত কৰি আত্মনিৰ্ভৰ কৰি তোলা। আৰু ইয়াৰ উপৰিও, সন্মানীয় অধ্যক্ষ মহোদয়, সীমান্ত অঞ্চলৰ জনগণৰ জীৱন-জীৱিকাৰ মান উন্নীত কৰা, সীমান্তত যিবিলাক trans-border crime আছে এইবোৰ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কৰা আৰু সীমান্তৱৰ্তী জনসাধাৰণক জাতীয় মূলসুঁতিৰ সৈতে সংহত কৰি সীমান্ত সুৰক্ষা বাহিনীৰ তথ্য সংগ্ৰহ আৰু সতৰ্কীকৰণৰ ক্ষেত্ৰত ফলপ্ৰসূ সহযোগী হিচাপে গঢ়ি তোলাই হৈছে এই আঁচনিৰ লক্ষ্য। গতিকে, আঁচনিবিলাক যাতে সফলভাৱে ৰূপায়ণ হয়, আমাৰ সীমান্তত বসবাস কৰা বহু ব্যক্তি আছে আৰু সেই সমষ্টি সমূহৰ যি সকল প্ৰতিনিধি আছে এই ক্ষেত্ৰত সম্পূৰ্ণ সহযোগ কৰিবৰ কাৰণে মই অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ** :- আপোনাৰ supplementary.

**শ্ৰীওৱাজেদ আলী চৌধুৰী ( ধুবুৰী )** :- ছাৰ, মই সুধিছিলোঁ কোন কোন গাঁও এই Vibrant Village Scheme ত অন্তৰ্ভুক্ত কৰা হৈছে, কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে সেইটো উত্তৰ নিদিলে। দ্বিতীয়তে, যে আমাৰ inter-state border ত BOP ৰ ব্যৱস্থা আছে, কিন্তু international border ত কিন্তু BOP ৰ কোনো ব্যৱস্থা নাই। মোৰ সমষ্টিৰ চাৰিখন গাঁও পঞ্চায়ত international border ত পৰে, কিন্তু তাত এটাও BOP নাই। তাত BOP ৰ ব্যৱস্থা কৰিব নেকি? ইতিমধ্যে আমাৰ (খ) প্ৰশ্নৰ উত্তৰত দিছে প্ৰায় ৮২ হাজাৰ হেক্টৰ মাটি অৰুণাচল, নাগালেণ্ড, মেঘালয় আৰু মিজোৰাম এই চাৰিখন ৰাজ্যই অসমৰ মাটি বেদখল কৰি ৰাখিছে। এইটো কম মাটি নহয়, ৮২ হাজাৰ হেক্টৰ। গতিকে, এই মাটিখিনি উদ্ধাৰৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

**মাননীয় অধ্যক্ষ** :- Minsiter please.

**শ্ৰীঅতুল বৰা, মন্ত্ৰী** :- মাননীয় অধ্যক্ষ মহোদয়, মইতো কৈছোৱেই যে ১৪০ খন গাঁও নিৰ্বাচিত কৰা হৈছে। গতিকে তালিকাখন তেখেতক মই দি দিম। মই এছেম্বলীৰ পিছত তালিকাখন দি দিম। তালিকাখন যথেষ্ট দীঘলীয়া। সেইখন ইয়াত আছে কিন্তু মই পাঠ নকৰো। ইয়াৰ উপৰিও তেখেতে কৈছে যে আন্তঃৰাষ্ট্ৰীয় সীমান্তত BOP ৰ ব্যৱস্থা নাই। তাত আপোনালোকে জানে যে Border Security Force (BSF) আছে আৰু second line of defence শক্তিশালী কৰিবৰ কাৰণে আমাৰ ৰাজ্য চৰকাৰে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু বাকী ৰাজ্যখনত যিবিলাক চুবুৰীয়া ৰাজ্য আছে, আজি অসম–নাগালেণ্ডৰ লগত সঘনে তাত, clash হৈ থাকে, তাত যথেষ্ট সংখ্যক BOP আছে। তাত মুঠ ২৭ টা CRPF ৰ BOP আছে আৰু ৯৬ টা BOP এতিয়া সক্ৰিয় হৈ আছে। বাকী কেইটামান BOP সম্পূৰ্ণ functional হোৱা নাই আৰু সেইকেইটাকো কাৰ্যক্ষম কৰি তুলিবৰ কাৰণে চৰকাৰে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষ** :- এতিয়া আব্দুছ ছোৱাহান আলী সৰকাৰ।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ( ধুবুৰী )** :- ছাৰ, মাটি বেদখল হৈ গ'ল সেই কথাখিনি কোৱা নাই।

**মাননীয় অধ্যক্ষ** :- দুটা পইন্টত কওক।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী** :- মাননীয় অধ্যক্ষ মহোদয়, সেই কথাখিনি ক'বলৈ গ'লে মই অলপ পিছলৈকে ঘূৰি যাব লাগিব আৰু শুনি বৰ বেয়া পাব। কাৰণ কংগ্ৰেছ দল যেতিয়া ক্ষমতাত আছিল, দিল্লীত যেতিয়া ক্ষমতাত আছিল, অসমতো যেতিয়া ক্ষমতাত আছিল।

(হুলস্থূল )

**মাননীয় অধ্যক্ষ** :- আপোনালোক বহক, মন্ত্ৰীয়ে উত্তৰ দি আছে।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী** :- যে আজি যিবিলাক চুবুৰীয়া ৰাজ্য আমি চকুৰ আগত দেখিছোঁ, এই ৰাজ্যবিলাক কংগ্ৰেছ দল দিল্লীত যেতিয়া ক্ষমতাত আছিল, ৰাজ্যতো যেতিয়া ক্ষমতাত আছিল, তেতিয়া গঠন হৈছিল। আজি নাগালেণ্ডে হওক, অৰুণাচলেই হওক, আজি অৰুণাচলৰ এজন লোক মই পাইছিলোঁ, আজি কেইবছৰমান আগত, কৈছে, আগতেতো আমি জন্ম হৈছিলোঁ অসমত, এতিয়া আমি আছোঁ অৰুণাচলত। গতিকে এই যে ৰাজ্যবিলাক যেতিয়া সৃষ্টি কৰিছিল, ৰাজ্যবিলাক সৃষ্টি কৰোতেই then once for all যদি settle কৰিলেহেতেন, সীমাটো এনেকুৱা এনেকুৱা হ'ব, তেতিয়াহ'লে আজি সীমামূৰীয়া অঞ্চলত আজি সৰু সৰু কথাত যিদৰে কাজিয়া হয়, মৃত্যুক বহুতে আঁকোৱালি ল'বলগীয়া হয়, তেনে পৰিৱেশ এটা নহ'লহেঁতেন। কেৱল ৰাজনৈতিক মুনাফা আদায় কৰাৰ স্বাৰ্থতেই কংগ্ৰেছে এই সমস্যাটো আচলতে সমাধান নকৰিলে। আজি মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজি চুবুৰীয়া যি বিলাক ৰাজ্য আছে, ৰাজ্যসমূহৰ মাননীয় মুখ্যমন্ত্ৰীসকলক কৈছে, যে আহক, আলাপ-আলোচনাৰ মাজেৰে আমি সমস্যাবিলাক সমাধান কৰোঁ আৰু সেই দিশত আমি যথেষ্ট আগবাঢ়িব পাৰিছোঁ। এই সমস্যাৰ সমাধানৰ মূল যিটো criteria আছিল, যে

historical perspective, administrative convenience, contiguity আৰু people's will তাৰ কাৰণে Regional Committee গঠন কৰা হৈছে আৰু এই Regional Committee বিলাকত সীমামূৰীয়া অঞ্চলৰ যিবিলাক কংগ্ৰেছ বা বিৰোধী দলৰ বিধায়ক আছে, সেই সকলো তাত সদস্য হৈ আছে। Joint visit হৈছে আৰু এই ক্ষেত্ৰত যথেষ্টখিনি অসম চৰকাৰে এতিয়া আগবাঢ়িবলৈ সক্ষম হৈছে। আজি মেঘালয়ৰ লগত থকা ৬ টা যি disputed point আছে, সেইকেইটা resolve হৈ গৈছে। মাননীয় Home Ministerৰ উপস্থিতিত, দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ উপস্থিতিত, সেই ৬ টা পইন্টৰ ক্ষেত্ৰত কোনো controversy নাই আৰু ৬ টাৰ ক্ষেত্ৰত আছে। এইখিনি এতিয়া আলাপ-আলোচনা চলি আছে। তদুপৰি অৰুণাচলৰ লগতো তেনেধৰণে আলাপ-আলোচনা চলি আছে। কিন্তু নাগালেণ্ডৰ লগত পোনপটীয়া ভাৱে মুখ্যমন্ত্ৰী levelৰ কথা হৈছে যদিও তাত অসম চৰকাৰে 1988ত এটা গোচৰ দিছিল, সেইটো pending থকাৰ কাৰণে পোনপটীয়াভাৱে আলোচনা কৰি এই ক্ষেত্ৰত মীমাংসা কৰাটো অসুবিধা হৈছে। গতিকে এই বিষয়টো আমি আলাপ-আলোচনাৰ মাজেৰে ভৱিষ্যতৰ দিনত সমাধান কৰিবলৈ চাম। মিজোৰামৰ লগত এটা সংঘাত এটা হৈছিল। Unfortunate incident এটা অসম–মিজোৰাম ব'ৰ্ডাৰত সংঘটিত হৈছিল। আমাৰ পুলিচ বিষয়াৰ গাতো গুলী লাগিছিল, মৃত্যুবৰণ কৰিবলগীয়া হৈছিল কেইজনমানে। আৰু ততাতয়াকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মিজোৰামলৈ পঠাইছিল, আমি গৈছিলো। এতিয়া মন্ত্ৰী পৰ্য্যায়ত আৰু বিষয়া পৰ্য্যায়ত আলাপ-আলোচনা চলি আছে । চুবুৰীয়া ৰাজ্য সমূহৰ লগত থকা সংঘাত দূৰ কৰি সীমান্তত বসবাস কৰি থকা জনসাধাৰণৰ যাতে জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিব পৰা যায়, সেইবোৰ অঞ্চলত যাতে উন্নয়ন ত্বৰান্বিত কৰিব পৰা যায়, এই ক্ষেত্ৰত অসম চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী আব্দুচ ছোৱাহান আলী সৰকাৰ।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, গৌৰীপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মন্ত্ৰী মহোদয়ে জনাইছে –গাওঁ কিছুমানৰ নাম দিছে, মই গাই দিব বিচৰা নাই। কিন্তু মই ক'ব বিচাৰিছো যে criteria কি বনোৱা হৈছে ? Vibrant village ৰ criteria কি ? ইয়াৰ আগৰ বাজেটত এই বিভাগৰ পৰা জনোৱা হৈছিলে যেনেকৈ আদৰ্শ গাঁৱৰ কথা কোৱা হৈছিলে, কিন্তু ইয়াৰ আগত আমাৰ গোলকগঞ্জ সমষ্টিৰ চত্ৰশালত এখন haat ৰ কথা কোৱা হৈছিলে। কিন্তু এইবাৰ এই হাটৰ বিষয়ে বাজেটত একো কোৱা নাছিলে আৰু ইয়াত উত্তৰতো একো কোৱা নাই। সেইবাবে সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী অতুল বৰা,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে যি Vibrant village ৰ কথা উল্লেখ কৰি গ'লো, এই Vibrant village programme ত কোনবিলাক গাওঁ অন্তৰ্ভুক্ত কৰিব, সেইটো ভাৰত চৰকাৰৰ ফালৰ পৰা তেওঁলোকে নিজে চাৰ্ভে কৰি এই গাওঁ সমূহৰ নাম অন্তৰ্ভুক্ত কৰিছে। কিন্তু তাত যিবিলাক কাম হ'ব, সেইখিনি implementation ৰ দায়িত্ব ৰাজ্য চৰকাৰৰ । গতিকে ৰাজ্য চৰকাৰে line department ৰ জৰিয়তে তাত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব আৰু যিটো হাটৰ কথা কোৱা হৈছে, এইবাৰ আমি আন্তঃৰাষ্ট্ৰীয় বোৰ্ডাৰত তেনেকুৱা ধৰণৰ কোনো programme হাতত লোৱা নাই। Vibrant village য়ে বহুত programme সাঙুৰি ল'ব, গতিকে আমি হাটখন হয়তো তাতেই নিৰ্মাণ কৰিবলৈ সক্ষম হ'ম যদি সেই গাওঁখন অন্তৰ্ভুক্ত হৈছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে development ৰ লগতে সুৰক্ষাৰ কাৰণেও পদক্ষেপ হাতত লৈছে। মই এটা কথা ক'ব বিচাৰিছো ১৫ জুনত মোৰ কাটিগড়া সমষ্টিৰ কাষেদি International Border ৰ fencing গৈছে। এই fencing ৰ বাহিৰত বহুতখিনি ঠাই আছে। আমাৰ কিছুমান মানুহ তাত খেতি কৰিবলৈ যায়। ৰঞ্জিত দাস নামৰ মানুহজনে ১৫ জুন তাৰিখে ১১-১৫বজাত খেতি কৰিবলৈ তালৈ গৈছিল কিন্তু

বাংলাদেশৰ পৰা দুৰ্বৃত্ত আহি তেওঁক উঠাই লৈ গ'ল। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো, আগতেও সেই ঠাইত তেনেধৰণৰ বহুত ঘটনা সংঘটিত হৈছিল কিন্তু এতিয়া আৰু সেইবোৰ ঘটনা দেখা নাই। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কথা পাতিলে, ৰাতিপুৱা ১১-১৫ বজাত সেই মানুহজনক লৈ গৈছিল আৰু ৰাতি ৮ বজাত বাংলাদেশে ৰঞ্জিত দাসক ঘূৰাই দিবলৈ বাধ্য হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই এই ঘটনাটো এই কাৰণেই ক'লো যে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে আমাক development ৰ লগতে সুৰক্ষা লাগে। Zero line fencing টো কৰবাত ১ কিঃ মিঃ আছে, কৰবাত ৫০০ মিটাৰ আছে, কৰিমগঞ্জ টাউনত ৩.৫ কিঃমিঃ Zero line fencing কৰিব পৰা নাই। গতিকে এইক্ষেত্ৰত যাতে আমাৰ চৰকাৰে এটা ভাল পদক্ষেপ লয়, অতি শীঘ্ৰে যাতে Zero line fencing হয়, তাৰবাবে ব্যৱস্থা লয় যেন। Zero line fencing হ'লে আমি এখন সুৰক্ষিত সমাজ পাব পাৰিম আৰু Zero line fencing নহ'লে ভৱিষ্যতে এনেকুৱা ধৰণৰ ঘটনা পুনৰ সংঘটিত হ'ব। আগতে এনেধৰণৰ ঘটনা হওঁতে চৰকাৰে কোনো পদক্ষেপ লোৱা নাছিল। এতিয়া আমি লগে-লগে পদক্ষেপ লোৱা দেখিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে নিজেই কৈছে সীমান্তত পূৰ্ব্বৰ নহয়, বৰ্তমান সময়ত যদি কিবা incident হয় বাংলাদেশৰ তৰফৰ পৰা তেতিয়াহ'লে খুব সোনকালে ব্যৱস্থা গ্ৰহণ কৰা হয়। এতিয়া অসম-বাংলাদেশ সীমান্তৰ দৈৰ্ঘ্যতকৈও কিছুমান চুবুৰীয়া ৰাজ্যৰে বাংলাদেশ সীমান্তৰ দৈৰ্ঘ্য বেছি। তৎসত্বেও আজি অসম-বাংলাদেশ সীমান্তৰ বহুখিনি ঠাইৰ fencing ভাৰত চৰকাৰে দিছে। এই কামটো আচলতে ভাৰত চৰকাৰৰ। তথাপিও আমি সময়ে-সময়ে আলোচনা কৰো যে যিখিনি বাকী আছে, কুচিয়াৰা নদী থকাৰ কাৰণে তাত কেই কিঃমিঃ মান হোৱা নাই আৰু কেই কিঃমিঃ মানত দিবলৈ সম্ভৱ হোৱা নাই নদী থকাৰ কাৰণে। এইখিনিৰ বাবে অন্যধৰণৰ পহৰা দিয়াৰ ব্যৱস্থা ইতিমধ্যে ভাৰত চৰকাৰে কৰা বুলি উল্লেখ কৰিছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী মহেশ্বৰ বড়ো। আপুনি খুৱ চুটিকৈ কওঁক।

**শ্ৰী মহেশ্বৰ বড়ো,ভেৰগাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ BTC area ৰ বিশেষকৈ Indo-Bhutan Border ৰ বহুতো vibrant village ইতিমধ্যে সন্নিবিষ্ট হৈছে আৰু DC সমূহে আঁচনিসমূহ প্ৰেৰণ কৰিছে। এইটো এতিয়া কি পদ্ধতিত প্ৰেৰণ কৰিব লাগিব, হয়তো দিল্লী চৰকাৰলৈ প্ৰেৰণ কৰিব লাগিব আমাৰ আঁচিনিবিলাক । গতিকে এইবিলাক কেতিয়ালৈ কৰিব ? আমাৰ ওদালগুৰি সমষ্টিৰ চাৰিটা vibrant village আছে । তাৰবাবে ইতিমধ্যে DC ৰ পৰা আঁচনিসমূহ প্ৰেৰণ কৰা হ'ল। এতিয়া ৰাজ্য চৰকাৰে কেতিয়া এই আঁচনিসমূহ প্ৰেৰণ কৰি তাৰ sanction ৰ ব্যৱস্থা কৰিব, সেইটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, vibrant village সমূহৰ কাম খুৱ ভালদৰে হ'ব । ইতিমধ্যে ভাৰত চৰকাৰে জিলা উপায়ুক্তৰ লগত পোনপটীয়াকৈ যোগাযোগ কৰিছে। তেখেতে এতিয়া ওদালগুৰিৰ কথাটো কৈছে । মই আশা কৰিম যে আমাৰ সন্মানীয় বিধায়ক সকল যিসকলৰ আন্তঃৰাষ্ট্ৰীয় বোৰ্ডাৰ সীমান্তত সমষ্টি আছে, আপোনালোকে নিজাববীয়াকৈ আলোচনা কৰিব আৰু আমাৰ বিভাগে ইতিমধ্যে জিলা আয়ুক্ত সকলৰ লগত সেই সম্পৰ্কে সঘন যোগাযোগ ৰক্ষা কৰিছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-১৬২। শ্ৰী পবিত্ৰ ৰাভা।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী পবিত্ৰ ৰাভা,পশ্চিম গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল আমাৰ গোৱালপাৰা পশ্চিম সমষ্টিত বহুত ডাঙৰ ডাঙৰ বিল আছে। সেইসমূহৰ ভিতৰত গোৱালপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত উৰপদ বিলত বৃহৎ

পৰিমাণৰ মখানা  উপলব্ধ। মখানাৰ পুষ্টি গুন আৰু স্বাস্থ্যগত উপকাৰিতাৰ প্ৰতি লক্ষ্য ৰাখি অসমত মখানা খেতি সম্প্ৰসাৰণ, প্ৰক্ৰিয়াকৰণ আৰু বজাৰ সংযোগৰ জৰিয়তে এই সম্ভাৱনাময় খণ্ডটোৰ বিকাশৰ বাবে চৰকাৰে বৰ্তমানলৈকে কি পদক্ষেপ গ্ৰহণ কৰিছে? ভৱিষ্যতে এই ক্ষেত্ৰত চৰকাৰৰ কিবা বিশেষ পৰিকল্পনা আছে নেকি ?

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান মখানাক পৃথিৱীত super food বুলি কয়। মখানাৰ গুন বহুত বেছি - Low Calory, High protein, Low fat যিখিনি বৰ্তমান স্বাস্থ্যবান মানুহ এজনৰ বাবে প্ৰয়োজনীয় উপাদান লাগে এই সকলোবিলাক মখানাত আছে। মখানা সাধাৰণতে ভাৰতবৰ্ষৰ বিহাৰত আটাইতকৈ বেছি উৎপাদন হয়। কিন্তু অসমতো মখানা খেতিৰ প্ৰচুৰ সম্ভাৱনা আছে। মখানাৰ বাবে ১০০০মিঃমিঃ ৰ পৰা ২,৫০০ মিঃমিঃ বৰষুণ লাগে আৰু অসমত সাধাৰণতে avarage ২০০০ মিঃমিঃত প্ৰতি বছৰে প্ৰতি জিলাত বৰষুণ হয়। উজনি অসমৰ জিলা সমূহত প্ৰায় ৩,২০০ মিঃমিঃ বৰষুণ হয়। সেয়েহে অধ্যক্ষ মহোদয়, অসমৰ প্ৰত্যেক জিলাতে মখানাৰ খেতি কৰিব পাৰি। মই আকৌ কৈছো মখানা বৰ্তমান super food বুলি গোটেই পৃথিৱীতে জনাজাত। গতিকে মখানাক আমি আৰু বেছি উৎপাদন কৰিবলৈ যত্ন কৰিব লাগে। মখানাৰ জৰিয়তে কৃষকে যথেষ্ট লাভ পাবলৈ সক্ষম হ'ব। মই যেতিয়া এই বিষয়ে চিন্তা কৰি আমাৰ বিষয়া সকলৰ লগত  আলোচনা কৰি আছিলো, মই জানিব পাৰিছিলো যে এবিঘা মাটিৰ পানীত মখানা খেতি কৰিলে এজন কৃষকে ৪০ ৰ পৰা ৫০,০০০ টকা income কৰিব পাৰে  আৰু এই income টো কৰবাত কৰবাত double ও হ'ব পাৰে। অসমত যথেষ্ট খাল-বিল আছে। মই Fishery Department ৰ মন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতিম, অসমৰ যিমান বিল আছে, Fishery Department ৰ প্ৰায় ১০০০ মান বিল আছে, আমি সেইসমূহৰ কাষে-কাষে কৰিব পাৰিম। তেতিয়া যিসমূহে মহল চলাই তেওঁলোকৰো লাভ হ'ব। লগতে Fishery Department ৰো তাত লাভ হোৱাৰ scope আছে। অধ্যক্ষ ডাঙৰীয়া, যেতিয়া পানী কমি যায় তেতিয়া তাৰ side ত মখানা ৰুব লাগে।  এবাৰ

ৰুলে তাত মখানা হৈয়ে থাকে। গতিকে যিহেতু অসমত যথেষ্ট বিল-খাল দলনি আছে আৰু অসমত adequate বৰষুণো হয়, সেয়েহে মখানাৰ প্ৰচুৰ সম্ভাৱনা অসমত আছে। কিন্তু বৰ্তমান আমি অসমৰ ৯ খন জিলাত মখানাৰ খেতি কৰি আছো -এখন কামৰূপত, দৰং, বিশ্বনাথ, ডিব্ৰুগড়, শ্ৰীভূমি, মৰিগাওঁ, ধুবুৰী, বাক্সা আৰু কামৰূপত। অধ্যক্ষ ডাঙৰীয়া, মই আকৌ কৈছো আমি বহুত কৰিব পাৰো কিন্তু initial stage ত আছে। আমাৰ ব্যক্তিগত খণ্ডৰ এটা processing unit সোনাপুৰত আৰম্ভ হৈছে কাৰণ processing নকৰিলে এতিয়াও বিহাৰৰ পৰা আহি আমাৰ কেঁচামাল লৈ গৈ আছে। তাত আমাৰ profit কম হয়। গতিকে আমাৰ ব্যক্তিগত খণ্ডও ওলাব লাগিব আৰু চৰকাৰী ৰাজ সাহাৰ্য্য থাকিব যাতে আমি মখানাৰ Processing Centre খুলিব পাৰো। কিন্তু আকৌ কৈছো মাত্ৰ ৬ ৰ পৰা ৭ মাহৰ ভিতৰত আৰু যিখিনি পাৰি এইবোৰ কৰিব নোৱাৰি অধ্যক্ষ ডাঙৰীয়া। দীপৰ বিলৰ কাষত মাখানা যথেষ্ট হয়। দীপৰ বিলত মাছ উৎপাদন হয় বাকী একো কৰিব নোৱাৰি। এজন মানুহে পুখুৰী এটা কৰে, পুখুৰীত value addition হয় অধ্যক্ষ ডাঙৰীয়া, পুখুৰীত যদি পানী কমি যায় তাৰ কাষে কাষে যদি মাখানাৰ পুলি লগাই দিয়ে তেতিয়া তাৰ পৰা তেওঁৰ দুটা ইনকম হৈ গ'ল। মাছৰ ইনকমটো থাকিলেই মাখানাৰ ইনকমটোওঁ হ'ল। গতিকে এইটো অত্যন্ত গুৰুত্বপূৰ্ণ হ'ব অসমৰ কৃষিখণ্ডক আগুৱাই লৈ যোৱাৰ কাৰণে। অধ্যক্ষ ডাঙৰীয়া, আমি ইতিমধ্যে ৯ খন জিলাত এই মাখানাৰ খেতি প্ৰসাৰিত কৰিছো, কিন্তু আমাৰ ইচ্ছা থাকিব অধ্যক্ষ ডাঙৰীয়া অসমৰ গোটেই কেইখন জিলাত ইয়াৰ প্ৰসাৰ কৰিবলৈ। অধ্যক্ষ ডাঙৰীয়া মই ইতিমধ্যেই কৈছো, পৃথিৱীৰ সকলোতকৈ যদি মাখানাৰ খেতি হয় বিহাৰত হয়, দক্ষিণ পূৱ এছিয়াত হয় আৰু চীনত হয়। গতিকে আমাৰ কৃষি বিভাগে এটা প্লেন কৰিছো অধ্যক্ষ ডাঙৰীয়া ছেপ্তেম্বৰ মাহত অতি কমেওঁ ৫০ জন মাখানা খেতিয়কক মই নিজে আমাৰ বিভাগৰ কমিশ্যনাৰ, সঞ্চালক আমি সকলোৱে লগ হৈ লৈ যোৱাৰ প্লেন কৰিছো বিহাৰলৈ। লৈ যোৱাৰ প্লেন কৰিছো বিধান সভাত কৈছো নিশ্চয়কৈ নিম কাৰণ তাৰ পৰা আমাৰ আৰু শিকিব লগা আছে। অধ্যক্ষ ডাঙৰীয়া আমি

sampling ও দি আছো আৰু ৰাজসাহার্য্যও দি আছো। এতিয়ালৈকে ৩৪ জন খেতিয়কক DBT কৰিছো ৫৯ লাখ ২৫ হাজাৰ টকা মাখানা খেতি কৰিবলৈ। অধ্যক্ষ ডাঙৰীয়া ৮ হাজাৰ sampling ও দিছো, পুলিটো ৰুৱ লাগিব। অধ্যক্ষ ডাঙৰীয়া যথেষ্টখিনি ইতিমধ্যে আৰম্ভণি হৈছে। মই আকৌ কৈছো স্কোপ বহুত আছে। অধ্যক্ষ ডাঙৰীয়া, সেই জলাশয় বিল বিলাকত তাত বেলেগ একো নহয় আৰু পুখুৰীটোত যোনে পুখুৰী কৰে তেওঁটো মাছে কৰে আৰু একো নকৰে। কাষত যদি মাখানাৰ sampling লগাই দিয়ে তেওঁৰ ইনকম ডাবল হৈ যাব। ইয়াৰ প্ৰসাৰ নিশ্চয়কৈ বৃদ্ধি কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** গোৱালপাৰা পশ্চিম সমষ্টিৰ বিষয় যদিও কোনোবাই যদি interested হয় মাখানাক লৈ যদি কাৰোবাৰ প্ৰশ্ন আছে ক'ব পাৰে।

**শ্ৰীমতী বেবী বেগম, ধুবুৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইমাত্ৰ ক'লে যে ধুবুৰী জিলাত মাখানাৰ খেতি দিছে বুলি ক'লে, কিন্তু মই জনা মতে মই নিয়মিত ভাৱে জিলা পৰিষদৰ মেম্বাৰ হৈয়ে আছো। মই জনা মতে ধুবুৰী জিলাত কোনো মাখানাৰ প্ৰজেক্ট দিয়া নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই এই বিষয়ে জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী (জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষি)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ধুবুৰী জিলাৰ specifically ধুবুৰীত হৈ আছে। মই তেখেতক অলপ পিছত ঠাইখিনি জনাই দিম আৰু তেখেতলৈ যদি কিবা অসুবিধা আছে মই কেতিয়াবা চাবও যাম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, প্ৰদুৎ বৰদলৈ ডাঙৰীয়া

**শ্ৰী প্ৰদুৎ বৰদলৈ(দিশপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক সুধিব খুজিছো, ভাৰত চৰকাৰে যেনেকৈ Palm Oil Mission বিশেষভাৱে উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে গ্ৰহণ কৰিছে। ঠিক তেনে ধৰণে ভাৰত চৰকাৰে মাখানা মিশ্যন এটাও যোৱা বছৰ আৰম্ভ কৰিছে। আমাৰ চৰকাৰৰ

ফালৰ পৰাও কেন্দ্ৰীয় চৰকাৰক এই মাখানা মিশ্যন যিটো তেওঁলোকে বিষেশ ভাৱে বিহাৰত ভাৰত চৰকাৰে বিশেষভাৱে অনুদানো দিছে মাখানা মিশ্যনটো আগবঢ়াই লৈ যাবৰ কাৰণে। গতিকে অসম চৰকাৰে অসমকো মাখানা মিশ্যনৰ অন্তৰ্ভুক্ত কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব নেকি ?

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী,জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষি)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই ইতিমধ্যে কৈছো যে বিহাৰৰ যি climatic condition অসমৰ climatic condition ৰ সৈতে একে। আমাৰ ইয়াত বেছি বৰষুণহে হয়। মই ইতিমধ্যে কৈছো,1000 mm ৰ পৰা 2500mm বৰষুণ হ'ব লাগে মাখানা খেতিৰ বাবে। মই আগতে মন্ত্ৰী হৈ থাকোতেওঁ কিমান বৰষুণ হয় খবৰ ৰাখো আৰু এতিয়াওঁ মই ডাটা খিনি সদায় লওঁ। গতিকে অসমৰ প্ৰত্যেক জিলাতে অধ্যক্ষ ডাঙৰীয়া minimum 1500 mm বৰষুণ হয় আৰু 3200 mm লৈকে বৰষুণ হয়। গতিকে অসমৰ প্ৰত্যেক ঠাইতে কৰিব পাৰি আৰু কৰিবলৈ নিশ্চয়কৈ চেষ্টা কৰা হ'ব। অধ্যক্ষ ডাঙৰীয়া আমি ইতিমধ্যে ভাৰত চৰকাৰৰ মাননীয় সদস্য প্ৰদুৎ বৰদলৈ ডাঙৰীয়াই যিটো প্ৰশ্নৰ অৱতাৰনা কৰিছে, মাখানা মিশ্যনত আমিও অন্তৰ্ভুক্ত। আমি তাৰ পৰাই আজি ৫৯ লাখ ২৫ হাজাৰ টকা DBT কৰিছো, মাখানৰ sompling দিছো এইবোৰ আমি মাখানা মিশ্যনৰ যোগেদিয়েই পাইছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, মই এটা আহ্বান জনাব বিচাৰিছো যে আমাৰ যিসকল interested কাৰণ আমি যদি নিজে জ্ঞাত নহওঁ তেতিয়া হ'লে আমি তেওঁলোকক উৎসাহিত কৰিব নোৱাৰিম। interested MLA সকলক লৈ আপুনি যদি বিভাগৰ পৰা ১ঘন্টা সময় লৈ বিধানসভা চলি থকা সময়তে এটা যদি সুবিধা কৰি দিয়ে তেতিয়া হ'লে ভাল হ'ব আৰু ময়ো তাতে নিশ্চিতভাৱে থাকিম।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী ,জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষি)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ নিৰ্দেশত যদি আমি যেতিয়া বিহাৰলৈ যাম যদি আমাৰ কোনো সদাশয় বিধায়ক যাব খোজে, আমি লাগিলে বাছতে যাম,

বিহাৰলৈকে ১৫ ঘন্টা লাগে, যদি কোনোবা  interested MLA থাকে তেওঁলোকক লৈ যোৱা হ’ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। পৰৱৰ্তী প্ৰশ্ন নং ১৬৩ শ্ৰী বিজয় কুমাৰ গুপ্তা।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষি)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া,এইটো transferred subject হয়। তথাপিও উত্তৰটো আমি সদনত ৰাখিছো।

**শ্ৰী বিজয় কুমাৰ গুপ্তা, (মধ্য গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ তেখেতৰ সবিশেষ আৰু ইতিবাচক উত্তৰৰ বাবে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু যদি আমি বৰ্তমানৰ অৱস্থা চাওঁ আমি এইটো মানিব লাগিব যে আজি আমাৰ চৰকাৰে ইমান পৰিষ্কাৰ কৰা পিছতে বেদখল আৱৰ্জনা আৰু লেতেৰা পানীৰ বাবে নদীখনৰ অৱস্থা অতি বেয়া হৈছে। আমি যদি গুৱাহাটীৰ ইতিহাসলৈ চাওঁ মৰা ভৰলু কেৱল এটা নলা নাছিল। ই আছিল এখন প্ৰাকৃতিক জীৱন্ত নদী। যিয়ে স্বাভাৱিক ভাৱে গুৱাহাটীৰ পানীভাগ নিয়ন্ত্ৰণ কৰিছিল আৰু পৰিৱেশটো ভালে ৰাখিছিল। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে ২০১৫ বৰ্ষৰ পৰা এইটো GMC, GMD বিভাগত হস্তান্তৰ  কৰা হৈছে। কিন্তু ১৯-১২-২০১৮ চনত River Rejuvenation Committee এখন গঠিত হৈছিল আৰু এই গঠনটো জলসম্পদ বিভাগৰ এটা পৰিযোজনা আছিল আৰু তাতে আমাৰ জলসম্পদ বিভাগ, Industry & Commerce Department, Environment & Forest Department, Urban Development Department, GMC, GMD ক ৰখা হৈছিল। ২০১৯-২০ ৰ পাছত  এই  RRC Committee ৰ কোনো Progress দেখা নাই। এই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক মই বিশেষ ভাৱে অনুৰোধ কৰিব বিচাৰিছো যে এই যিটো বিষয় এইটো বহুত Sensitive আৰু serious বিষয়। আমি বিচাৰো যে জলসম্পদ বিভাগেওঁ এই বিষয়ে পৰিকল্পনা কৰিব লাগিব আৰু এটা  Co-ordination team যদি বনায় তাত যদি প্ৰয়োজন হয় flood control, Irrigation Department, Pollution Control

Board,জলসম্পদ, Environmental & Forest Department ক লগত ৰাখি আমি যদি সেইটো চিন্তা কৰো তেতিয়া হ'লে এই সমস্যাটোৰ সমাধান কৰিব পাৰো ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষি)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই ইতিমধ্যে কৈছিলো এইটো transferred subjectহয়, এইটো জলসম্পদৰ নহয়। অধ্যক্ষ ডাঙৰীয়া গুৱাহাটীত জলসম্পদ বিভাগে একো নকৰে । ২০১৫-১৬ চনতে গুৱাহাটীত জলসম্পদ বিভাগৰ অধীনত নদী আছিল বা কাম আছিল সেইখিনি আমাৰ DoHUA Department লৈ transfer কৰা হৈছে। তথাপিতো যিহেতু তেখেত নতুন বিধায়ক তেখেতক মই জনাব খুজিছো এই কামখিনি পূৰ্ণগতিত চলি আছে। আমাৰ মৰাভৰলু নদীত বৰ্তমানেওঁ Poclain PC 71 দুখনে কাম কৰি আছে। PC140 এখনে কাম কৰি আছে, JCB 40x এখন, ডাম্পাৰ ৮ খন এইখিনিয়ে অহৰ্নিশে কাম কৰি আছে। মই আকৌ কৈছো অধ্যক্ষ ডাঙৰীয়া উত্তৰটো DoHUA ৰ পৰা বিচাৰিব লাগিছিল। তথাপিতো তেখেত যিহেতু নতুন বিধায়ক তেখেতক আমি উত্তৰটো দিব চেষ্টা কৰিছো।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন ১৬৪ ধৰ্মেশ্বৰ কোঁৱৰ, তেখেত অনুপস্থিত তাৰ পিছৰ প্ৰশ্ন ১৬৫ সুৰেন ফুকন।

**শ্ৰী অতুল বৰা, মন্ত্ৰী (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সীমা সুৰক্ষা, অসম চুক্তি ৰূপায়ণ আৰু আৱকাৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া হৈছে।

**শ্ৰী সুৰেন ফুকন (ডিগবৈ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো। যিহেতুকে পূৰ্বৰ MGNREGA আইনখন সংশোধন কৰি বৰ্তমান VB-G RAM G লৈ আঁচনিখন পৰিৱৰ্তন কৰা হৈছে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰখনক মই ধন্যবাদ জনাইছো। যোৱা ১ জুলাই পৰা আৰম্ভ হৈছে। গতিকে কামৰ যিখিনি আমি যথেষ্ট পৰিবৰ্তন দেখিবলৈ পাইছো, এইটো পূৰ্বে এম জি

এনৰেগাত এটা পৰিয়ালে ১০০ দিনৰ তেওঁলোকে হাজিৰা কৰিবলৈ পাইছিলে, আৰু বৰ্তমান ১২৫ বৃদ্ধি কৰা হৈছে, আৰু যোৱা বছৰত ২৫৬ টকা প্ৰায় এম জি এনৰেগাৰ  পৰা এতিয়া বৰ্তমান ৩০০ টকালৈকে বৃদ্ধি কৰা হৈছে , আৰু মূল কথাটো হ'ল বৰ্তমান পূৰ্বেও আমাৰ যিসকলে এম জি এনৰেগা  তেওঁলোকে মজুৰি কৰিছিলি আজি মজুৰি কৰা লোকসকল প্ৰায় আৰ্থিকভাৱে দুৰ্বল লোকসকলে তাত কাম–কাজ কৰে তেওঁলোকে হাজিৰা পাওঁতে তেওঁলোকে যথেষ্ট মজুৰি পাওঁতে  দেৰি হয় তিনি মাহ চাৰি মাহ পৰ্যন্ত  গুচি যায়। গতিকে এই কথাখিনি মই জানিব বিচাৰিছো, আৰু কাৰ্য্য কৰি হোৱাতো বিচাৰিছো।  তাৰ পাছতে আজি বহুত দিন পূৰ্বে আমাৰ এম জি এনৰেগাৰ দ্বাৰা নলা, পুখুৰী, বিল, জলাশয় সমূহ Renovation কাৰণে টকা দিয়া হৈছিল। কিন্তু আজি কিছু বছৰ আগত এইখিনি বন্ধ কৰি দিয়া হৈছে, আৰু বন্ধ কৰি দিয়াৰ ফলত আমাৰ কৃষি কাৰ্য্য সমাপন  কৰাত কিছু  অসুবিধা হৈছে। যিহেতু যথেষ্ট  হাবি বন সেই অঞ্চলত পানি যাবলৈ অসুবিধা হয়। গতিকে কি কাৰণে বন্ধ হ'ল মই এইটো জানিব বিচাৰিছো? আৰু এটা কথা হ'ল 15th Finance টো যিহেতু কাম কৰিব কাৰণে ইতিমধ্যে estimate বহুত পঞ্চায়ত বা মোৰ সমষ্টিত কাম আৰম্ভ হৈছিল, আৰু মোৰ ডিগবৈ সমষ্টিতো 15th Finance ৰ কাম আৰম্ভ কৰি দিছিলো। কিন্তু আমি পঞ্চায়ত গ্ৰামোন্নয়ণ  মন্ত্ৰী ডাঙৰীয়া পৰা মই জানিব বিচাৰিছো  কিয় বন্ধ কৰা হৈছে ? গতিকে তাৰ ওপৰিও আৰু এটা কথা ..

**মাননীয় অধ্যক্ষ ঃ-** ইমান সুধিব নালাগে  15th Finance ready কৰি আহা নাই কেনেকৈ দিব।

**শ্ৰী সুৰেন ফুকন, (ডিগবৈ)ঃ-** হয় ছাৰ, গ্ৰাম্যঅঞ্চলৰ চাহ চিকিৎসা অঞ্চলত যিহেতু আমাৰ ভিডিঅ সকল যাব লাগে। কিন্তু তেওঁলোকৰ  গাড়িসমূহ পুৰণা হোৱাৰ কাৰণে  তেওঁলোক যাব পৰা নাই ,আৰু প্ৰতিতো পুলত থকা  ড্ৰাইভাৰ নাই। ড্ৰাইভাৰ নোহোৱা কাৰণে গাড়ি চলাচলত অসুবিধা হৈছে, আৰু এইখিনি কিবা কাৰ্য্যকৰি ব্যৱস্থা হ'ব নেকি? আৰু হ'লে ভাল পাম, মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো, কাৰ্য্যকৰি হোৱাটো বিচাৰিছো৷

**माननीय अध्यक्ष ঃ-** আপুনি একেলগে চাৰিটা সুধিলে, Supplementary নাপায়।

**শ্ৰী অতুল বৰা,(পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, পূৰ্বৰ যি এম জি এনৰেগা, আৰু বৰ্তমান '' ভি বি- জি ৰাম জি'' সেই আঁচনিখন ভাৰত চৰকাৰৰ এখন ডাঙৰ আঁচনি আৰু এই আঁচনিৰ সফল ৰূপায়নৰ বাৰে আজি কিছু দিনৰ আগতে ভাৰত চৰকাৰে অন্যান্য আঁচনিৰ লগতে এই আঁচনিখিনিৰ ওপৰত মাননীয় কেন্দ্ৰীয় মন্ত্ৰী য়ুৰৰাজ সিং (shivraj singh chauhan) ডাঙৰীয়া অধ্যক্ষতা বৃষ্টিত আলোচনা হৈছে । আৰু ইয়াত যথেষ্টখিনি আমি দেখিছো যে **এম জি এনৰেগাত** কৈ বেলেগ বেলেগ কাম কৰা ইয়াত সুবিধা আছে। প্ৰায় ৩১৮ ধৰণৰ কাম এই আঁচনি জৰিয়তে কৰিব পাৰিব৷ আমাৰ পঞ্চায়ত বিলাকে আৰু ইয়াত বছৰত যি এম জি এনৰেগাৰ ১০০ দিনৰ অনা কৌশলী কামৰ নিশ্চয়তা আছিল,ইয়াত আকৌ ১২৫ দিনৰ অনা কৌশলী কামৰ নিশ্চয়তা আছে। গতিকে যথেষ্টখিনি কাম হ'ব বুলি আমি আশা কৰিছো আৰু আমাৰ সম্মানীয় যিসকল জনপ্ৰতিনিধি আছে , বিধায়ক আছে, তেখেত সকলে '' ভি বি- জি ৰাম জি'' এই আঁচনিখনত যাতে সফলভাৱে ৰূপায়ন হয়, তাৰ বাবে গুৰুত্ব দিব বুলি আশা কৰিছো। এতিয়া 15th Finance ৰ ধন ৰাশি বন্ধ কৰা কথা তেখেতে কৈছে, এইটো আচলতে তেনেকুৱা নহয় । 15th Finance আৰু 16th Finance ৰ ধন এতিয়ালৈকে অহা নাই। গতিকে convergence কৰাৰ কথা আমি ভাৱিছো। যিটো আঁচনিখনত উল্লেখ আছে। '' ভি বি-জি ৰাম জি'' ৰ লগত convergence কৰি আমি আৰু বেছি কাম কৰিব পাৰো নেকি ? সেইটোৰ প্ৰতি লক্ষ্য ৰখা হৈছে। আৰু মাননীয় মুখ্য মন্ত্ৰীয়ে ইতিমধ্যে '' ভি বি-জি ৰাম জি'' ৰ ওপৰত কেবিনেটত আলোচনা কৰিছে , আৰু এখন কেবিনেট Sub -Committee ও কৰি দিছে। য'ত আমাৰ সম্মানীয় কেবাগৰাকিও মন্ত্ৰী আছিল, ডাঃ ৰণোজ পেগু ডাঙৰীয়া ,পীয়ুষ হাজৰিকা ডাঙৰীয়া , জয়ন্তমল্ল বৰুৱা ডাঙৰীয়া, কৃষ্ণেন্দু পাল ইত্যাদি । আমি আটাইখিনিয়ে লগ লাগি আমাৰ ৰাজ্যখনৰ যিবিলাক সমস্যা আছে সেই সমস্যা

বিলাকৰ সথিকভাৱে identify কৰি , বিশেষ ভাৱে  আমি গ্ৰাম্যঅঞ্চলৰ ৰাস্তা পদুলি কৰাৰ ওপৰত  গুৰুত্ব দিছো।  **তদুৎ** বাগিচা ভিতৰত  সৰু সৰু ৰাস্তা বিলাক কৰাৰ ওপৰত গুৰুত্ব দিছো। শ্মাশানৰ ওপৰত গুৰুত্ব দিয়া হৈছে , আৰু আমাৰ ৰাইজ্যখনৰ প্ৰায়  ১৭ হাজাৰ  বিদ্যালয়ৰ বাউণ্ডাৰী নাই বুলি আমাৰ শিক্ষা মন্ত্ৰী গৰাকীয়ে কৈছে । গতিকে আমি  স্কুল বাউণ্ডাৰী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছো । সময় সময়ে বাউণ্ডাৰী নথকা কাৰণে বিশেষকৈ প্ৰাইমেৰী স্কুল বিলাকৰ ল’ৰা- ছোৱালীয়ে কেতিয়াবা মৃত্যুকো আকোৱালী ল’ব লগীয়া হোৱা ঘটনাওঁ আমি প্ৰত্যক্ষ কৰিছো । গতিকে , ইয়াৰ উপৰিও আৰু অন্যান্য কাম খিনিকওঁ  ইতিমধ্যে কি কি কৰিব পাৰি সেই কামখিনিত আমি সবিস্তাৰে লিখিতত আকাৰে দিছো। তেখেতে পাইছে , এতিয়া ধৰক, প্ৰাকৃতিক দূৰ্য্যোগ হৈছে বানপানী। ইয়াতো আমাৰ কাম কৰিব পৰা ব্যৱস্থা আছে। তাৰ কাৰণে আমি পৰিকলপনা কৰি  কাম কৰিব পাৰো । গতিকে , আমি আশা ৰাখিছো যে সকলোৰে সহযোগত আমি ভৱিষ্যতৰ দিনত  এই আঁচনিখন সফল ৰূপায়ন কৰি গ্ৰাম্যঅঞ্চলৰ অৱস্থাৰ  আমি পৰিৱৰ্তন ঘটাবলৈ  সক্ষম হ’ম।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ , এতিয়া জাকিৰ হুছেইন সিকদাৰ ,

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, ( পাকাবতবাৰী )ঃ-**  মাননায়  অধ্যক্ষ মহোদয়,  15th Finance Commission  য়ে টকা দিয়ে জনসংখ্যা বা  Population ৰ ওপৰত ।  এম জি এনৰেগাৰ কিমান ধন পাব তাত Labour বাজেটৰ ওপৰত ভিত্তি কৰিছিল। গতিকে  ‘’ভি বি- জি ৰাম জি’’ যি টকা বিভিন্ন  পঞ্চায়ত এলেকাত পাব, এই টকাতো কিহৰ ভিত্তিত ভাগ কৰি, তেওঁলোকে বা কিহৰ ওপৰত ভিত্তি কৰি টকাখিনি দিব? দ্বিতীয়তে কথা হৈছে যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ন  কথা  কৈছে যে আগতে  এম জি এনৰেগাত প্ৰাকৃতিক দূৰ্য্যোগৰ ওপৰত কোনো আঁচনি লোৱাৰ  পৰিকলপনা নাছিল। কিন্তু ‘’ ভি বি- জি ৰাম জি ‘’প্ৰাকৃতিক দূৰ্য্যোগৰ ওপৰত আঁচনি লোৱাৰ কথা উল্লেখ কৰিছো।  গতিকে প্ৰাকৃতিক দূৰ্য্যোগৰ ওপৰত যি বৰ্তমান উজনি অসমৰ কেইবাখনো জিলাত যি পৰিৱেশ পৰিস্থিতি হৈছে, আমি সকলোৱে  জ্ঞাত। ইয়াৰ

ওপৰত বিভাগে এতিয়ালৈকে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে। এই দুটা কথা আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** Minister , Please .

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, 15th Finanec Commission ৰ Tide Fund এতিয়াওঁ বহুত ঠাইত পৰি আছে। পূৰ্বৰ বহুত টকা বেলেগ বেলেগ Scheme ত unspent হৈ আছে। গতিকে সেই Unspent money খিনি আমি কি দৰে '' ভি বি-জি ৰাম জি'' লগত লগলগাই কাম কৰিব পাৰো গ্ৰাম্য অঞ্চলত সেই কথাটো আমি চিন্তা কৰিছো, আৰু ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়, উজনি অসমৰ কেইবাখনো জিলাত যোৰহাট , চৰাইদেউ, শিৱসাগৰ, আৰু গোলাঘাটৰ, মোৰ নিজৰ সমষ্টিটোতে যোৱা কালি এজন মৰিছে। গতিকে , প্ৰাকৃতিক দূৰ্য্যোগত বহুত খিনি ক্ষয়–ক্ষতি হৈছে। এইখিনি ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী নিদেৰ্শত আমাৰ সৰ্তীথ কেইবা গৰাকী মন্ত্ৰী তাত শিবিৰ পাতি , বাহৰ পাতি জনসাধাৰনৰ যিবিলাক সমস্যা হৈছে , যিবিলাক সমস্যাই জ্বলা–ক'লা খুৱাইছে, খুব দ্ৰুতগতিত সেইবিলাক নাইকীয়া কৰিবৰ কাৰণে যাৱতীয় ব্যৱস্থা লৈছে। কালি মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াও গৈছে , তেখেতে নিজেও বহু ঠাইলৈকে যাব আৰু বাকী যিটো কথা কৈছে, যিহেতু ইয়াত সুবিধাতো আছে। বানপানী হৈছে , Definitelyl আমি ভৱিষ্যতৰ দিনত এই খিনি পৰিকলপনা কৰি আমি আগবাঢ়িব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ-** Thank you . শ্ৰী ভূপেন ৰয়।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ , (পাকাবেতবাৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নটোৰ উত্তৰটো নিদিলে। চাৰ, মই কৈছিলো যে ''ভি বি-জি ৰাম জি'' Fund টো কেনেকৈ দিব ? যিহেতু এম জি এনৰেগা টো লেবাৰ বাজেটৰ ওপৰত আছিল, Job card কিমান আছিল ? তাৰ ওপৰত ভিত্তি কৰি কৰি এইটো Fund টো কেনেকৈ দিব? কি ভিত্তিত দিব। Population টোৰ কথা কৈছো।

**মাননীয় অধ্যক্ষ ঃ-** Please, আগতে যিটো এম জি এনৰেগাৰ wage system আছিলে materials system আছিলে, ইয়াতে কি System আছে ?

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয়, আগতে পইচা অলপ দেৰিকে পোৱাৰ কাৰণে , Wage or materials বহুতে এম জি এনৰেগাৰ প্ৰতি আকেৰ্ষিত নহয়। কিন্তু '' ভি বি- জি ৰাম জি '' সেই অসুবিধাবিলাক যাতে নহয় তাৰ কাৰণে মই গোটেই Scheme খনৰ বিষয়ে মই আৰু অলপ কৈ দিছো। তেতিয়া সম্মানীয় সদস্য গৰাকীয়ে সুধিছে যেতিয়া- এক নম্বৰ কথা হৈছে, যে কৰ্ম সস্থাপনৰ নিশ্চয়তা টো আছে। মই কৈছো যে এখন Sub-Committee কৰি দিছে, মাননীয় অধ্যক্ষ মহোদয় , আৰু এই Sub-Co-mmittee য়ে এতিয়ালৈকে Report দিয়া নাই আৰু এই Sub-Committee য়ে details threadbare discussion দুবাৰকৈ আলোচনা কৰাৰ পিছত মই আজি যদি খাতাংকৈ কৈ দিওঁ আমি **Lft** কৰিম বুলি। যিহেতু Sub-Committee য়ে এই Report টো পিছত এই Report ওপৰত কেবিনেট আমি সিদ্ধান্ত লম সেইকাৰণে মই deltais এই বিষয়টো যাব খুজানাই। '' ভি বি-জি ৰাম জি'' যিমান সুবিধা আছে যদি ক'ব লগা আছে মই এটো কৰি দিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ-** সেইটো নালাগে। এই distribution টো যেতিয়া sub-committee য়ে গোটেই chip কৰিব তেতিয়া জনাই দিব। এতিয়া ভূপেন ৰয়।

**শ্ৰী ভূপেন ৰায়, ( অভয়াপুৰী)ঃ-** ধন্যবাদ অধ্যক্ষ ডাঙৰীয়া, এম জি এনৰেগা যিটো আঁচনি আগতে আছিলে, এতিয়া '' ভি বি- জি ৰাম জি '' হ'ল , আগত যিখিনি এম জি এনৰেগাৰ কিছু আঁচনি ৰাইজে কিছুমান ঠাইট কাম কৰিছিলে, ব্লক বিলাকে কাম দিছিলে, এই কাম বিলাক কিছু আধৰুৱা হৈ থাকিল আৰু তাৰে যিটো মজুৰি আমাৰ শ্ৰমিক সকলে পাব লগা আছে সেইবিলাক ঠাইটে নাপালে। গতিকে এই বিষয়ে মন্ত্ৰী মহোদয় বিষয়টো অলপ গুৰুত্ব দিব নেকি ? আৰু এই পইচাখিনি পোৱাৰ ব্যৱস্থা কৰি দিবনেকি ?

**মাননীয় অধ্যক্ষ ঃ-** আগৰ Payment, ঠিক আছে।

**শ্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, য'ত য'ত MGNREGA ৰ বেছিকৈ পইচা পাবলৈ আছে বুলি বিভিন্নজনে আমাক আহি কয় দেখা গৈছে যে নিৰ্দিষ্ট কিছুমান জিলাত আছে আৰু সেইবোৰ জিলাত MGNREGA ৰ সম্পৰ্কত অভিযোগো বহুত আহিছে। VB-G RAM G ত যাতে স্বচ্ছভাৱে কামখিনি হয় তাৰ কাৰণে কিছুমান নতুন criteria ও ভাৰত চৰকাৰে ইতিমধ্যে নিৰ্ধাৰণ কৰি দিছে। তথাপিও যিখিনি কাম হৈছে সঁচা অৰ্থত যদি কাম কৰিছে, তেতিয়াহ'লে সেইখিনি আমি অলপ পৰীক্ষা কৰি পইচাখিনি দিয়াৰ ব্যৱস্থা কৰিম, তাত কোনো অসুবিধা নহয়। MGNREGA ত যদি কোনো কাম আধৰুৱা হৈছে, সেইখিনি VB-G RAM G ত দি সম্পূৰ্ণ কৰিব নিশ্চয়কৈ পাৰিম।

**মাননীয় অধ্যক্ষঃ** Thank you. এতিয়া শ্ৰী প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা বিশেষভাৱে জানিব বিচাৰিছো যে VB-G RAM G আহিল, এই VB-G RAM G অহাৰ ফলত আমাৰ বৰ্তমান পঞ্চায়ত বিলাকৰ infrastructure বিলাক development কৰাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা হাতত লৈছে নেকি ? যেনে বৰ্তমান পঞ্চায়তৰ এজন এজন Secretary য়ে ৩ টা -৪ টা ব্লক চলাব লগীয়া হৈছে আৰু তাত যেনেকৈ infrastructure ধৰক তাত Articulated Engineer বা Computer Assistant এই গোটেই কথা বিলাক ইমান কম আছে যে তেওঁলোকে que কৰিব লাগে, এটা কাম কৰাৰ পিছত তাত payment ৰ বাবেও que কৰিব লাগে। que কৰিবলৈ যাওঁতে তাত বহুত কথাত খেলি-মেলি হোৱা দেখা যায়। সেইকাৰণে মই কৈছো যে VB-G RAM G আৰম্ভ হোৱাৰ লগে লগে বাকীবিলাক কথাও যদি আমি আৰম্ভ কৰিব নোৱাৰো, তেওঁলোকৰ ওপৰত responsibility placed কৰিব নোৱাৰো, আজি Computer Assistant ৰাখিছো কিন্তু তেওঁলোকৰ ওপৰত যেতিয়া পইচাৰ খেলি-মেলি হয়, তেতিয়া তেওঁলোকৰ ওপৰত আমি কিমান responsibility placed কৰিব পাৰিছো। সেইকাৰণে সেই মানুহবোৰক permanently দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু প্ৰত্যেক পঞ্চায়তত secretary সকলক দিয়াৰ ব্যৱস্থা কৰিব নেকি লগতে প্ৰত্যেকটো পঞ্চায়তত

তেওঁলোকে অহা-যোৱা কৰিবলৈ প্ৰত্যেক পঞ্চায়তত এখনকৈ মটৰ চাইকেল বা স্কুটী দিয়াৰ ব্যৱস্থা কৰিব নেকি যাৰ ফলত পঞ্চায়তত সকলো কাম চোৱা-চিতা কৰাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব, এইখিনি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister regarding Staff and Infrastructure.

**শ্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত বহুখিনি বিষয়া কৰ্মচাৰী আছে । তাৰ ভিতৰত বহুখিনি permanent, যেনে BDO, Engineer, Junior Engineer আছে আৰু বহুখিনিয়ে আচলতে ঠিকাভিত্তিত লোৱা হৈছিল। গতিকে আৰু বহুখিনি ল'বলগীয়া আছে বুলি আমি অনুভৱ কৰিছো । হয়, আজি এজন পঞ্চায়ত secretary য়ে কেইবাখনো পঞ্চায়ত চাবলগীয়া হয়, ঠিক তেনেকৈ Tax collector বিলাককো নিয়েজিত কৰা হৈছিল পঞ্চায়তৰ সচিব হিচাপে। মই দেখিছো যোৱা দিনবিলাকত পৰীক্ষা -নিৰীক্ষা কৰি আমি আৰু মানুহক নিযুক্তি দিব লাগিব । ইতিমধ্যে ১৫০৮ জন ঠিকাভিত্তিক পদ গ্ৰামৰোজগাৰ সহায়ক ৪৬৪ জন, গাওঁ পঞ্চায়ত সমন্বয়ক ৪৬২ জন, কম্পিউটাৰ সহায়ক ২৯১ জন আৰু স্বীকৃতিপ্ৰাপ্ত অভিযন্তা ২৯১ জনৰ বাবে বিজ্ঞাপন ইতিমধ্যে প্ৰকাশ কৰা হৈছে । সচিবৰ ক্ষেত্ৰতো তদ্ৰুপ ব্যৱস্থা গ্ৰহণ কৰা হ'ব । এই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগটো যাতে Man power shortage ৰ বাবে যাতে কাম নোহোৱাকৈ নাথাকে, আমাৰ আঁচনিবোৰ ৰূপায়িত নোহোৱাকৈ নাথাকে আৰু VB-G RAM G এখন যিহেতু ডাঙৰ আঁচনি ইতিমধ্যে ১৯২৯.৭০কোটি টকা ভাৰত চৰকাৰে দিছে আৰু অসম চৰকাৰে দিবলগীয়াটো অসম চৰকাৰে দিয়াৰ সিদ্ধান্ত লৈছে । গতিকে নিশ্চয়কৈ আমি এইখিনি কৰিবলৈকে যাৱতীয় ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । পৰৱৰ্ত্তী প্ৰশ্ন নং ১৬৬ । ডাঃ আচিফ মহম্মদ নাজাৰ।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, জলসিঞ্চন ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**ডাঃ আচিফ মহম্মদ নাজাৰ, লাহৰীঘাটঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো কিন্তু ইয়াত লিখা আছে লাহৰীঘাটত বা মৰিগাওঁত মাত্ৰ ১৬ শতাংশ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে। লাহৰীঘাটত মাত্ৰ ১৪ শতাংশ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, বিগত ৫ বছৰত লাহৰীঘাটত যি কেইটা জলসিঞ্চনৰ ব্যৱস্থা আছিল, সেইকেইটা বিকল হোৱাৰ কথা বিগত ৫ বছৰত মই প্ৰশ্ন উত্থাপন কৰি আহিছো। সেই একেটা উত্তৰে আজি পাইছো যে কৃষকৰ চাহিদা নিৰূপণ, সম্ভাৱনীয়তা অধ্যয়ন আৰু প্ৰাৰম্ভিক জৰীপ এতিয়াও শেষ হোৱা নাই। গতিকে বিগত ৫ বছৰ ধৰি জৰীপ কৰিয়ে আছে।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কওঁক।

**ডাঃ আচিফ মহম্মদ নাজাৰ, লাহৰীঘাটঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী ডাঙৰীয়াক কওঁ যে অতি সোনকালে যি বিকল হৈ আছে আমাৰ সমষ্টিত ৰজা গাধোৱা উত্তোলিত জলসিঞ্চন আঁচনি, ছাতিয়ানতলি জলসিঞ্চন আঁচনি, লাহৰীঘাট জলসিঞ্চন আঁচনি আৰু মৈৰাবাৰী জলসিঞ্চন আঁচনি, এই চাৰিটা জলসিঞ্চন আঁচনি আছিল আৰু আটাকেইটা বিকল হৈ আছে। নতুনৰ কথাটো দূৰৰে কথা, সেইকেইটাই বিকল হৈ আছে। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম অতি সোনকালে এই বিকল হোৱা আঁচনি কেইটা যাতে আৰম্ভ কৰে। লগতে আমাৰ সমষ্টিত ধানৰ খেতি, মাকৈৰ খেতি বিভিন্ন ধৰণৰ খেতি হয়, এইবোৰত যাতে পানী পায় তাৰ কাৰণে যাতে আঁচনি লয় আৰু এই বিকল হোৱা কেইটাৰ উপৰিও যাতে নতুন প্ৰকল্প লয়, নতুন আঁচনি যাতে লয় তাৰ কাৰণে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষঃ** এতিয়া সন্মানীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে যিটো 16 % আৰু 14% ৰ কথা কোৱা হৈছে সেইটো জলসিঞ্চন বিভাগৰ । অধ্যক্ষ ডাঙৰীয়া, অসমত অসম চৰকাৰৰ তিনিটা বিভাগে জলসিঞ্চনৰ ব্যৱস্থা কৰে। এটা Irrigation Department, এটা Agriculture

Department আৰু এটা Soil Conservation Department. সেই গোটেই কেইটা হ'লে ২৫ শতাংশমান মৰিগাওঁ জিলা বা লাহৰীঘাটত জলসিঞ্চনৰ ব্যৱস্থা কৰা আছে। লাহৰীঘাটত আচলতে জলসিঞ্চনৰ সমস্যা নাছিল, অতিকৈ ব্যপকভাৱে বানপানীৰহে সমস্যা আছিল । স্বাধীনতাৰ ৭৫ বছৰ অধ্যক্ষ ডাঙৰীয়া এটা পাৰ্টিয়ে তাত শাসন কৰিলে, বাৰু বেছিকৈ নকও, মুখ খুলিলে বহুত কথা ওলাই যাব। বানপানী তাত শেষ নহ'ল। আজি ৪ বছৰ আগত আমিয়ে বানপানী শেষ কৰিছো। আগতে খেতিয়ে কৰিব নোৱাৰিছিল। ৫০ বছৰ ৪৫ বছৰ এটা পৰিয়ালে তাত শাসন চলালে, ৭০-৭৮ বছৰ এটা পাৰ্টিয়ে তাত শাসন চলালে, ১৪ কিঃমিঃ মথাউৰি কৰিব নোৱাৰাৰ কাৰণে বানপানীত মানুহ তাত ঢুকায়। খেতি কৰিবই নোৱাৰে অধ্যক্ষ ডাঙৰীয়া, ক'ত জলসিঞ্চনৰ প্ৰশ্ন আহিল। তাত কৰিব লাগিছিল বানপানী ৰোধ, তাৰ পিছত জলসিঞ্চন। আমি বানপানী ৰোধ কৰি জলসিঞ্চন কৰিবলৈ চেষ্টা কৰি আছো। লাহৰীঘাটত ইমান বানপানী আছিল, ইমান বানপানী আছিল, খেতিটো দূৰৰ কথা, মানুহ বাচিবলৈকে জীৱন সংগ্ৰাম কৰিবলগা হৈছিল। আজিৰ পৰা চাৰি বছৰ আগতে আমি মুখ্যমন্ত্ৰীৰ ডাঙৰীয়াৰ নিৰ্দেশত তাত চাৰে চৈধ্য কিলোমিটাৰ মথাউৰি নিৰ্মাণ কিৰছো আৰু এতিয়া তাতে দুটা তিনিটা খেতি হয় অধ্যক্ষ ডাঙৰীয়া। আগতে এটা খেতি কৰিব পাৰিছিল মানুহে, এতিয়া লাহৰীঘাটত দুটা তিনিটা খেতি হয়। গতিকে যিখিনি কৰিছো আমিয়ে কৰিছো, যিখিনি কৰিম আমিয়ে কৰিম।

**ডাঃ আচিফ মহম্মদ নাজাৰ, লাহৰীঘাটঃ** মাননীয় অধ্যক্ষ মহোদয়, যিকেইটা জলসিঞ্চনৰ আঁচনি আছিল এইকেইটা কংগ্ৰেছ চৰকাৰৰ দিনত কৰা।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, জলসিঞ্চন ইত্যাদি ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিখিনি কৰিছো আমিয়ে কৰিছো যিখিনি কৰিম আমিয়ে কৰিম। তাত বানপানী কোনে নাইকিয়া কৰিছে মাননীয় বিধায়ক গৰাকীক সুধিব বিচাৰিছো। বানপানী, গড়াখহনীয়া কোনে নাইকিয়া কৰিছে। মই ক'মেই , গোটেইখিনি ক'ম আৰু যদি কিবা কৰিবলগীয়া আছে আমিয়ে কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে কৰিব বুলি ক'লে মন্ত্ৰী ডাঙৰীয়াই।

আপোনাৰ supplementary আছে নেকি regarding মৰিগাওঁ ?

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই জলসম্পদ বিভাগৰ মন্ত্ৰী আছিল, বানপানী কমাইছে তাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু আপুনি বিধায়ক ডাঙৰীয়াৰ প্ৰশ্নটোৰ উত্তৰ দিয়া নাই। চাৰিটা প্ৰকল্প বন্ধ হৈ আছে সেইটো কৰিব নে কওঁক, মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, জলসিঞ্চন ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখিনি কৰিম আমিয়ে কৰিম বুলি কৈছো ইতিমধ্যে, আপোনালোকে হয়তো ভালকৈ শুনা নাই । মই কৈছো যে বানপানী নাইকিয়া কৰিছো, মথাউৰি পকীকৰণ কৰিছো, ৰাস্তাও কৰিছো আৰু তাত জলসিঞ্চনৰ ব্যৱস্থা পৰ্য্যায়ক্ৰমে কৰা হ'ব। আপোনালোকে নকৰিলে আমি কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। তেওঁ মানে আগৰ মন্ত্ৰী আছিল পানী বন্ধ কৰি দিছে, এইবাৰ নতুন মন্ত্ৰী হিচাপে পানী তাত দিব। উত্তৰ সেইটোৱে ধন্যবাদ।

পৰৱৰ্ত্তী প্ৰশ্ন নং ১৬৭ বদৰুদ্দিন আজমল।

**পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মহম্মদ বদৰুদ্দিন আজমল, বিন্নাকান্দিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া প্ৰশ্ন দিছিলো flood erosion এনেকুৱা নাছিল যিটো আজি গোটেই অসমৰ ভয়াৱহ পৰিস্থিতি হৈ আছে। মোৰ প্ৰশ্নটো এতিয়া divert হৈ গ'ল Only for flood and erosion আৰু এইটোৱে ১৯৫৫-৫৪ ত নেহেৰুজীয়ে এটা প্ৰস্তাৱ দিছিল হোৱাং নদীক control কৰাৰ কাৰণে, আমাৰ ব্ৰহ্মপুত্ৰ নদীক control কৰাৰ কাৰণে আজিলৈকে সেইটোৰ ওপৰত কোৱা মানুহ হোৱা নাই। প্ৰায় ৭০ বছৰ কংগ্ৰেছে ভুল কৰিলে। আজি মোৰ এইটো ডিমাণ্ড হ'ল যে এই যিটো sand হৈ আছে, graving হৈ আছে এইটো এটা ডাঙৰ মাফিয়া, এইটো মাফিয়া হৈ আচল কামটো থাকি যায় । আৰু বজাৰত ওলোৱা নকল, যিসকলে পইছা দি কোনোৰকমে বালিখিনি ওলাই থাকে, আৰু য'ত কাম কৰিব লাগে তাত নকৰে। আজি যি বানপানী হৈছে তাৰ এইটো হ'ল একমাত্ৰ কাৰণ, আৰু ইয়াক control

কৰাৰ কাৰণে এই মাফিয়াগিৰি আমি বন্ধ কৰিব লাগিব, এইটো মোৰ first demand. My second demand will be supplementary, মই একেলগে দি দিম ছাৰ, যে অতি কমেও ২ দিন, এই যি বানপানীৰ ভয়াবহ পৰিস্থিতি, গুৱাহাটী টাউনতো প্রতি বছৰে হৈ আছে আৰু এতিয়া গোটেই অসমতে হৈ আছে। শিৱসাগৰত মই গৈ আহিছো, আজমল ফাউণ্ডেশ্যনৰ পৰা ১ কোটি টকা ৰিলিফ ফাণ্ড হিচাপে লৈ গৈ আছো। তাত মই দেখিছো যে ৮৮% আমাৰ non-muslim ভাইসকল আছে। Only 10%, বাকী সকলো others. মই যে ইমানবোৰ টকা লৈ যাম, মই non-muslim ৰ ঘৰত থাকিম, আপোনাৰ দৃষ্টিগোচৰ কৰাৰ বাবে কাম কৰিম, I will stay there for 3-4 days. মোৰ কথা হ'ল যে এই কথাবোৰত আমাৰ মন্ত্রী মহোদয় যদি strict নহয়, যদি এই বালি মাফিয়াবোৰক বন্ধ কৰিব নোৱাৰে, actually এই মাফিয়া গোটেই অসমত, ইয়াৰ কাৰণে মই মন্ত্রী মহোদয়ক specially request কৰিম যে কি কৰিব লাগে কৰক, মোৰ হিচাপত Home Ministry আদি সকলো তেখেতৰ লগত আছে, গতিকে যি ধৰিব লাগে বা যি কৰিব লাগে কৰক and I request kindly to adjourn the August House only for 2 (two) days for this devastating flood situation presently prevailing in the entire upper Assam. এই বানপানী নিয়ন্ত্রণ কৰিব লাগে কাৰণ বহু মানুহৰ মৃত্যু হৈছে, গাড়ী-মটৰৰ যথেষ্ট ক্ষতি সাধন হৈছে।

**মাননীয় অধ্যক্ষ :** Minister, in regard...

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্রী, সংসদীয় পৰিক্রমা, ইত্যাদি) :** সন্মানীয় অধ্যক্ষ মহোদয়, দৰাচলতে বালিৰ খনন বা বালিৰ নিবিদা আহ্বান –সকলোখিনি বন বিভাগে কৰে। জলসম্পদ বিভাগে কেৱল NOC দিয়ে। যেতিয়া বন বিভাগে NOC বিচাৰে তেতিয়া জলসম্পদ বিভাগৰ ইঞ্জিনিয়াৰে গৈ তাত survey কৰে আৰু কেইটামান গাইডলাইন বনাই দিয়ে আৰু কোৱা হয় যে সেই গাইডলাইন কেইটা মানিব লাগিব যাতে embankment টো ঠিকে থাকে, সেইখিনি যদি মানে তেনেহ'লে NOC দিয়া হ'ব। ইয়াৰ পিছত জলসম্পদ বিভাগৰ লগত বালিৰ মহলৰ একো সম্পৰ্ক নাথাকে। কিন্তু NOC দিয়াৰ ক্ষেত্ৰত যি যি criteria দিয়া হয়

সেইখিনি যদি fulfill নকৰে, তেতিয়া আমি বন বিভাগক ক'ব পাৰো যে যে এই মহলটোত এইখিনি condition violate হৈছে আৰু বাকী কামখিনি বন বিভাগৰ হয়। মাননীয় সদস্য গৰাকী এজন খুব senior Member, গতিকে তেখেতে যিখিনি কৈছে সেইখিনি মই বন বিভাগৰ মন্ত্ৰীক নিশ্চয়কৈ জনাম।

**মাননীয় অধ্যক্ষ :** আবুল কালাম ৰশিদ আলম।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পূব্ৰ গোৱালপাৰা) :** মাননীয় অধ্যক্ষ মহোদয়, আগতে মন্ত্ৰী আছিল, তেওঁক ধন্যবাদ দিছো।

**মাননীয় অধ্যক্ষ :** ১ মিনিট, আপোনাৰ supplementary আছে নেকি?

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও) :** হয়।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পূব্ৰ গোৱালপাৰা) :** তেখেত যেতিয়া জলসম্পদ বিভাগৰ মন্ত্ৰী আছিল তেওঁ  successful হৈছে, ইয়াত মই তেখেতক ধন্যবাদ দিছো। কিন্তু কিছু কাম আধৰুৱা হৈ থাকি গ'ল, এইবাৰো যদি তেখেত এই বিভাগৰ মন্ত্ৰী হ'ল হেতেঁন, নিশ্চয় সেইখিনি কাম তেখেতে কৰিব পাৰিলে হেতেঁন, মই সেইটো স্বীকাৰ কৰিছো। বিগত ৫ বছৰত মোৰ সমষ্টিত ৩টা মথাউৰি আধৰুৱা হৈ ৰ'ল। ১টা হ'ল- কৃষ্ণাই নদীৰ মইনামতী মথাউৰি, জিনাৰী নদীৰ গোৱালপাৰাৰ পৰা খাগ্ৰাবাৰীলৈ থকা মথাউৰিটো আৰু গোৱালপাৰা টাউনৰ পুৰণি চাৰ্কিট হাউচৰপৰা পঞ্চৰত্নলৈ থকা মথাউৰিটো আধৰুৱা হৈ আছে, এইখিনি সম্পূৰ্ণ কৰিব নেকি আৰু মূল প্ৰশ্নটো হ'ল- বালি, পাহাৰৰ পৰা অহা বালিখিনি আমি কোৱাৰী কৰি দিওঁ, ঘৰ-বাৰী বনাওঁতে প্ৰয়োজন হয়। আৰু এবিধ বালি আছে ব্ৰহ্মপুত্ৰ নদীৰ পৰা আহে, এই বালি কিন্তু বন বিভাগৰ নহয়, ই জলসম্পদ বা ৰাজহ বিভাগৰহে। ইয়াত বদৰুদ্দিন আজমল ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিলে তাৰ অৰ্থটো হ'ল তাত অবৈধভাৱে বালি খনন কৰি আছে, তেওঁলোকৰ ওচৰত জলসম্পদ বা ৰাজহ কোনো এটা বিভাগৰে NOC নাই। গতিকে অতি সোনকালে সেইবোৰ বন্ধ কৰিব লাগে।

**মাননীয় অধ্যক্ষ :** Minister, please reply.

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী,  সংসদীয় পৰিক্ৰমা, ইত্যাদি) :** সন্মানীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ যিটো প্ৰশ্ন, নিশ্চয়কৈ বৰ্তমানৰ মন্ত্ৰী ডাঙৰীয়াইও কাম কৰিব। মই এটা কথা ভালদৰে জানো যে অসমত feasibility থকা ১৩০ কিমিতকৈ ওপৰত মথাউৰি নাই। ক'ৰবাত এনেকুৱা ঠাইত মথাউৰিৰ প্ৰয়োজন য'ত highly densed population থকাৰ বাবে  মানুহে মাটি দিব নোৱাৰে, তাত feasibility নাই। Feasibility থকা ১৩০ কিমি মান আছে, সেইখিনি নিশ্চয়কৈ কৰা হ'ব। তেখেতৰ ২য় প্ৰশ্নটো Water Resource Department এ reversal ত NOC হে দিয়ে,  নিয়ন্ত্ৰণ নকৰে, সেইটো District Commissioner অধীনত থাকে। বিধায়ক ডাঙৰীয়াই কোৱাৰ দৰে ব্ৰহ্মপুত্ৰ নদীৰ বালিৰ যি reversal, সেয়া আমাৰ  District Commissioner সকলে চায়, with the NOC from the Water Resource Department. গতিকে এই ক্ষেত্ৰতো সজাগ হ'বলৈ আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ :** বিধায়ক ডাঙৰীয়া, আপুনি ডিচি ৰ লগত যোগাযোগ কৰিব।

এতিয়া শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও) :** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিধান সভাৰ মজিয়াত ৫ বছৰ যুঁজিছিলো, ৪ বছৰ যুঁজাৰ পিছত আমাৰ জলসম্পদ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে মোৰ সমষ্টিৰ বাবে প্ৰায় ৬০ কোটি টকা sanction কৰিছিল। ধনশ্ৰী নদীৰ দুইপাৰে হোৱা গৰাখহনীয়া ৰ পৰা protection ৰ কাৰণে। ইয়াৰ বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু এটা কথা মই যোৱা বিধান সভাত উত্থাপন কৰিছিলো যে সেই বান্ধৰ কাম চলি আছে, সম্পূৰ্ণ হোৱা নাই। কিন্তু তাত বালি খনন হৈ থকাৰ বাবে ৬০ কোটি টকাৰ সেই মথাউৰিটোৰ অৱস্থা বেয়ালৈ গৈছে, এতিয়া সেই মথাউৰিটো পুনৰ ভাঙি যোৱাৰ উপক্ৰম হৈছে। তাত 'অসমমালা' আঁচনিৰ অধীনৰ  দলগাঁৱৰ পৰা ঢেকিয়াজুলিলৈকে এটা ৰাস্তা বালি খননৰ বাবে গৰাখহনীয়াৰ কবলত পৰিছে আৰু ভাঙি যোৱাৰ উপক্ৰম হৈছে। বিভগীয় মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে ইয়াৰ ওপৰত যদি নজৰ নিদিয়ে তেনেহ'লে সেই ৬০ কোটি

টকা পানীত পৰিব আৰু 'অসমমালা' ৰ যিটো ৪ কোটি টকাৰ পথ আছিল সেই পথেৰে আহ-যাহ বন্ধ হৈ যাব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে ইয়াৰ ওপৰত অতি সোনকালে strict action ল'ব লাগে।

**মাননীয় অধ্যক্ষ :** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি) :** সন্মানীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে জলসম্পদ বিভাগে সম্পূৰ্ণভাৱে নিয়ন্ত্ৰণ নকৰে, বন বিভাগেহে নিয়ন্ত্ৰণ কৰে। কিন্তু যিহেতু আমি NOC দিওঁ, গতিকে আমাৰো দয়িত্ব নথকা নহয়, মূৰ পোলোকা মৰাটোতো ভাল কথা নহয়, নিশ্চয়কৈ আমি বন বিভাগৰ লগত যোগাযোগ কৰিম। উক্ত অঞ্চলকেইটাত আমাৰ বিষয়াসকল আছে, Chief Engineer, Senior most Secretary আছে, তেখেত সকলেও নিশ্চয়কৈ শুনি আছে, য'ত য'ত এনধৰণৰ specific allegations আছে তাত আমাৰ জলসম্পদ বিভাগে চৰজমীন তদন্ত কৰিব আৰু বন বিভাগলৈ চিঠি লিখিব বা ডিচি লৈ চিঠি লিখিব যাতে সেইখিনি বন্ধ কৰা হয়।

**মাননীয় অধ্যক্ষ :** মজিবুৰ ৰহমান হওঁক বা ৰশিদ আলম ডাঙৰীয়া, আপোনালোক বিধায়কসকলে District Commissioner লৈ লিখে নে নিলিখে ? পৰৱৰ্তী সময়ত আপোনালোকে ডিচিলৈ লিখা চিঠিৰ কপি সদনৰ মজিয়ালৈ লৈ আনিব। কাৰণ এওঁলোকে NOC দিয়ে, কিন্তু implement কোনে কৰে, ডিচিয়ে কৰে। কিন্তু ডিচিয়ে যদি আপোনাৰ কথা শুনা নাই কি ব্যৱস্থা কৰিব লাগে কৰিম। পৰৱৰ্তী সময়ত ডিচিলৈ লিখা কপি সদনত লৈ আহিব।

পৰৱৰ্তী প্ৰশ্ন নং ১৬৮, শ্ৰীমতী বেবী বেগম।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীমতী বেবী বেগম (ধুবুৰী) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জিলাখনৰ কৃষি খণ্ডৰ বিকাশৰ বাবে কৃষি বিভাগৰ ফালৰ পৰা দুখন কলেজ নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰিবনে ? মোৰ ২য় প্ৰশ্নটো হৈছে ধুবুৰী বিধান সভা সমষ্টিত সেই

আঁচনি ৰূপায়ণৰ পৰিমাণ তেনেই নগন্য। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে সীমান্তৰৰ্তী ধুবুৰী সমষ্টিটোত .......

**মাননীয় অধ্যক্ষ :** ১ মিনিট। মন্ত্ৰী ডাঙৰীয়াই আপোনাৰ প্ৰথম প্ৰশ্নটো কি আছিল জানিব বিচাৰিছে।

**শ্ৰীমতী বেবী বেগম (ধুবুৰী) :** মোৰ প্ৰথম প্ৰশ্নটোৰ উত্তৰ ভালদৰে দিয়া নাই বাবে মই এইটোত আহিছো। মন্ত্ৰী মহোদয়ক মই প্ৰশ্ন  কৰিছিলো যে ৫ বছৰত বিভাগীয় কৰ্তৃপক্ষই কি কি আঁচনি ৰূপায়ণ কৰিছিল ? ইয়াত মোক উত্তৰত দিয়া হৈছে যে ৫ বছৰত SOPD ৰ অধীনত ইমান টকা খৰছ কৰা হৈছে। মই উত্তৰটো পোৱা নাই বাবে প্ৰশ্ন কৰিছো।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী,  সংসদীয় পৰিক্ৰমা, ইত্যাদি) :** মই প্ৰশ্নটোহে আকৌ এবাৰ কৰিবলৈ কৈছো, প্ৰথমবাৰ শুনা নাপালো।

**শ্ৰীমতী বেবী বেগম (ধুবুৰী) :** প্ৰশ্নটো হ'ল – আমাৰ ধুবুৰী সমষ্টিত এইবাৰ কৃষি বিভাগৰ ফালৰ পৰা এখন cold storage নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰিবনে ? আৰু ২ নং প্ৰশ্নটো হ'ল- ধুবুৰী সমষ্টিত যিমানখিনি আঁচনি কৃষি বিভাগৰ পৰা ৰূপায়ণ কৰা হ'ল সেয়া একেবাৰে নগন্য কিয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী,  সংসদীয় পৰিক্ৰমা, ইত্যাদি) :** অধ্যক্ষ ডাঙৰীয়া , সমগ্ৰ অসমত যি যি আঁচনি গ্ৰহণ কৰা হৈছে, সেই সকলো আঁচনি ধুবুৰী জিলাতো গ্ৰহণ কৰা হৈছে। তেখেতে অলপ আগতে ক'লে যে ধুবুৰী জিলাত মাখানাৰ খেতি হোৱা নাই। ধুবুৰী জিলামানে কেৱল ধুবুৰী সমষ্টিটোৱেই নহয়। গোলকগঞ্জত মাখানাৰ খেতি হৈ আছে। ধুবুৰীত যদি কৰিব লাগে আমি পৰৱৰ্তী সময়ত মাখানা খেতি কৰিম। তেখেতে যি cold storage ৰ কথা কৈছে পুঁজি সাপেক্ষে তাৰ ব্যৱস্থা কৰা হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। Question Hour is Over.

**ওয়াজেদ আলী চৌধুৰী, (বিৰোধী দলৰ দলপতি) :** মাননীয় অধ্যক্ষ মহোদয়, আমি এখন সভা স্থগিত প্ৰস্তাৱৰ জাননী দিছিলো। মই যোৱাকালি

আপোনাক এই বিষয়ে চিঠিও লিখিছিলো যে অসমৰ বৰ্তমানৰ যি বানপানীৰ পৰিস্থিতি বিশেষকৈ উজনি অসমৰ যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাত যি বানপানী হৈছে, বিগত ৬০ বছৰত এনেকুৱা বানপানী হোৱা নাই বুলি ৰাইজে কৈ আছে। মানুহ গছৰ ওপৰত উঠিবলগীয়া হৈছে। এতিয়ালৈকে মানুহবিলাক ঘৰৰ ভিতৰত পানীৰ মাজত আৱদ্ধ হৈ আছে । সেয়েহে এনেকুৱা এটা পৰিস্থিতিত যোৱাকালি মই সভা স্থগিত প্ৰস্তাৱ দিছিলো । কিন্তু এইটো নহ'ল । সেয়েহে আজি মই বিচাৰিছো যে সদনৰ বাকী কাৰ্য্যসূচী বাদ দি ইয়াৰ ওপৰত আলোচনা কৰিবলৈ সুযোগ দিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া আপুনি বহক। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৬ নং নিয়মৰ অধীনত মাননীয় সদস্য ডা: আছিফ ম: নাজাৰৰ লগতে অন্য ৪ গৰাকী মাননীয় সদস্যৰ পৰা সভা স্থগিত প্ৰস্তাৱৰ এখন জাননী লাভ কৰিছিলো । সভা স্থগিত প্ৰস্তাৱ যোগে মাননীয় সদস্যসকলে আলোচনা কৰিব বিচৰা ৰাজ্যৰ সাম্প্ৰতিক বানপানী আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ বিষয়টো এটা অতি স্পৰ্শকাতৰ আৰু ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়। এনেকুৱা এটা অতি স্পৰ্শকাতৰ আৰু ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় সদনত আলোচনা কৰিব দিবলৈ সক্ষম হোৱা হ'লে মই অত্যন্ত সুখী হ'লোহেঁতেন। কিন্তু দাবী মঞ্জুৰীসমূহৰ ভোটদানৰ বাবে নিৰ্ধাৰিত কালছোৱাত নিয়মাৱলীৰ যি কোনো প্ৰক্ৰিয়াৰ আধাৰত কোনো ধৰণৰ আন বিষয় আলোচনা কৰিব পৰা নাযায় । বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৪৬ নং নিয়মৰ ২ নং উপ-নিয়মে এনে কাৰ্য্য স্পষ্ট ৰূপত বাৰণ কৰিছে । এনে পৰিপ্ৰেক্ষিতত সভা স্থগিত জাননীখন গ্ৰহণযোগ্যতাৰ সন্দৰ্ভত আমাৰ অপৰাগতা প্ৰকাশ কৰিলো। অৱশ্যে দাবী মঞ্জুৰী সমূহত ভোটদানৰ বাবে নিৰ্ধাৰিত দিন কেইটাৰ বাহিৰে পৰৱৰ্তী এটা দিনত বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ যিকোনো এটা নিয়মৰ অধীনত এই গুৰুত্বপূৰ্ণ বিষয়টো আলোচনা কৰিবলৈ বিচাৰিলে নিশ্চয়কৈ বিভিন্ন ডিভাইচৰ আধাৰত আলোচনা কৰিব পাৰিম। মাননীয় সদন উজনি অসমৰ যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ সাম্প্ৰতিক বান

পৰিস্থিতি তথা প্ৰাকৃতিক দুৰ্য্যোগৰ বিষয়টো অসম বিধান সভাৰ প্ৰত্যেকজন সদস্যই উৎকণ্ঠিত আৰু উদ্বিগ্ন। এই বিপদৰ সময়ত আমি সকলোৱে বানাক্ৰান্ত জনতাৰ দুখৰ সমভাগী হোৱাৰ লগতে বান পিড়ীতৰ ওচৰত আমি গভীৰ সমবেদনা জ্ঞাপন কৰিলো । এই ক্ষেত্ৰত চৰকাৰ তথা প্ৰশাসনৰ লগতে বিষয়টোৰ লগত  জড়িত সকলো পক্ষকে উদ্ধাৰ অভিযানৰ উপৰিও সুনিশ্চিত বান সাহাৰ্য্য, পুনৰ সংস্থাপন কাৰ্য্যত উৎসৰ্গিত মনোভাৱেৰে আত্ম নিয়োগ কৰিবলৈ আহ্বান কৰিছো । আমি নিশ্চিত যে চৰকাৰে ইতিমধ্যে আশানুৰূপ পদক্ষেপ গ্ৰহণ  কৰিছে আৰু ভৱিষ্যতেও দীৰ্ঘায়ু কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰি যাব। মোৰ বিচাৰত এনে এটা জটিল সন্ধিক্ষণত বিষয়টো সদনত আলোচনাৰ বাবে আঁকোৰগোজ হৈ নাথাকি আমি সকলোৱে ঐক্যবদ্ধভাৱে চৰকাৰ, প্ৰশাসনৰ সৈতে একেলগে  উদ্ধাৰ অভিযান তথা সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ সহযোগিতা আগবঢ়োৱাটো আটাইতকৈ প্ৰয়োজনীয়। এনে পৰিপ্ৰেক্ষিতত সভা স্থগিত প্ৰস্তাৱৰ জাননী স্বাক্ষৰ কৰা মাননীয় সদস্য কেইগৰাকীকে প্ৰমুখ্যে সকলো মাননীয় সদস্যকে আহ্বান জনাওঁ যে এই বিষয়ত সহায়ক হোৱাকৈ যদি কোনো তথ্য বা গুৰুত্বপূৰ্ণ বিষয় তেখেতসকলৰ হাতত উপলব্ধ আছে, তেতিয়াহ'লে এই বিষয়সমূহ সুনিশ্চিত ৰূপে আগন্তুক দিনত আমি যিকোনো ডিভাইচতে আলোচনা কৰিম । গতিকে আজি আমি এই প্ৰস্তাৱটো অগ্ৰাহ্য কৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, কৃষি আৰু জলসিঞ্চন ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, আমি চৰকাৰৰ ফালৰ পৰা ইয়াৰ এটা স্পষ্টীকৰণ দিব পাৰো।

**মাননীয় অধ্যক্ষ :** আমি সকলোৱে বিচাৰিছো এই বিষয়টোৰ ওপৰত চৰকাৰে এটা statement দিয়ক । যদি সকলোৱে বিচাৰে তেন্তে চৰকাৰে ইয়াৰ ওপৰত এটা statement দিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী) :** মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাৰ অভিভাৱক। আপুনি যিখিনি কথা কৈছে আৰু আমি ও নিয়মৰ কথা জানো। কিন্তু উজনি অসমৰ ৩ খন জিলাত ইতিমধ্যে বানপানীৰ ফলত বহু লোকৰ মৃত্যু হৈছে। যোৱা ৰাতিৰ পৰা বৰ্তমানলৈ বহু মানুহ পানীৰ মাজতে আবদ্ধ হৈ আছে। বিধান সভাৰ যিখিনি নিয়ম-নীতি আছে আমি সকলোৱে মানি চলিব লাগিব। কিন্তু এইখিনিৰ ওপৰতো গৈ উজনি অসমৰ ৩ খন জিলাত বানপানী হৈ থকাৰ সময়তে আজি আমাৰ বিধান সভা বহিছে। বিধান সভাই বানপানীৰ ক্ষেত্ৰত কি কৰিব গোটেই অসমে চাই আছে। আপুনি যি আহ্বান জনাইছে যে প্ৰাকৃতিক দুৰ্য্যোগ, বানপানীৰ সময়ত শাসক-বৰোধী মিলামিছাকৈ থাকিব লাগে। শাসক পক্ষ, চৰকাৰৰ লগত আমাৰ বিৰোধী দলৰ সম্পূৰ্ণ সহযোগিতা থাকিব যে এই দুৰ্য্যোগৰ পৰা মানুহখিনিক কেনেকৈ উদ্ধাৰ কৰিব পৰা যাব বা এই সময়খিনিত আমি সকলোৱে ঐক্যবদ্ধভাৱে চলিব লাগিব। ইয়াৰ লগত আমি সকলোৱে একমত। কিন্তু এই বিষয়টো অতি গুৰুত্বপূৰ্ণ যে এই বানপানীৰ পৰিস্থিতিত কেনেকৈ উদ্ধাৰ কাৰ্য্য চলিছে, কিমান মানুহৰ মৃত্যু হৈছে , পৰৱৰ্তী সময়ত আৰু কিমান ভয়াৱহ হ'ব পাৰে ? এই বিষয়খিনিৰ ওপৰত আমি যদি অলপ কথা নাপাতো নিশ্চিতভাৱে মই ভাৱো যে অসমৰ ৰাইজে আমাক জবাবদিহি কৰিব। আমি বিৰোধী হৈ চৰকাৰক জবাবদিহি কৰাৰ বাবে নহয়, এই বানপানীৰ ফলত যি পৰিৱেশৰ সৃষ্টি হৈছে, আহি থকা দিনত আমি বিধান সভাই ঐক্যবদ্ধ ভাৱে কি কাম কৰিব পাৰো তাৰ ওপৰত অকণমান আলোচনা কৰাৰ প্ৰয়োজন আছে। ৰাজ্য চৰকাৰৰ পৰা আমি এটা বিবৃতি বিচাৰিছো আৰু চৰকাৰে এই মূহুৰ্ত্লৈ কি পদক্ষেপ লৈছে ? কাৰণ বানাক্ৰান্ত লোকসকলে বিভিন্ন সময়ত সহায়-সহযোগিতা নোপোৱা আৰু প্ৰশাসনে তেওঁলোকৰ ওচৰত যাব পৰা নাই বুলি আক্ষেপ কিৰছে। দুৰ্য্যোগ বিভাগে যি ধৰণে তেওঁলোকক সহযোগিতা কৰিব লাগিছিল, সেই ধৰণে আগবাঢ়ি যোৱা নাই বুলি অভিযোগ কৰিছে। তেওঁলোকৰো man power বা সা-সঁজুলিৰ অভাৱ পৰিলক্ষিত হৈছে। এনেকুৱা ধৰণৰ কথা বাহিৰত প্ৰকাশ পাইছে। মাননীয়

অধ্যক্ষ মহোদয়, আমি অতি আন্তৰিকতাৰে কৈছো আৰু এই ক্ষেত্ৰত শাসক-বিৰোধীৰ তৰ্ক-যুদ্ধৰ কথা নহয়, সমিলমিলেৰে এই দুৰ্যোগৰ পৰা মানুহখিনিক কি দৰে সহায় কৰিব পাৰো আৰু বানপানীৰ সময়ত সৃষ্টি হোৱা পৰিৱেশ গোটেই অসমত বিধান সভাৰ জৰিয়তে জানিব বিচাৰিছে। সেয়েহে আমি এই বিষয়ে আলোচনা কৰিব বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে কেইবাগৰাকী মাননীয় মন্ত্ৰী তথা বিধায়ক আৰু বিষয়াসকলে বিষয়টো তাত গৈ তদাৰক কৰি আছে। যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয় তথা মাননীয় মন্ত্ৰীসকলে নিজেই তাত আছে, গতিকে তেওঁলোকে এইখিনি কৰা হোৱাৰ পিছত এই বিষয়টো লৈ চৰকাৰে ইয়াত বিবৃতি প্ৰদান কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, কৃষি আৰু জলসিঞ্চন ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক পৰামৰ্শ দিব নোৱাৰো। মই এটা অনুৰোধ কৰিব বিচাৰিছো যে এজন সদস্যই কওঁক আৰু আমি চৰকাৰৰ ফালৰ পৰা statement দাঙি ধৰিম। এতিয়া তাত উদ্ধাৰ অভিযান চলি আছে আৰু এতিয়া তালৈ যাব নোৱাৰো। কিন্তু তেখেতসকলে যদি ১০ মিনিট সময় ক'ব বিচাৰে আমি ইয়াৰ ওপৰত statement দাঙি ধৰিম।

**মাননীয় অধ্যক্ষ :** আপোনালোকৰ কোনোবা এজন মাননীয় সদস্যই যদি এই বিষয়ে কয়, তেতিয়া চৰকাৰৰ ফালৰ পৰা ইয়াৰ ওপৰত statement দাঙি ধৰিব। আপোনালোকৰ ফালৰ পৰা এজন মাননীয় সদস্যই কওঁক।

**ওৱাজেদ আলী চৌধুৰী, (বিৰোধী দলৰ দলপতি) :** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আপুনি তথা অসমৰ ৰাইজেও গম পাইছে যে উজনি অসমৰ ৩ খন জিলা যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাত যি ভয়াৱহ বানপানী হৈছে তাৰ ফলত হাজাৰ হাজাৰ লোক ঘৰত আৱদ্ধ হৈ আছে, কোনোবাই গছত উঠিছে আৰু বহুলোকৰ মৃত্যু হৈছে। প্ৰচাৰ মাধ্যমত প্ৰকাশ হোৱা মতে ১০ জন লোকৰ ইতিমধ্যে মৃত্যু হৈছে। গতিকে এনেকুৱা এটা পৰিস্থিতিত আজি মই

বিচাৰিছো যে সদনৰ বাকী কাৰ্য্যসূচী বাদ দি ইয়াৰ ওপৰত আলোচনা কৰিবলৈ সুযোগ দিব লাগে। ইতিমধ্যে সেই অঞ্চলত ৪ জন মাননীয় মন্ত্ৰীয়ে কাম কৰি আছে। কিন্তু SDRF ৰ নাওঁ তাত যথেষ্ট পৰিমাণে নাই। এতিয়ালৈকে আধা মানুহ বানপানীত আবদ্ধ হৈ আছে উদ্ধাৰ কৰিব পৰা নাই। বহুলোকে খোৱা পানী তথা খাদ্যসামগ্ৰী পোৱা নাই। বিভিন্ন অভিযোগ আমি সংবাদ মাধ্যমৰ দ্বাৰা গম পাই আছো। সেয়েহে এনেকুৱা এটা পৰিস্থিতিত যোৱাকালি মই সভা স্থগিত প্ৰস্তাৱ দিছিলো যে আমাৰ সদনৰ কাম-কাজ বন্ধ ৰাখি এই বিষয়ে আলোচনা কৰিব লাগে। যিহেতু ইয়াৰ ওপৰত বিবৃতি দিবলৈ মাননীয় মন্ত্ৰী মহোদয় ডাঙৰীয়াই নিৰ্দ্দেশ দিছে। মই যোৱাকালি আপোনাক  এই বিষয়ে এখন চিঠিও লিখিছিলো যে আমি সকলোৱে এই দুৰ্গত: মানুহখিনিৰ ওচৰত গৈ থিয় হ'ব লাগে আৰু তেওঁলোকক সহায় কৰিব লাগে। তাৰ কাৰণে সদন দুদিনমান পিছুৱাই দিয়ক যাতে আমি মানুহখিনিৰ ওচৰত যাব পাৰো। সেই পত্ৰখনৰ ক্ষেত্ৰত আপুনি একো গুৰুত্ব নিদিলে। গতিকে আমি কেনেকৈ এই মানুহখিনিক সহায় কৰিব পাৰো তাৰ এটা ৰাস্তা আপুনি আমাক উলিয়াই দিয়ক। ধন্যবাদ।

**ড° জয় প্ৰকাশ দাস,(নাওবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো হয়তো অসমৰ ইতিহাসত উজনী অসমৰ যোৰহাট, চৰাইদেউ, শিৱসাগৰৰ ৰাইজে আগতে প্ৰত্যক্ষ কৰা নাই আৰু আমি জন্মকালতো দেখা নাই। আমি কেৱল লখিমপুৰ, ধেমাজিতে এনেকুৱা ঘটনা দেখি আছোঁ। আমি বানপীড়িত অঞ্চলৰ যুৱক হিচাপে জন্মৰ পৰা দেখি থকা আমি অনুভৱ কৰিব পাৰিছোঁ যে কি ঘটনা ঘটিছে। আনকি শিৱসাগৰ, চৰাইদেউ, যোৰহাটৰ মানুহে কেনেকৈ থাকিব লাগিব সেইতো চাগে বুজি পোৱা নাই। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, এইটো খুব অত্যন্ত জৰুৰী বিষয় বুলি আমি বিবেচনা কৰিছোঁ। অসমৰ ৰাইজেও এইটো বিচাৰিছে। কিন্তু আমি খুব দুখেৰে কৈছোঁ যে এইটোৰ ওপৰত বিশদভাৱে আলোচনা হব লাগে বুলি কৈছিল আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই দুদিনৰ চুটি বিচাৰিছে, কিন্তু আমি নাপালোঁ। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি বিচাৰিছোঁ যে মাননীয় মন্ত্ৰী মহোদয়ৰ যিটো বিবৃতি আপুনি দিবলৈ কৈছে, যে এতিয়া কি

অৱস্থাত আছে আমাৰ এই অঞ্চলৰ ৰাইজ তাত খোৱাপানীৰ ব্যৱস্থা আছে নাই? পশু খাদ্যৰ ব্যৱস্থা হৈছে নাই? আমি দেখা পাইছোঁ নতুন শিশুকো এখন নাৱেৰে লৈ যোৱা, গছৰ ওপৰত উঠি থকাও দেখা পাইছোঁ। আমাৰ অঞ্চলৰ বহু মানুহ সেই অঞ্চলত চাকৰি কৰা তেখেতসকলে জনাইছে যে আমি খোৱাবস্তু পোৱা নাই, electricity ও ঠায়ে ঠায়ে নাইকিয়া হৈছে, nework ও নাইকিয়া হৈছে, mobile phone বিলাকো switch off হৈ গৈছে। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমি বিচাৰিছোঁ এখন সৰ্বদলীয় সমিতি এখন হওক আৰু সকলোৱে সদনৰ পৰা প্ৰতিনিধি দল যাওক। প্ৰত্যেকটো দলৰ বিধায়ক থাকক। আমি কওঁ যে এই দুৰ্গত সকলৰ কাষত থিয় দিয়াতো সদনৰ অত্যন্ত প্ৰয়োজন বুলি ভাবিছোঁ। কাৰণ এইখিনি সময়ত যদি আমি ৰাইজৰ কাষত আমি থিয় নহওঁ, তেনেহ'লে হয়তো এইখিনি কথা থাকি যাব যে আমাৰ Assembly ৰ পৰা কোনো মানুহ গৈ তাত এইখিনি সময়ত নাথাকিলে৷ হয়, মাননীয় মন্ত্ৰীয়ে কৈছে চাৰিজন মন্ত্ৰী আছে। চাৰিজন কিয় এতিয়া আমাৰ ১০ জন মন্ত্ৰীৰ প্ৰয়োজন আছে। কেন্দ্ৰৰ পৰা মন্ত্ৰী আহিবলগীয়া প্ৰয়োজন আছে, প্ৰধানমন্ত্ৰীও আহিব লাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়া যাব বুলি শুনিছোঁ। এইখিনি সময়ত সকলো আপুনি আপোনাৰ নেতৃত্বতো এটা দল যাব লাগে। কাৰণ এনেকুৱা ঘটনা অসমৰ ইতিহাসত আমি আগতে দেখি পোৱা নাই। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমি এটা সঁজাতি দল বিধান সভাৰ পৰা যাব লাগে, আপোনাৰ নেতৃত্বতে হওক বা আমি এইখিনি সময়ত ৰাজনীতি নহয়। সেই বিপদৰ সময়ত আমি ৰাজনীতি কৰিব খোজা নাই। আমি সকলোৱে একত্ৰিত হৈ ৰাইজৰ লগত থাকিব লাগে। আমি তেখেসকলক কেনেকৈ উদ্ধাৰ কৰিব লাগে তাৰ কাৰণে থাকিব লাগে। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, এইটো আমি দলৰ পৰা বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এনেকুৱা এটা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা হ'লে ময়ো সুখী হলোহেঁতেন, কিন্তু যিহেতু আমি মঞ্জুৰী সমূহৰ ভোটদানৰ বাবে যিটো নিৰ্ধাৰিত সময়, সেই সময়ৰ মাজত আমি সভা স্থগিত

প্ৰস্তাৱ লৈ আলোচনা কৰিব নোৱাৰোঁ। গতিকে সেইকাৰণে সভা স্থগিত প্ৰস্তাৱটো অগ্ৰাহ্য কৰি, যিহেতু আমিও এই বিষয়টো লৈ সংবেদনশীল, সমগ্ৰ সদন সংবেদনশীল, সেয়েহে সদনৰ হৈ Parliamentary Affairs Minister ক এটা বিবৃতি দিবলৈ মই আহ্বান জনাইছোঁ।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অতি স্পৰ্শকাতৰ, অতি গুৰুত্বপূৰ্ণ, অতি সংবেদনশীল। যোৱা ১৯-০৭-২০২৬ তাৰিখে হঠাৎ নাগালেণ্ডৰ পাহাৰৰ পৰা ঢল নামি আহিল। অধ্যক্ষ ডাঙৰীয়া, মই পাঁচ বছৰ জলসম্পদ বিভাগৰ মন্ত্ৰী আছিলোঁ। পাঁচ বছৰ, অধ্যক্ষ ডাঙৰীয়া, শিৱসাগৰ সমষ্টি বাদ দি অধ্যক্ষ ডাঙৰীয়া নাজিৰা সমষ্টি, মাহমৰা সমষ্টি, চৰাইদেউ সমষ্টি, তিতাবৰ সমষ্টি এইবিলাক সমষ্টিত কেতিয়াও বানপানী দেখাই নাছিলোঁ। এইটো অধ্যক্ষ ডাঙৰীয়া, প্ৰাকৃতিক বানপানী নহয় যে আমি যাৰ কাৰণে আমি সাজু থাকোঁ। য'ত বানপানী হব পাৰে, য'ত মথাউৰি ভাঙিব পাৰে বুলি ভাবোঁ, তাত আমি সামগ্ৰী মজুত ৰাখোঁ বা আমি প্ৰস্তুত হৈ থাকোঁ। অধ্যক্ষ ডাঙৰীয়া, এইটো তেনেকুৱা প্ৰাকৃতিক বানপানী নহয়। এইটো natural calamity, এইটো havoc l সন্মানীয় সদস্য জে পি দাস ডাঙৰীয়াই পাহৰি গ'ল, বলবলাত এনেকুৱা এটা incident ২০০৪ চনত হৈছিলে। যেতিয়া মই তেখেতক কলো যে বলবলাত হৈছিলে, তেখেতে উজনী অসম বুলি ক’লে । তেখেতে উজনী-নামনি ভাগ ভাগ কৰি দিলে অধ্যক্ষ ডাঙৰীয়া। এইটো তেওঁলোকৰ এটা mentality. অধ্যক্ষ ডাঙৰীয়া, মই ক'লোঁ যে তেনেকুৱা এটা incident হৈছিল, তেখেতে কৈ থাকোঁতে ক'লোঁ। তেখেতে ক'লে, হোৱা নাই। মই যেতিয়া বলবলাৰ কথা ক'লো, তেখেতে ক'লে উজনী অসমত হোৱা নাই। What is this, অধ্যক্ষ ডাঙৰীয়া? উজনী-নামনি বেলেগ বেলেগ নেকি? অন্ততঃ কংগ্ৰেছ দলৰ তৰফৰ পৰা, য'ত নামনি অসমৰ বিধায়ক ১৮ জন, অধ্যক্ষ ডাঙৰীয়া, মোক শেষ কৰি ল’ব দিয়ক, য'ত উজনী অসমৰ পৰা বিধায়ক এজন কংগ্ৰেছ দলৰ, বাকী ১৮ জন নামনি অসমৰ বিধায়ক, তেখেতসকলৰ মুখৰ পৰা আহিব নালাগে যে উজনী অসমত এনেকুৱা হোৱা নাছিল নামনি অসমত হে

হৈছিল । গতিকে বিশেষকৈ উজনী অসমৰ কাৰণে কিবা কৰিব লাগে। আমি সকলোৰে কাৰণে কৰিম। সকলোৰে কাৰণে কৰিম, অধ্যক্ষ ডাঙৰীয়া। water resources ৰ মথাউৰি তিনিটা বা চাৰিটা হে ভাঙিছে। এই প্ৰচণ্ড প্ৰাকৃতিক দুৰ্যোগত মথাউৰি ভঙা নাই, অধ্যক্ষ ডাঙৰীয়া। কি হৈছে, overflow হৈছে। মথাউৰি ৩ মিটাৰ, ৪ মিটাৰ, ৫ মিটাৰ ওপৰলৈকে পানী গৈছে। অধ্যক্ষ ডাঙৰীয়া, এই যেতিয়া হঠাৎ বানপানী হল, বানপানী আচলতে প্ৰাকৃতিক দুৰ্যোগ, প্ৰবল বানপানী হল, কোনো প্ৰস্তুত হৈ থকা নাছিল, । মই কৈছোঁ, অধ্যক্ষ ডাঙৰীয়া, যোৱা ৬০ বছৰত কেতিয়াও প্ৰাকৃতিকভাৱে ইমান বানপানী হোৱাই নাই, কোন প্ৰস্তুত হৈ থাকিব? অধ্যক্ষ ডাঙৰীয়া, বলবলাত যেতিয়া প্ৰায় ৪০০-৫০০ মানুহ মৰিছিল, কোনোবা প্ৰস্তুত হৈ আছিল নেকি? আমাৰ গোৱালপাৰাৰ বিধায়কসকল ইয়াত আছে। মই তালৈ যোৱাৰ সুযোগ পাইছিলোঁ । অত্যন্ত কষ্ট পাইছিলোঁ গৈ, কিন্তু যোৱাৰ মোৰ সুযোগ আছিল, পাইছিলোঁ। মানুহৰ অৱস্থা দেখি অধ্যক্ষ ডাঙৰীয়া, একে ৰাতিতে ৪০০-৫০০মানুহ মৰিছিল। তাততো আৰু ভয়াবহ আছিল। এইটো ৩ দিন ধৰি পানী complete যোৱা নাই। এইটো তাততো ৪-৫ ঘণ্টা আছিল, যদি মোৰ ভুল হোৱা নাই৷ একেবাৰে মানুহ উটাই লৈ গুচি গৈছিল। গতিকে, অধ্যক্ষ ডাঙৰীয়া, তাৰ পুনৰাবৃত্তি এইবাৰ এই আমাৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ প্ৰলয়ংকাৰী বানপানী। মই আকৌ কৈছোঁ, এইটো যিহেতু natural বানপানী নহয়, গতিকে আমাৰ প্ৰস্তুত হৈ থকাৰ কোনো কথা নাছিল। যদি এনেকুৱা হলহেঁতেন আমি ক'ৰবাত কি কৰিলোঁহেঁতেন, মথাউৰি ওখ কৰিলোঁহেঁতেন, আমি ক'ৰবাত highland বনাও । কিন্তু এনেকুৱা পৰিবেশ হোৱাই নাই, অধ্যক্ষ ডাঙৰীয়া। অধ্যক্ষ ডাঙৰীয়া, এইটো প্ৰাকৃতিক দুৰ্যোগ, আকৌ কৈছোঁ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গম পায়েই লগে লগে জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁই, Revenue Minister কেশৱ মহন্ত ডাঙৰীয়া, আমাৰ শিৱসাগৰৰ Guardian Minister বিমল বৰা ডাঙৰীয়া, যোৰহাটৰ Guardian Minister সন্মানীয়া অজন্তা নেওগ ডাঙৰীয়াক তৎকালে নিৰ্দেশ দিলে তাত গৈ উপস্থিত হবলৈ। অধ্যক্ষ ডাঙৰীয়া, মই দৃঢ়তাৰে কব পাৰোঁ, same day আবেলি

৩-৪ ঘণ্টাৰ ভিতৰত সকলো তাত গৈ উপস্থিত হৈছে। মই আকৌ কৈছো যে বলবলাৰ ঘটনাটো কংগ্ৰেছৰ বিধায়ক সকলে আমতকৈ বেছি জানে কাৰণ তেখেত লোক বেছি ভাগ এই অঞ্চলৰে । তাত ৪-৫ ঘন্টা পানী আছিল, কিন্তু ইয়াত পানী লাহে-লাহে ওলাই গৈ আছে৷ উদ্ধাৰ অভিযান তৎকালীনভাবে কৰা হৈছে৷ ২০ তাৰিখৰ পৰা তাতে ৩ পৰা ৪খন হেলিকপ্টাৰেৰে মানুহ Rescue কৰিবলৈ চেষ্টা কৰিছে৷ ক'ৰবাত ক'ৰবাত অধ্যক্ষ ডাঙৰীয়া, হয় মই অস্বীকাৰ একদম নকৰোঁ, দুৰ্গত সকলৰ লগত ৰাজনীতি কৰাতো নাযায়। অস্বীকাৰ একেবাৰে নকৰোঁ, কাৰণ মই প্ৰত্যেকজন বিধায়কৰ লগত কথা পাতি আছোঁ। কিছুমান ঠাইত গৈ ঢুকি পোৱা নাই । পানী, খাদ্য সকলোৱে পাইছে। অধ্যক্ষ ডাঙৰীয়া, এনেকুৱা কথা হৈ আছে মানুহ বহুত missing হৈ আছে। actual এতিয়ালৈকে সংখ্যাটো ওলোৱা নাই, কাৰণ বানপানীৰ পাছতহে উলাব পাৰিব। কিন্তু, অধ্যক্ষ ডাঙৰীয়া, মই অস্বীকাৰ একেবাৰে নকৰোঁ, ৰাজনৈতিক কথা একেবাৰে নকওঁ। এইটো unnatural এটা বানপানী আৰু অসমত বহুত দিনৰ পাছত হৈছে। মোৰ বোধেৰে বলবলাৰ পাছত এইটো incident হৈছে। গতিকে, অধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰী ডাঙৰীয়া অতি সচেতন। কালি আবেলিয়ে মুখ্যমন্ত্ৰী ডাঙৰীয়া গুৱাহাটীলৈকে আহিয়েই তেখেতে by road তেখেত উজনী অসমলৈকে গৈছে। এই মুহুৰ্তত চাগে তেখেতে যোৰহাট বা শিৱসাগৰৰ কোনোবা ঠাইত বাহৰ পাতিছে বা পৰ্যবেক্ষণ কৰিছে। অধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক নিৰ্দেশ দিলে যে সকলো আমাৰ এই অঞ্চলৰ সকলো বিধায়কক যাতে 24x7 দুৰ্গত সকলক সহায় কৰাৰ কাৰণে লাগিব লাগে । তেখেতসকলক আমাৰ ফালৰ পৰা কলোঁ যে বিধানসভালৈকো তেওঁলোক আহিব নালাগে। অধ্যক্ষ ডাঙৰীয়া, আজি যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউৰ এগৰাকী বিধায়কো ইয়াতে অহা নাই। গতিকে, অধ্যক্ষ ডাঙৰীয়া, এই কথাটো অত্যন্ত serious। ইয়াতকৈ কি আলোচনা কৰিবলগীয়া আছে? এইটো unnatural এটা havoc। এইটো, অধ্যক্ষ ডাঙৰীয়া, প্ৰাকৃতিক দুৰ্যোগ। মই আকৌ কৈছোঁ, যদি এইটো যদি ৩ মিটাৰ তলত, মথাউৰিৰ যদি ৩ মিটাৰ তলত পানী

থাকিলেহেঁতেন বা normal route এৰে যদি বানপানী হলহেঁতেন, তেতিয়া চৰকাৰৰ কৰবাত নহয় কৰবাত দোষ থাকিলে বুলি মই কলোহেঁতেন। Water Resources Department এ এইটো নকৰিলে, সেইটো নকৰিলে কব পৰা গ'ল'হেঁতেন, অধ্যক্ষ ডাঙৰীয়া। কিন্তু এইটো আপুনি চাওক, পাহাৰৰ যিকেইটা চেনেল, নদীৰ পৰা পানী অহা নাই, যেনি-তেনি পানী আহিছে। পানী চাৰিওফালে হৈছে অধ্যক্ষ ডাঙৰীয়া তাত চৰকাৰে কি কৰিব । মথাউৰিৰে নদী সুৰক্ষা কৰিব লাগে আমি কিন্তু য'ত নদী নাই যেনে জোনাইত য'ত কোনো দিনে পানী অহাই নাই, এইবাৰ হঠাৎ cloud burst হৈ অসাধাৰণ ৰূপে বৰষুণ হৈছে। ইয়াৰ পাছটো আমি অত্যন্ত গুৰুত্ব সহকাৰে কাৰ্য্যখিনি কৰি আছো। আমাৰ প্ৰশাসন অত্যন্ত চিৰিয়াচ, তাতে সেনাবাহিনীও লগোৱা হৈছে আৰু Revenue & Disaster Management Department ৰ এটা teamৰ লগতে আমাৰ বিধায়ক সকলেও মিলি অতি গুৰুত্বপূৰ্ণভাৱে কাৰ্য্য খিনি কৰি আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও তাত গৈ নিশ্চয় বাহৰ পাতি ল'ব। গতিকে উজনি আৰু নামনি অসম নকৈ, অসমৰ কোনোবা তিনিখন জিলাত অত্যন্ত বেয়া পৰিৱেশৰ সৃষ্টি হৈছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, গুৱাহাটীৰ বান পানীৰ ওপৰটো কওঁক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় সদস্য ডাঙৰীয়া, মই গুৱাহাটীৰ বান পানীৰ ওপৰত নকও । সেইদিনাখন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে গুৱাহাটীৰ বান পানী হ'ল কৃত্ৰিম বান পানী । যোৰাবাটৰ কথাও কৈছিলে । গুৱাহাটীতো cloud burst ৰ কাৰণেও অস্বাভাৱিকভাৱে বান পানী হৈছে । এনেকুৱা ধৰণৰ বান বানী গুৱাহাটীত কেতিয়াও হোৱা নাই। আপোনালোকৰ চৰকাৰৰ দিনটো ব'লবলাত naturaly বান পানী হৈছিল নেকি ? দুইটায়ে অস্বাভাৱিক । ব'লবলাৰ incident ত ৩০০-৪০০ শ মানুহ মৃত্যু হৈছিলে যাৰ সঠিক সংখ্যা আজিও কোনোও ক'ব নোৱাৰে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত কাৰ চৰকাৰ চলি আছে সেই কথাষাৰ নাহে। মই অত্যন্ত দুখিত যে J.P Das ডাঙৰীয়াই

উজনি অসমত বান পানী হোৱা নাই, নামনি অসমত হে হৈছে বুলি কৈছে। অধ্যক্ষ ডাঙৰীয়া বানপানী অসমত হৈছে।

**ডা° জয় প্ৰকাশ দাস, নাওবৈচাঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, মই তেনেকৈ কোৱা নাই। মই আপোনালোকক দোষ দিয়া নাই। আপুনি এতিয়া BJP আৰু কংগ্ৰেছ চৰকাৰৰ কথা কৈ আছে। আমি আমাক গুৰুত্ব দিয়া নাই কিয়নো আমাৰো কিছুমান দায়িত্ব আছে। আমি সকলোৱে **একত্ৰিত** হৈ এই সমস্যাটো কেনেকৈ সমাধান কৰিব পাৰি তাৰ ওপৰত হে কৈছো। মই কোনো উজনি নামনি অসমৰ কথা কোৱা নাই।

(সদনত হুলস্থূলিয়া পৰিৱেশ)

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** আমি এই কাৰ্য্যখিনিক লৈ যথেষ্টভাৱে চিৰিয়াচ আৰু আমি চিৰিয়াচলি এই কামখিনি কৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গুৱাহাটীৰ পৰা helicopter লৈ aerial view কৰিবলৈ যোৱা নাই। তেখেতে by-road গৈছে আৰু তেনেকৈ তেখেতে যিমান দূৰ পাৰে যাব। মই ভাবো তেখেতে পাৰিলে নাৱেৰেও যাব মানুহক উদ্ধাৰ কৰিবলৈ।

**আবুল কালাম ৰশিদ আলম, গোৱালপাৰা পূবঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যি তিনিটা মথাউৰিৰ কথা ক'লো ঠিক তেনেদৰে ব'লবলাটো এইবাৰ তেনেকোৱা ভয়াবহ পৰিৱেশ সৃষ্টি হ'ব পাৰে। গতিকে ইয়াৰ ওপৰত যাতে অতি সোনকালে ব্যৱস্থা কৰে নহ'লে তাত পুৰণা পৰিস্থিতি হোৱাৰ সম্ভাৱনা আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ২। এতিয়া অসম বিধানসভাৰ বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (ক) ৰ মাননীয় সভাপতি, শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই ২০২৬-২৭ বৰ্ষৰ সমিতিৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিব।

**শ্ৰী ৰূপক শৰ্মা, নগাঁও- বটদ্ৰৱাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইংৰাজী ২০২৬-২৭ বৰ্ষৰ ৫৫, ৬২, ১২, ২১, ৫৬, ৫৭, ৩১, ৩২, ৩৪, ৪৪, ৭৩, ৪৪, ৬৩ আৰু ৮১ নং মঞ্জুৰী সম্পৰ্কত অসম বিধানসভাৰ উন্নয়ন (ক) বিভাগ সমূহৰ

বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ প্ৰতিবেদন সমূহ মই সদনত দাখিল কৰিলো।

**माननीय অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৩। এতিয়া অসম বিধানসভাৰ বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (খ) ৰ মাননীয় সভাপতি, শ্ৰী প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়াই ২০২৬-২৭ বৰ্ষৰ মঞ্জুৰী নং ১৭, ৩৩, ৪৪, ৬৪, ২৬, ২৮, ২৯, ৭১, ১৪, ১৫, ১৮, ২০, ৪৮, ৬৭, ৩০ আৰু ৩ ৰ  প্ৰতিবেদন সমূহৰ সদনত দাখিল কৰিব।

**শ্ৰী প্ৰদ্যুৎ বৰদলৈ, দিশপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধানসভাৰ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন সম্পৰ্কিত  (খ) বিভাগৰ ওপৰত ইংৰাজী ২০২৬-২৭ বৰ্ষৰ মঞ্জুৰী নং ১৭, ৩৩, ৪৪, ৬৪, ২৬, ২৮, ২৯, ৭১, ১৪, ১৫, ১৮, ২০, ৪৮, ৬৭, ৩০ আৰু ৩ ৰ সমিতিৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৪। এতিয়া মাননীয় সদস্য শ্ৰী দিগন্ত কলিতা ডাঙৰীয়াই, মাননীয় সভাপতি শ্ৰী ৰূপজ্যোতি কুৰ্মীৰ হৈ অসম বিধানসভাৰ বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (গ) বিভাগ সমূহৰ মঞ্জুৰী নং ৭১, ২৬, ৬, ৭, ৪১, ৭২, ২৭, ৬৯, ৭৫ আৰু ১১ ৰ বিত্তীয় বৰ্ষৰ ২০২৬-২৭ ৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিব।

**শ্ৰী দিগন্ত কলিতা, কমলপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই মাননীয় সভাপতি শ্ৰী ৰূপজ্যোতি কুৰ্মীৰ হৈ অসম বিধানসভাৰ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন সম্পৰ্কিত  (গ) বিভাগৰ মঞ্জুৰী নং ৭১- বিদ্যালয় শিক্ষা বিভাগ, ২৬-উচ্চ শিক্ষা বিভাগ, ৬, ৭, ৪১, ৭২-ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ , ২৭-কলা আৰু সাংস্কৃতি বিভাগ, ৬৯-বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ, ৭৫-তথ্য আৰু প্ৰযুক্তি বিভাগ আৰু ১১ Act East Policy বিভাগৰ সম্পৰ্কীয় বিত্ত বৰ্ষৰ ২০২৬-২৭ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৫। এতিয়া অসম বিধানসভাৰ বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (ঘ) ৰ বিভাগ সমূহৰ মাননীয় সভাপতি, শ্ৰী ভূপেন কুমাৰ বৰা ডাঙৰীয়াই সমিতিৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিব।

**শ্ৰী ভূপেন কুমাৰ বৰা, বিহপুৰীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধানসভাৰ ইংৰাজী ২০২৬-২৭ বৰ্ষৰ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (ঘ) বিভাগ সমূহৰ অধিনস্থ প্ৰতিবেদন সমূহৰ মঞ্জুৰী নং ২২, ২৩, ৬১, ১৯, ৩৫, ৫১, ৪৪, ৪৫ আৰু ৯ প্ৰতিবেদন সমূহ সদনৰ মজিয়াত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৬। এতিয়া অসম বিধানসভাৰ বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (ঙ) ৰ বিভাগ সমূহৰ মাননীয় সভাপতি, শ্ৰী ৰিহণ দৈমাৰী ডাঙৰীয়াই ইংৰাজী ২০২৬-২৭ বৰ্ষৰ ৭ টা বিভাগৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিব।

**শ্ৰী ৰিহণ দৈমাৰী, ওদালগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধানসভাৰ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (ঙ) বিভাগ সমূহৰ মঞ্জুৰী নং ৩৮, ৩৯, ৪০, ৪২, ৪৩, ৭৯ আৰু ৮০ ৰ ২০২৬-২৭ বৰ্ষৰ ৭ খন প্ৰতিবেদন সদনৰ মজিয়াত দাখিল কৰিলো।

**শ্ৰী বিশ্বজিৎ ফুকন, সৰুপথাৰঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মাজতে এষাৰ কথা ক'ব বিচাৰিছো। এই যিখন প্ৰতিবেদন সদনত দাখিল কৰিলে ইয়াত ৮ নং পৃষ্ঠাত এটা কথা উল্লেখ কৰিছে যে during the Financial Year 2024-25, Apex Bank recorded a net loss of Rs.29,17,63,460.51 (Rupees Twenty Nine Crore Seventeen Lakhs Sixty Three Thousand Four Hundred and Sixty point five one). আচলতে এইটো Balance Sheet ত Profit আছিলে কিন্তু ইয়াত ভুলকৈ loss বুলি দেখুৱাই দিয়াৰ লগে লগে, যিহেতু মই এই বেংকটোৰ Chairman, মই দেখুৱাই দিব বিচাৰিছো যে প্ৰতিবেদনখনত এইটো loss বুলি

দেখুওৱা হৈছে। লগতে আপোনালোকে শুনি ভাল পাব যে তাৰ পাছৰ বছৰটো আমি ২৩ কোটি টকাৰ Profit কৰিছো। ইয়াতে যিহেতু Balance Sheet ৰ কথা উল্লেখ কৰিছে আৰু তাতে সম্পূৰ্ণভাৱে Profit বুলি লিখা আছে । গতিকে ভৱিষ্যতে যাতে এনেধৰণৰ ভুল নহয় তাৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** আপুনি ক'ব বিচাৰিছে যে Balance Sheet ত Profit বুলি লিখা আছে ?

**শ্ৰী বিশ্বজিৎ ফুকন, সৰুপথাৰঃ** বেংকৰ ফালৰ পৰা Profit কিন্তু ইয়াত ভুল কৈ loss হোৱা বুলি উল্লেখ কৰিছে। গতিকে প্ৰতিবেদনত ভুল তথ্য দিয়াৰ বাবে মই শুধৰাই ল'বলৈ অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** শ্ৰী ৰিহণ দৈমাৰী ডাঙৰীয়া আপুনি এই তথ্যখিনি শুধৰাই দি দিব।

**শ্ৰী ৰিহণ দৈমাৰী, ওদালগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগৰ পৰা অহা Report টো আমি দাখিল কৰিছিলো। এইখিনি মই শুধৰাই ল'ম।

**মাননীয় অধ্যক্ষঃ** এই বিষয়টোৰ ওপৰত নিশ্চিতভাৱে আমাৰ বিভাগৰ লগত কথা পাতিম। এতিয়া কাৰ্য্যসূচী নং ৭। এতিয়া অসম বিধানসভাৰ বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (চ) ৰ বিভাগ সমূহৰ মাননীয় সভাপতি, শ্ৰী পৃথ্বীৰাজ ৰাভা ডাঙৰীয়াই ইংৰাজী ২০২৬-২৭ বৰ্ষৰ ৭ টা বিভাগৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিব।

**শ্ৰী পৃথ্বীৰাজ ৰাভা, তেজপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধানসভাৰ ২০২৬-২৭ বৰ্ষৰ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ণ (চ) বিভাগ সমূহৰ মঞ্জুৰী নং ১১, ১৬, ২৫, ২৯, ৩৭, ৪৬, ৭৪ আৰু ৮৩ ৰ ৭ খন প্ৰতিবেদন সদনৰ মজিয়াত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৮। এতিয়া অসম বিধানসভাৰ বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ণ (ছ) ৰ বিভাগ সমূহৰ মাননীয় সভাপতি, শ্ৰী নৱ কুমাৰ দলে ডাঙৰীয়াই ইংৰাজী ২০২৬-২৭ বৰ্ষৰ সমিতিৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিব।

**শ্ৰী নৱ কুমাৰ দলে, ঢকুৱাখানাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধানসভাৰ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ন (ছ) বিভাগ সমূহ ইংৰাজী ২০২৬-২৭ বৰ্ষৰ মঞ্জুৰী নং ৮, ৫০, ৫৪, ৫৯, ৬৫, ৭০, ৫৮ আৰু ৬০ ৰ সম্পৰ্কিত প্ৰতিবেদন সমূহ সদনৰ মজিয়াত দাখিল   কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৯। এতিয়া অসম বিধানসভাৰ বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ণ (জ) ৰ বিভাগ সমূহৰ মাননীয় সভাপতি, শ্ৰী ভৰেশ কলিতা ডাঙৰীয়াই ইংৰাজী ২০২৬-২৭ বৰ্ষৰ সমিতিৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিব। মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ বিভাগীয়ভাৱে সম্পৰ্কীত স্থায়ী সমিতিৰ উন্নয়ণ (জ) বিভাগসমূহৰ ২০২৬-২৭ বিত্তীয়বৰ্ষৰ দাবী মঞ্জুৰী- ৫২,৫৩,৪৯,৪৪, ৩৬,২৮, ৪, ১১ আৰু ১১ দাবী মঞ্জুৰীসমূহৰ প্ৰতিবেদন চাবমিট কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ- এতিয়া কাৰ্য্যসূচী নং-১০, মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই সংসদীয় পৰিক্ৰমা বিভাগৰ ২০২৪ - ২৫ আৰু ২০২৫-২৬ বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সংসদীয় পৰিক্ৰমা বিভাগৰ ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীক প্ৰতিবেদন কেইখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং – ১১  মাননীয় মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই ‘‘Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement (Assam Amendment) Bill, 2026.’’ বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিব।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই  মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে , ‘‘Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and

Resettlement (Assam Amendment) Bill, 2026''. **খন** সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে, '' যি সকলে সপক্ষে আছে তেওঁলোকে কওক 'হয় ', যিসকলে বিপক্ষে আছে তেওঁলোকে কওক 'নহয়' , মই ভাবো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ ''Right to fair compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement (Assam Amendment) Bill, 2026''. **খন** সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং -১২ – কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকত ৭১ নং আৰু ২৬ নং মঞ্জুৰী দুটাৰ ওপৰত আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। এতিয়া শিক্ষা বিভাগৰ মাননীয় মন্ত্ৰীয়ে প্ৰস্তাৱ কৰিব।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াৰ হৈ অসমৰ মাননীয় ৰাজ্যপালৰ অনুমোদনক্ৰমে , তেখেতে প্ৰস্তুত কৰিব খোজা ২০২৭ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰী, বিদ্যালয় শিক্ষা শিতানত প্ৰশাসনৰ অৰ্থে মুঠ ১৮,৮৬,৯৬৫.০৮ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ৭১ নং দাবী মঞ্জুৰীৰ ওপৰত ৪ টা কৰ্তন প্ৰস্তাৱ আছে , মই প্ৰথমে কৰ্ত্তণ প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

শ্ৰীওয়াজেদ আলী চৌধুৰী আৰু তেখেতৰ সহযোগীসকলক কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰেকিবুদ্দিন আহেমদ, (ছমৰীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০২৬-২৭ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ৭ অংশৰ ১০৩-১৮১ পৃষ্ঠাৰ বিদ্যালয় শিক্ষা শিতানৰ ৭১ নং মঞ্জুৰীৰ বাবে কৰা দাবীত মুঠ ১৮,৮৬,৯৬৫.০৮ পইচা ১ টকালৈ হ্ৰাস কৰা হওঁক অৰ্থাৎ মঞ্জুৰীৰ মুঠ ১৮,৮৬,৯৬৫.০৮ পইচা ১ টকালৈ হ্ৰাস কৰা হওঁক

**মাননীয় অধ্যক্ষ** ঃ দ্বিতীয়তে মঃ বদৰুদ্দিন আজমল ডাঙৰীয়া আৰু তেখেতৰ সহযোগীসকলক কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁ** ঃ মই মাননীয় মঃ বদৰুদ্দিন আজমল চাহাবৰ হৈ এই প্ৰস্তাৱটো উত্থাপন কৰিলো । অসম বিধান সভাৰ ২০২৬-২৭ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ৭ অংশৰ ১০৩-১৮১ পৃষ্ঠাৰ বিদ্যালয় শিক্ষা শিতানৰ ৭১ নং মঞ্জুৰীৰ বাবে কৰা দাবীত মুঠ ১৮,৮৬,৯৬৫.০৮ পইচা ১ টকালৈ হ্ৰাস কৰা হওঁক অৰ্থাৎ মঞ্জুৰীৰ মুঠ ১৮,৮৬,৯৬৫.০৮ পইচা ১ টকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ** ঃ তৃতীয়তে শ্ৰী অখিল গগৈ , কৰ্তন প্ৰস্তাৱ দুটা উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

**(**অনুপস্থিত**)**

চতুৰ্থতে , শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**(**অনুপস্থিত **)**

এতিয়া কৰ্তন প্ৰস্তাৱটোৰ ওপৰত আলোচনা – মাননীয় বিধায়ক ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া কৰ্তন প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনাইছো।

**শ্ৰী ৰেকিবুদ্দিন আহেমদ, (ছমৰীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ২০২৬-২৭ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ৭ অংশৰ ১০৩-১৮১ পৃষ্ঠাৰ বিদ্যালয় শিক্ষা শিতানৰ ৭১ নং মঞ্জুৰীৰ বাবে দাবীৰ মুঠ ১৮,৮৬,৯৬৫.০৮ লাখ টকাৰ পৰা ১ টকালৈ হ্ৰাস কৰা হওঁক । অধ্যক্ষ মহোদয়, শিক্ষা খণ্ডত নতুন উন্নয়ণ হৈছে বুলি আমি বাজেটত বহু আলোচনা কৰিছো, লগতে নতুন ঘোষণাও কৰা হৈছে। আগন্তুক ৫ বছৰত অতিৰিক্ত ২ লাখ চৰকাৰী নিযুক্তি দিয়াৰ কথাও কোৱা হৈছে। আমি ভাৰতীয় জাতীয় কংগ্ৰেছে ইয়াক আদৰণি জনাইছো, কিন্তু ৰাজ্যখনৰ শিক্ষা অনুষ্ঠানসমূহৰ ভিতৰ ছোৱাত অৱস্থা কিছু দুখ লগা। উন্নয়ণৰ গতি যদিও আগবাঢ়িছে এতিয়াও বহুখিনি পৰিপূৰণ কৰিবলৈ বাকী আছে । ৰাজ্যত মঞ্জুৰীকৃত পদৰ বিপৰীতে যদিও আমি হাজাৰ হাজাৰ পদ পূৰণ কৰিছো তথাপিও শিক্ষক সমাজৰ কাৰণে এতিয়াও যথেষ্ঠখিনি কৰিবলৈ বাকী আছে । অধ্যক্ষ মহোদয়, এই পবিত্ৰ বিধান সভাত ৯ জুলাই তাৰিখে শিক্ষা বিভাগে দিয়া তথ্য অনুসৰি খালি হৈ থকা শিক্ষকৰ পদৰ তালিকা এনেধৰণৰ এল পি শিক্ষক ১১,৬৬২ টা , সহকাৰী ইউ পি শিক্ষক ৪,৩১৫ টা , হিন্দী শিক্ষক ১,৭৩৭ টা , বিজ্ঞান উপ-শিক্ষক ৯০৭ টা , অসমীয়া ভাষা বিষয় শিক্ষক ১৬৩ টা , মনিপুৰী ভাষা বিষয় শিক্ষক ১৭ টা, স্নাতক শিক্ষক ১০,০০৫টা , স্নাতকোত্তৰ ১,২২৬ টা। অধ্যক্ষ মহোদয়, শিক্ষাৰ অধিকাৰ আইনৰ অধীনত শিক্ষা অনুষ্ঠানসমূহত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ অনুপাতত যাক কোৱা হয় **PTR** এক নিৰ্দিষ্ট অনুপাতত থাকিব লাগে কিন্তু সেই হিচাপে নাই। অধ্যক্ষ মহোদয়, ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তে এগৰাকী শিক্ষক কিন্তু ৰাজ্যৰ বহু অনুষ্ঠানৰ শিক্ষাৰ্থীৰ অনুপাতেৰে আমি যিদৰে তথ্য দাঙি ধৰিছো , সেই দৰে কিন্তু কোনো শিক্ষানুষ্ঠানত পৰিলক্ষিত হোৱা দেখা নাই। ৰাজ্যৰ বহু বিদ্যালয় একত্ৰীকৰণ কৰা হৈছে। এমালগেমেশ্যন কৰাৰ পিচত আমি ভাবিছিলো যে, সেই বিদ্যালয় থকা অঞ্চলটো শিক্ষাৰ ক্ষেত্ৰত আৰু অধিক শক্তিশালী ভেটি গঢ় লৈ উঠিব৷ শিক্ষা বিভাগৰ তথ্যমতে ৩০:১ হিচাপত শিক্ষক নোহোৱা চৰকাৰী প্ৰাদেশীকৃত বিদ্যালয়ৰ সংখ্যা অনুযায়ী নিম্ন প্ৰাথমিক বিদ্যালয় ৫৩০৩ খন , উচ্চ

মাধ্যমিকত প্ৰায় ১২৫৩, মাধ্যমিকত ৮২১ খন অধ্যক্ষ মহোদয় আৰু উচ্চতৰ মাধ্যমিকত ৫৭১ খন অধ্যক্ষ মহোদয়। অধ্যক্ষ মহোদয় UDISE plus ৰ জৰিয়তে শিক্ষাৰ্থী আৰু শ্ৰেণীকোঠাৰ অনুপাত বৃদ্ধিত ৰাজ্যত ৩৮,৯৭৫ খন বিদ্যালয় শ্ৰেণীকোঠা আছে। কিন্তু অধ্যক্ষ মহোদয়, আমি দেখাত পৰিলক্ষিত হয় অধ্যক্ষ মহোদয়, ৫১২৮ খন বিদ্যালয়ত পৃথক শ্ৰেণীকোঠাৰ ব্যৱস্থা নাই । অধ্যক্ষ মহোদয় এইখিনিতে মই শিক্ষা মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব বিচাৰো মোৰ সমষ্টিৰ ছমৰীয়া গুৰুত্বৰ দুটামান সমস্যা অধ্যক্ষ মহোদয় । অধ্যক্ষ মহোদয় ছয়াগাঁও BEEO office r ৰ under ত ৩১৯ খন আমাৰ বিদ্যালয় আছে। ছমৰীয়া BEEO office r ৰ অন্তৰ্গত অধ্যক্ষ মহোদয় ২০৪ খন বিদ্যালয় আছে আৰু বকোৰ  under ত ১৪ খন আছে অধ্যক্ষ মহোদয় । এতিয়া অধ্যক্ষ মহোদয় আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় অধ্যক্ষ মহোদয়, যিটো এতিয়া পলাশবাৰী সমষ্টিৰ ভিতৰত ছয়গাওঁ অফিচটো পৰি গ'ল আৰু ছয়গাওঁ সমষ্টিৰ ভিতৰত বকো সমষ্টিৰ বকো কাৰ্য্যালয়টো পৰি গ'ল । এতিয়া আমাৰ গৰৈমাৰী শিক্ষা খণ্ডত অধ্যক্ষ মহোদয়, ৩০৯ খন স্কুলৰ কাৰণে অধ্যক্ষ মহোদয় শিক্ষা মন্ত্ৰী মহোদয়ৰ মই দৃষ্টিগোচৰ কৰো আপোনাৰ জৰিয়তে আমাক ছমৰীয়া সমষ্টি সুন্দৰকে পৰিচালনা হোৱাৰ কাৰণে গৰৈমাৰীত এখন পুৰ্ণ পৰ্য্যায়ৰ প্ৰাথমিক শিক্ষা খণ্ড কাৰ্য্যালয় দৰকাৰ অধ্যক্ষ মহোদয়। সেইফালে অধ্যক্ষ মহোদয়, ছমৰীয়া সমষ্টিৰ মানুহখিনিয়ে ছমৰীয়াত ব্লক কাৰ্য্যালয়টো আছে অধ্যক্ষ মহোদয়। কিন্তু ছমৰীয়া বিদ্যালয়খিনি পৰিচালনা কাৰ্য্যালয়টো কিন্তু ছমৰীয়া চাৰিসীমাৰ মেপৰ ভিতৰত নাই অধ্যক্ষ মহোদয় । এটা কাৰ্য্যালয় এনেই লৈ ভাৰাঘৰত চলাই আছে। শিক্ষা মন্ত্ৰী মহোদয়ৰ মই দৃষ্টিগোচৰ কৰো যে ছমৰীয়া সমষ্টি ছমৰীয়া ব্লকৰ ভিতৰত অধ্যক্ষ মহোদয় কম বেছি পৰিমাণে প্ৰায় ২১৪ খন স্কুল অন্তৰ্গত আৰু এইখিনি সুপৰিচালিত হোৱাৰ কাৰণে অধ্যক্ষ মহোদয়, ছমৰীয়া সোণতলীত এখন নতুনকে খণ্ড প্ৰাথমিক শিক্ষা কাৰ্য্যালয় গঢ়ি তুলিব লাগে আৰু গৰৈমাৰী ৩১৯ খন বিদ্যালয়ৰ কাৰণে অধ্যক্ষ মহোদয় শিক্ষক সকলৰ সুবিধা হোৱাকে যাতে তেওঁলোকে এতিয়া নতুন সমষ্টিলৈ যাবলৈ তেওঁলোকৰ কষ্ট হৈছে গৰৈমাৰীত হয়

অধ্যক্ষ মহোদয় । অধ্যক্ষ মহোদয় এইখিনিতে আৰু এটা কথা কওঁ অধ্যক্ষ মহোদয় ছমৰীয়া সমষ্টিৰ ভিতৰত হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী ক্ৰমে গৰৈমাৰী ব্লকত ১৪ খন আৰু ছমৰীয়াত ১২ খন অধ্যক্ষ মহোদয় । মোক শেষ কৰিব দিয়ক অধ্যক্ষ মহোদয় । ইয়াতে অধ্যক্ষ মহোদয়, এটা দুখৰ বিষয় এই আমাৰ গোটেই সমষ্টিটোৰ ভিতৰত অধ্যক্ষ মহোদয় এখনো বিজ্ঞান আৰু এখনো বাণিজ্য শাখা নাই হায়াৰ চেকেণ্ডাৰীত, এইটো স্থাপন কৰিব লাগে । অধ্যক্ষ মহোদয়, মই দুই মিনিটতে শেষ কৰি দিম, এক মিনিট অধ্যক্ষ মহোদয়। আমাৰ জীৱনক শিক্ষা গুৰু সকলৰ প্ৰভাৱ অপৰিসীম। আপুনি মই সকলোৱে কোনোবা এজন শিক্ষা গুৰুৰ হাতত ধৰিয়েই আহিছো অধ্যক্ষ মহোদয় । মা দেউতাৰ পিছত শিক্ষাগুৰুৱে আমাক জীৱনটো আগুৰি থাকে অধ্যক্ষ মহোদয়। যিসকল শিক্ষা গুৰুৰ বাবে আমি লিখা পঢ়া শিকিলো সেই শিক্ষা গুৰুসকলৰ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আমি যাতে আমাৰ এই সদনে এটা ইতিহাস ৰচনা কৰিব পাৰে মন্ত্ৰী মহোদয়ৰ এইখিনি কথা মই দৃষ্টিগোচৰ কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া মাননীয় বিধায়ক শ্ৰী দিগন্ত কলিতা বিজেপি। আপোনাৰ সময় ৮ মিনিট।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিদ্যালয় শিক্ষা বিভাগত ২০২৬-২৭ বৰ্ষৰ দাবী মঞ্জুৰিৰ সপক্ষে দৃঢ়তাৰে থিয় দিছো আৰু বিৰোধীয়ে উত্থাপন কৰা কাট মোচনত বিৰুদ্ধাচৰণত বিৰুদ্ধাচৰণ কৰি কিছু প্ৰস্তাৱ, কিছু বক্তব্য মই ৰাখিব বিচাৰিছো। অধ্যক্ষ মহোদয়, শিক্ষা এখন সমাজৰ মেৰুদণ্ড । শিক্ষা এনেকুৱা এটা ব্যৱস্থা যে যি ব্যৱস্থাৰ সমাজখনক সংস্কাৰ কৰাৰ এক মাধ্যম। শিক্ষা বুলি কলে অকল মই লিখিতভাৱে পঢ়া শুনা কৰিছো সেইটো শিক্ষাকেই অকল নুবুজাই। কাৰণ আমাৰ অগ্ৰজসকলে আমাৰ আটা আইতা সকলক আমি ক'ত দেখিছিলো পঢ়া শুনা কৰা। কিন্তু তেখেতসকলৰ যি চিন্তাধাৰা আছিল তেখেতসকলৰ যি দৃষ্টিভংগী আছিল সেই কথাবিলাক সমাজখনত আজিও আমি মানি আহিছো । এতিয়া বিৰোধীয়ে প্ৰস্তাৱ কৰ্তন কৰিছে, তেখেতসকলৰ কবলগীয়া কথা আছে কৰিব। এইটো এটা ব্যৱস্থা। কিন্তু

চাওক আজি অধ্যক্ষ মহোদয়, কিয় কৰ্তন কৰিব নালাগে , কিয় আমাক বাজেটতো লাগে। এইকাৰণে আমাক লাগে যে শিক্ষা ব্যৱস্থাটোত এক আমুল পৰিৱৰ্তন কৰাৰ আমাৰ চৰকাৰখনৰ যি দায়িত্ব আৰু যি কৰ্তব্য আজি ৰাইজে দেখিবলৈ পাইছে বা আপোনাৰ যোগেদি আমি প্ৰকাশ কৰিব বিচাৰিছো। আমি কব বিচাৰিছো যে বিদ্যালয় আন্তঃগাঁঠনি উন্নয়ন, শিক্ষক নিযুক্তি, ডিজিটেল শিক্ষা, বিজ্ঞান শিক্ষা, খেল ধেমালি, গ্ৰন্থাগাৰ, লেবৰেটৰি, শৌচাগাৰ, বিশুদ্ধ খোৱা পানী আদিৰ ক্ষেত্ৰত বিনিয়োগ কৰিছে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আজি শিক্ষা বিভাগত এটা পৰিৱৰ্তনৰ নতুন যাত্ৰা আৰম্ভ হৈছে আৰু ইয়াত আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এক গুৰু দায়িত্ব পালন কৰিছে। আজি মই আপোনালোকক ক'ব বিচাৰিছো যে নতুন শিক্ষা নীতি, এই শিক্ষা নীতিত কি বুজাইছে, মাতৃভাষাত শিক্ষাক উৎসাহিত কৰাৰ, skill innovation আৰু গৱেষণাৰ ওপৰত গুৰুত্ব দিছে। ছাত্ৰ-ছাত্ৰী সকলক কেৱল পৰীক্ষাৰ বাবেই নহয় জীৱনৰ বাবে সাজু কৰাৰ এক ব্যৱস্থা। মাননীয় অধ্যক্ষ মহোদয়ে, জৰাজীৰ্ণ হৈ থকা স্কুল বিলাক আজি নতুনকৈ নিৰ্মাণ কৰা কেন্দ্ৰীয় চৰকাৰৰ যি শিক্ষা নীতি বা ৰাজ্য চৰকাৰৰ যি অনুদান এক নতুনত্ব পাবলৈ সক্ষম হৈছে। আমি কব বিচাৰিছো অধ্যক্ষ মহোদয়, এটা সময় আছিল যে আমিও মাটিৰ স্কুল বা মাটিৰ ফ্লৰত বহি শিক্ষাদান কৰিছিলো, যদিও আমাৰ গুৱাহাটীত জন্ম। মোৰ এতিয়াও মনত আছে নুনমাটিত আমি যেতিয়া পঢ়িছিলো আমি মাটিত বহি পাঠদান কৰিছিলো। তাৰ পৰিৱৰ্তে আজি কম্পিউটাৰ যুগ আহিল, তাৰ পৰিৱৰ্তে আজি নতুনত্বৰ যুগ আহিল, তাৰ পৰিৱৰ্তে আজি AI লৈ পৰিৱৰ্তন হ'ল। শিক্ষা বিভাগত নিযুক্তিৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২০১৩ ত টেট শিক্ষক নিযুক্তি দি এটা নতুনত্ব অনাৰ প্ৰয়াস কৰিছিল। আমাৰ এতিয়াও মনত আছে যে এনেকুৱা শিক্ষা, এনেকুৱা নিযুক্তি আমি ষ্টেডিয়ামত পাতি পেলাই সেই নিযুক্তি প্ৰদান কৰিছিলো। অৱশ্যে হয় তেতিয়া আমি বিধায়ক নাছিলো। আমি দেখিছিলো তেখেতৰ চিন্তা ধাৰা। সেইবাবে আমি আজি চৰকাৰখনে শিক্ষাৰ্থীৰ ক্ষেত্ৰত শিক্ষকৰ যোগেদি ছাত্ৰ-ছাত্ৰী সকলক বিনামুলীয়া পাঠদান, বিনামুলীয়

ইউনিফৰ্ম, পি এম পোষণ, বৃত্তি, স্বাস্থ্য পৰীক্ষা, ডিজিটেল শিক্ষা বিভিন্ন শিতানত চৰকাৰে গুৰু দায়িত্ব পালন কৰিছে। আজি উদাহৰণস্বৰূপে নতুন অঙ্গনবাড়ী ঘৰ, মডেল অঙ্গনবাড়ী ঘৰ বিলাক এটা নতুনত্ব পাবলৈ সক্ষম হৈছে, কিয় তাতো ত শিক্ষা দান কৰা হৈছে। তাৰ কাৰণে ভোজনৰ যি ব্যৱস্থা তাত স্বাস্থ্যৰ ব্যৱস্থা সেইটোও এটা শিক্ষাৰ মাজত প্ৰচেষ্টা । আজি আপোনাক কব বিচাৰিছো প্ৰত্যেকটা বিধান সভা সমষ্টিত মডেল হাইস্কুল য'ত আমি ক্লাছ ১ ৰ পৰা ১২ লৈ আৰু কৰবাত কৰবাত ক্লাছ ১ ৰ পৰা ডিগ্ৰীলৈকেও এই ব্যৱস্থা আমি দেখিবলৈ পাইছো। এইবিলাকে আমাক চৰকাৰখনৰ বা ৰাজ্যৰ যি শিক্ষা ব্যৱস্থাত নিশ্চয় দৃষ্টিগোচৰ হৈছে। মই বিৰোধীক এটাই কথা কব বিচাৰিছো যে আপোনালোকে কাট মোচনৰ কথা কৈছে , থিকেই আছে কাট মোচনৰ কথাটো আপোনালোকৰ ব্যৱস্থা । কিন্তু সন্মানীয় এইমাত্ৰ বিধায়ক তেখেত যথেষ্ট জ্যেষ্ঠ বিধায়ক শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই যিখিনি উত্থাপন কৰিলে তাত তেখেতসকলে কি ক'ব বিচাৰিছে, বিচাৰিছে যে মোক স্কুল লাগে, মোক elementary কেন্দ্ৰ লাগে। মই মাননীয় বিধায়ক শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াক দুখ দিয়া নাই কিন্তু এফালে তেওঁলোকে কৈছে আমাক ব্যৱস্থাটোত সহায় কৰিব লাগে বা বিভাগীয় মন্ত্ৰীৰ ওচৰলৈ বা মুখ্যমন্ত্ৰীৰ ওচৰলৈ যেতিয়াই আপোনালোকে গৈছে বা এতিয়া নেক্সট যিবিলাক স্পীকাৰ হ'ব তেওঁলোকে সেইটোৰেই বিচাৰিব যে নিজৰ ঠাইখন উন্নয়ন কৰাৰ ক্ষেত্ৰত। কিন্তু তাত কৰ্তনৰ কথা কেনেকৈ আহিল, যদি আমি কৰ্তন কৰিব লাগে এই ব্যৱস্থাটো তেতিয়াহলে কি বুজাব । এফালে আপোনালোকে বিচাৰিছে আৰু আনফালে আপোনালোকে কৈছে আমাক কৰ্তন লাগে। মই ভাবো যে বিৰোধীও এই বিষয়ত অকনমান চিন্তা চৰ্চা কৰাটো অতিকৈ প্ৰয়োজন। আমি বিচাৰিছো যে শিক্ষা ব্যৱস্থাটো এটা নতুন পদ্ধতিলৈ পৰিৱৰ্তন হওঁক। এই গুৰু-শিষ্যৰ কথা আমি মহাভাৰততো দেখিছিলো। আপোনালোক সকলোৱে জানে যে আমাৰ চাৰিটা যুগ আছে। প্ৰভু শ্ৰী কৃষ্ণই যেতিয়া দ্বাপৰ যুগত বিষ্ণুৰ অৱতাৰত কুৰুক্ষেত্ৰৰ যুদ্ধত এক দায়িত্ব লৈছিল তেতিয়া আমাৰ মনত আছে দ্ৰোণাচাৰ্য্যৰ কথা , তেখেতো গুৰু আছিল। গতিকে আমি সেই

শিষ্যসকলৰ কথাও দেখিবলৈ পাইছিলো । আপোনালোকে জানে যে এই ব্যৱস্থাটো, এই সংস্কাৰটো এটা যুগ ধৰি চলি আহিছে য'ত শিষ্য আৰু গুৰুৰ মাজৰ সম্পৰ্কত আমাৰ চৰকাৰখনে এক ভূমিকা পালন কৰিছে । মই চৰকাৰখনৰ বহুত গুণানুকীৰ্ত্তন কৰিব পাৰো । বহুত আঁচনিৰ কথা ক'ব পাৰো। চৰকাৰখনে শিক্ষাৰ ক্ষেত্ৰত যি ব্যৱস্থা আনিলে সেইটো আপোনালোকৰ দৃষ্টিগোচৰ হৈছে নে নাই মই গ'ম নাপাওঁ, কিন্তু মোৰ উপলব্ধি যে চহৰতকৈ গ্ৰামাঞ্চলত ছাত্ৰ-ছাত্ৰী প্ৰতিভাৰ ক্ষেত্ৰত বা শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যোৱা আমি দেখিবলৈ পাইছো। এই গোটেই ব্য্ৱস্থাটোৰ পৰিৱৰ্তন আমাৰ চৰকাৰখনে আনিবলৈ সক্ষম হৈছে। ADRE, APSC আদিৰ চাকৰিৰ ক্ষেত্ৰত এটা সময়ত বিভিন্ন সমস্যা আছিল, কিন্তু আজি এক নতুনত্ব আনিবলৈ সক্ষম হ'ল। আজি এটা এটা পৰিয়ালৰ ৩-৫ জন ল'ৰা-ছোৱালীয়ে চাকৰি পাবলৈ সক্ষম হৈছে আৰু এই ক্ষেত্ৰত বিৰোধীয়েই হওঁক বা আমি শাসকীয় দলেই হওঁক, তাৰ প্ৰতিফলন দেখিবলৈ পাইছো। মই পুনৰবাৰ ক'বলৈ বিচাৰিছো যে এই চৰকাৰখনে স্বচ্ছ আৰু মেধাৰ ভিত্তিত যি ব্যৱস্থা হাতত লৈছে সেইটোৰ আমি শলাগ লৈছো । চৰকাৰখনৰ দায়িত্ব আৰু কৰ্ত্তব্য বাস্তৱত ৰূপায়ণ কৰাত আমি প্ৰত্যেকজন বিধায়কে পূৰ্ণ সহযোগিতা আগবঢ়াইছো । ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল- ''The end product of education should be a free creative man.'' অৰ্থাৎ শিক্ষা কেৱল চাকৰি লাভ কৰাৰ উপায়ে নহয়, ই সজাগ, দৃষ্টিশীল আৰু দায়িত্বশীল নাগৰিক গঢ়াৰ এক প্ৰক্ৰিয়া। সেয়েহে মই পুনৰবাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে বিৰোধীয়ে কৰ্তন প্ৰস্তাৱৰ যি দাবী আনিছে তাৰ বিৰোধিতা কৰিছো আৰু অনুৰোধ কৰিছো বাজেটৰ আৱণ্টন হ্ৰাস কৰাৰ পৰিৱৰ্তে আৰু বেছিকৈ শিক্ষাত বাজেট দিয়ক যাতে আমাৰ নতুন প্ৰজন্মই শিক্ষা পদ্ধতিৰ লগত সংযোজন হৈ নতুন অসম গঢ়াৰ এক সপোন দেখে। গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ আগত মই মোৰ মনৰ কথাখিনি প্ৰকাশ কৰিলো আৰু বিৰোধীকো কৈছো যে এই কৰ্ত্তন প্ৰস্তাৱটো withdraw কৰি আমাৰ সপক্ষে

থাকক । আপোনালোকৰ সমষ্টিত যি উন্নয়ন কৰিবলগীয়া আছে আমাৰ চৰকাৰখনে নিশ্চয় কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া অসম গণ পৰিষদ দলৰ পৰা পৃথ্বিৰাজ ৰাভা। আপোনাৰ সময় ৬ মিনিট।

**শ্ৰী পৃথ্বিৰাজ ৰাভা, (তেজপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ ফালৰ পৰা শিক্ষা বিভাগৰ যি বাজেট কৰ্ত্তন প্ৰস্তাৱৰ দাবী উত্থাপন কৰিছে, তাৰ বিৰোধিতা কৰি মই দু-আষাৰ ক'ব বিচাৰিছো । আমাৰ সমবয়সৰ যিসকল বিধায়ক ইয়াত আছে তেখেতসকলে হয়তো জানিব যে আমি যেতিয়া এল,পি স্কুল বা বুনিয়াদী বিদ্যালয়ত পঢ়া-শুনা কৰি আছিলো, বিশেষকৈ গ্ৰামাঞ্চলত আমাৰ লগৰ যিসকল ছাত্ৰ-ছাত্ৰী আছিল, সকলোৰে হাতত বস্তা, বাঁহৰ কঠ, পাটী লৈ স্কুললৈ গৈছিল । ডেস্ক-বেঞ্চ নাছিল । বহুত কম ডেস্ক-বেঞ্চহে আছিল । সেইখিনি সময়ত আমাৰ ঘৰুৱা অৱস্থা ইমানেই বেয়া আছিল যে আমাৰ হাতত কাগজ কিনিবলৈও পইচা নাছিল। সেইকাৰণে সেই সময়ত আমাক কলপাতত লিখিবলৈ কৈছিল । কলপাতত আখৰ লিখি আমাৰ বহুত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকসকলক জমা দিছিল আৰু শিক্ষকসকলে কৈছিল যে কলপাতত আখৰ লিখিলে আখৰ ভাল হয়। সেইখিনি সময়ত দেখা গৈছিল যে যিখিনি ছাত্ৰ-ছাত্ৰী স্কুললৈ আহিছিল তেওঁলোকে মুখত এমুঠি ভাত লৈও আহিব নোৱাৰিছিল। এই গোটেইখিনি পৰিস্থিতি পাৰ হৈ আহি যেতিয়া এই মিত্ৰজোঁটৰ চৰকাৰখন অসমত আহিল তাৰ পিছত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই শিক্ষা বিভাগৰ মন্ত্ৰী মাননীয় ডাঃ ৰণোজ পেগুৰ জৰিয়তে অসমৰ শিক্ষা ব্য্ৱস্থাৰ পদ্ধতি কেনেকৈ উন্নত কৰিব লাগে সেই চিন্তাত অৱতীৰ্ণ হ'ল । অৱতীৰ্ণ হোৱাৰ লগে লগে যোৱা সময়ছোৱাত আৰু এতিয়া অসমৰ শিক্ষা পদ্ধতিৰ ক্ষেত্ৰত যিদৰে আমি আগুৱাই যাবলৈ সক্ষম হৈছো সেইখিনি আমি আগতে কেতিয়াও দেখা পোৱা নাছিলো । Pradhan Mantri Chah Shramik Protsahan Yojana (PMCSPY)ৰ অধীনত চাহ-বাগিচাৰ বিদ্যালয়সমূহৰ ৩,৩৯৪ গৰাকী শিক্ষক আৰু ৪,৩৩২ গৰাকী প্ৰধান শিক্ষকৰ দক্ষতা বৃদ্ধিৰ বাবে

প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। তেনেদৰে "নিপুন অসম"ৰ অধীনত যোৱা ৩ বছৰত ৩.৭২ লাখ শিক্ষকক প্ৰশিক্ষণ দিয়া হৈছে। অৰ্থাৎ শিক্ষকক প্ৰশিক্ষণ দিয়াৰ কাৰণটোৱেই হৈছে সেইসকল শিক্ষকে আমাৰ উঠি অহা ছাত্ৰ-ছাত্ৰীক যাতে ভালদৰে শিক্ষা ব্যৱস্থাত মনোযোগ দিব পাৰে, শিক্ষা দিব পাৰে। আনকি মই সেইদিনাখন এজন শিক্ষকক ইংৰাজী বিষয়ত প্ৰশিক্ষণ লৈ থকা দেখা পাইছিলো । তেওঁ শিক্ষকতা কৰি আছে, ইংৰাজী বিষয়ত এম.এ পাছ। গতিকে ইংৰাজী বিষয়ত প্ৰশিক্ষণ ল'বলগীয়া কি আছে ? তেতিয়া তেওঁ কৈছিল যে- আমাৰ যিসকল resource person তেওঁলোকে আমাৰ শিক্ষকসকলক শিক্ষা দিছে যে Ch, Sh, S, C ৰ উচ্চাৰণ কেনেকুৱা হ'ব। Ch হ'লে উচ্চাৰণটো চাৱ হ'ব, হ'লে Sh হ'ব। আমি অসমত বসবাস কৰা সকলো অসমীয়া মানুহে জানো কিন্তু আমি সদায় Cheque শব্দটো sek বুলি কওঁ কিন্তু ই Cheque (চে'ক) এই শিক্ষা পদ্ধতিৰ বাবে ইংৰাজী বিষয়ৰ যিসকল শিক্ষকক প্ৰশিক্ষণ কৰা হৈছে এইয়া হ'ল আমাৰ শিক্ষা পদ্ধতিক উন্নীতকৰণ কৰা। PM POSHAN ৰ অধীনত চাহ-বাগিচাৰ বিদ্যালয়সমূহত ৩,৩৯৪ গৰাকী শিক্ষক আৰু ৪,৩৩২ গৰাকী প্ৰধান শিক্ষকক "নিপুন অসম"ৰ যোগেদি ৩ বছৰত ৩.৭২ লাখ শিক্ষকক প্ৰশিক্ষণ দিয়া হৈছে। PM POSHAN ৰ অধীনত ৪৩,৭৮৫ খন বিদ্যালয়ৰ প্ৰায় ৩৭.৪৭ লাখ শিশুৱে পুষ্টিকৰ মধ্যাহ্ন ভোজন লাভ কৰিছে। আমাৰ সময়ত বহুতো ছাত্ৰ-ছাত্ৰীয়ে ঘৰত এসাজ নোখোৱাকৈ স্কুললৈ যাবলগীয়া হৈছিল যাৰ বাবে মস্তিষ্কৰ উন্নতি, মস্তিষ্কৰ দক্ষতা বৃদ্ধিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষমতা নাছিল। সেই ক্ষমতা বৃদ্ধি কৰাৰ বাবে এইখন চৰকাৰে এনে ব্যৱস্থা গ্ৰহণ কৰিছে । বছৰি ৫৫ হাজাৰতকৈও অধিক বিশেষভাৱে সক্ষম শিশুক সহায় আগবঢ়োৱা হৈছে আৰু বিশেষ প্ৰশিক্ষণৰ জৰিয়তে ৪.৫৬ লাখ বিদ্যালয়লৈ নোযোৱা শিশুক সাঙুৰি লোৱা হৈছে । চৰকাৰে প্ৰাথমিক আৰু মাধ্যমিক সঞ্চালকালয়সমূহত ৭৫ হাজাৰতকৈও অধিক শিক্ষক আৰু কৰ্মচাৰী নিযুক্তি দি কৰ্মচাৰীৰ অভাৱ পূৰণ কৰিবলৈ সক্ষম হৈছে । ইয়াৰ ব্যৱস্থা ভৱিষ্যতলৈও গ্ৰহণ কৰি থকা হৈছে যে কেনেকৈ আমাৰ বিদ্যালয়সমূহত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সমহাৰত শিক্ষক আমি দিব পৰো। কেনেকৈ আমি শিক্ষা ব্যৱস্থা উন্নত কৰিব পাৰো এই ব্যৱস্থালৈ আমি আগবাঢ়িছো । আনকি এইখন চৰকাৰে গ্ৰাম্য অঞ্চলতে হওঁক, চহৰ অঞ্চলতে হওঁক আমাৰ এই বিধান সভাৰ কাষতে থকা

গোপাল বড়ো হাইয়াৰ চেকেণ্ডাৰী স্কুল আছে। তাত নতুন ঘৰ নিৰ্মাণ কৰি ছাত্ৰ-ছাত্ৰী সকলক পঢ়োৱাৰ ব্যৱস্থা কৰিছে। উলুবাৰী হায়াৰ চেকেণ্ডাৰী স্কুললৈ আমি অহা-যোৱা কৰিলে দেখো, তাত নতুন ঘৰ বনোৱাৰ ব্যৱস্থা কৰিছে, আনকি মোৰ সমষ্টিত আৰু  বিভিন্ন বিধায়কৰ সমষ্টিত এনেধৰণৰ নতুন গৃহ নিৰ্মাণ কৰি যাতে ছাত্ৰ-ছাত্ৰী সকলে সুন্দৰকৈ এই সুবিধা গ্ৰহণ কৰিব পাৰে, পঢ়াশুনা কৰিব পাৰে এটা বাতাবৰণৰ সৃষ্টি কৰি আমাৰ এইখন চৰকাৰে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক পঢ়াশুনাৰ ক্ষেত্ৰত ব্যৱস্থা কৰি দিছে। গতিকে মই অনুৰোধ কৰিব খুজিছো বিৰোধী পক্ষক আমাৰ যিটো ধন শিক্ষা বিভাগক আৱণ্টন দিছে এই ধনখিনি আমাৰ যথেষ্ট নহয়। আচলতে ইয়াতকৈ বেছি ধন দিলেহে আমাৰ শিক্ষা বিভাগটোৱে বহুখিনি কাম কৰিব পাৰিব। মই মাননীয় বিৰোধী পক্ষৰ যিসকল আমাৰ বিধায়ক আছে, তেখেত সকলক অনুৰোধ কৰিব খুজিছো যাতে এই কৰ্তন প্ৰস্তাৱ তেখেত সকলে উঠাই লয়, উঠাই লৈ আমাৰ শিক্ষা ব্যৱস্থাটোক আৰু অধিক শক্তিশালী কৰিবৰ কাৰণে সুবিধা কৰি দিয়ে আনকি আপোনালোকে লক্ষ্য কৰিছে যে বিশ্ববিদ্যালয় আমাৰ কিমানখন আছিল। সৌ সিদিনালৈকে তিনিখন বিশ্ববিদ্যালয় আছিল। এতিয়া কেইবাখনো বিশ্ববিদ্যালয় আমাৰ সৃষ্টি হৈছে আৰু গৱেষক সকলক যিসকলে গৱেষণা কৰিব, সেই গৱেষক সকলৰ কাৰণেও ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰী জীৱন অনুপ্ৰেৰণা আঁচনিৰ জৰিয়তে ২১১২গৰাকী গৱেষক ছাত্ৰ-ছাত্ৰীলৈ এককালীন ২৫ হাজাৰ টকাকৈ আগবঢ়াৱো হৈছে লগতে মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ অধীনত  ৪৮ হাজাৰ ৩৬৪ গৰাকী স্নাতকক প্ৰতিমাহে ২ হাজাৰ ৫ শ টকাকৈ ধন প্ৰদান কৰা হৈছে। গতিকে মই আশা কৰিছো যে এইখন চৰকাৰে  শিক্ষা বিভাগত যি ব্যৱস্থা গ্ৰহণ কৰিছে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰতিটো কথাতে, প্ৰতিটো মূহুৰ্তত শিক্ষা বিভাগৰ কি উন্নতি হ'ব লাগে, শিক্ষা বিভাগ কেনেধৰণে উন্নতিৰ ক্ষেত্ৰত আগবাঢ়িব যাব লাগে, আমাৰ ছাত্ৰ-ছাত্ৰী সকলে কেনেকৈ অধ্যয়ণৰ জৰিয়তে নিজৰ মস্তিষ্ক বিকাশ কৰি উচ্চ পৰ্য্যায়ত শিক্ষা গ্ৰহণ কৰিব লাগে, বিভিন্ন দক্ষতা উদ্যমিতা, এই শিক্ষাৰ জৰিয়তে

আমাৰ ল'ৰা-ছোৱালীয়ে যাতে practical শিক্ষা গ্ৰহণ কৰি আমি কাম-কাজত লাগিব পাৰো, এই ব্যৱস্থা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যি ব্যৱস্থা গ্ৰহণ কৰিছে, মই অনুৰোধ কৰিম যে বিৰোধী পক্ষই যি প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱটো তেওঁলোকে উঠাই লয়, আমাক এই শিক্ষা বিভাগটোক অধিক উন্নত কৰিবলৈ, অধিক গতিশীল কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সুবিধা কৰি দিয়ে। এইখিনি কৈ মই মাননীয় অধ্যক্ষ মহোদয়লৈ ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিণ মাৰিছো। ধন্যবাদ৷

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া BPF দলৰ শ্ৰী ৰবিৰাম নাৰ্জাৰী।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, দোতমাঃ** Hon'ble Speaker Sir, মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো । আজি আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াদেৱে ২০২৬-২৭ বিত্তীয় বৰ্ষত শিক্ষা বিভাগটো চলাবৰ কাৰণে যিখিনি বাজেট তেখেতে উত্থাপন কৰিছিল, ইয়াৰ বিৰোধিতা কৰি আমাৰ বিৰোধী দলৰ পৰা যিটো কৰ্তন প্ৰস্তাৱ আনিলে মই এই কৰ্তন প্ৰস্তাৱটো বিৰোধিতা কৰি আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াদেৱে যিখিনি পুঁজি চৰকাৰৰ  পৰা বিচাৰিছে, তাৰ প্ৰতি মোৰ পূৰ্ণ সমৰ্থন আগবঢ়াই  মোৰ ইয়াত যিখিনি অনুভৱ, মোৰ অভিজ্ঞতা আৰু মোৰ সমৰ্থনত যুক্তি-যুক্ততা  দাঙি ধৰিবৰ কাৰণে থিয় দিছো। আমি সকলোৱে জানো যে যোৱা  ২০১৬ চনৰ পৰা আমাৰ বৰ্তমানৰ BJP  ৰ নেতৃত্বাধীন এখন NDA চৰকাৰ আছে, সেই চৰকাৰখনে অসমত শিক্ষাৰ ক্ষেত্ৰত এটা আমূল পৰিৱৰ্তন আনিবৰ কাৰণে বলিষ্ঠ পদক্ষেপ আৰু নীতি গ্ৰহণ কৰি কাম কৰি আহিছে। সংস্কাৰমূলক যথেষ্ট কিছুমান পদক্ষেপ লোৱা হ'ল, চাকৰি-বাকৰি, আমাৰ শিক্ষক নিযুক্তি দিয়াৰ পৰা আৰম্ভ কৰি আমাৰ স্কুল বিলাকৰ Provincialisation কৰাৰ পদক্ষেপ লোৱাৰ পৰা আৰম্ভ কৰি আন্তঃগাঁথনি নিৰ্মাণৰ যিখিনি ব্যৱস্থা লোৱা হ'ল, এটা ঐতিহাসিক পদক্ষেপ হিচাপে এইখন চৰকাৰে ধাৰাবাহিকভাৱে আজিলৈকে লৈ থকাটো আমি সকলোৱে জানো। এই চৰকাৰখন অহাৰ আগতে অসমৰ যিটো শৈক্ষিক ব্যৱস্থা, ইয়াৰ অৱস্থা যথেষ্ট শোচনীয় আছিল বুলি আমি ক'ব পাৰো৷ কিন্তু আমাৰ এই NDA চৰকাৰখন অহাৰ পাছত আমি দেখিবলৈ

পাইছো যে অসমৰ ছাত্ৰ-ছাত্ৰী সকলে বাহিৰত গৈ তেখেতসকলে যাতে শিক্ষা ল'বলৈ, শিক্ষা গ্ৰহণ কৰিবলৈ যাতে বাধ্য নহয়, অসমৰ ছাত্ৰ-ছাত্ৰী সকলে অসমখনতে ভাল এটা শৈক্ষিক পৰিৱেশত, ভাল শিক্ষানুষ্ঠান বিলাকত নিজৰ জীৱন গঢ়িবৰ কাৰণে যিখিনি ব্যৱস্থা, যিখিনি সুযোগ দিয়াৰ কাৰণে প্ৰয়োজন আছে, সেইখিনি প্ৰয়োজনীয়তা পুৰণ কৰিবৰ কাৰণে চৰকাখনে যথেষ্ট পদক্ষেপ লৈছে । আমি সকলোৱে জানো যে আজি আমাৰ এই চৰকাৰখনে আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াদেৱ আৰু অসমৰ আমাৰ শক্তিশালী মুখ্যমন্ত্ৰী ডাঙৰীয়াদেৱৰ যৌথ নেতৃত্বত আজি যথেষ্ট পৰিৱৰ্তন হৈছে, যথেষ্ট শিক্ষাৰ ক্ষেত্ৰত বিপ্লৱ আৰু সংস্কাৰ অনা বা অহাটো আমি দেখিবলৈ পাইছো । গোটেই অসমত আজি শিক্ষানুষ্ঠান বিলাকৰ যিটো অৱস্থা যথেষ্ট ভাল হৈছে । আমাৰ RIDF ৰ দ্বাৰা, SOPD ৰ দ্বাৰা এই পূঁজি ব্যৱহাৰ কৰি অসম চৰকাৰখনে যেনেকুৱা ধৰণৰ উন্নতমানৰ আন্তঃগাঁথনি নিৰ্মাণ কৰিছে, সচাঁকৈয়ে অসমৰ বাহিৰত থকা আন আন ৰাজ্য বিলাকতো তেনেকুৱা ধৰণৰ শিক্ষানুষ্ঠান বিলাকৰ আজি আন্তঃগাঁথনি উন্নতমানৰ নিৰ্মাণ কৰাতো, দেখিবলৈ পোৱাটো যথেষ্ট কম বুলি মই ক'ব খুজো । সেইটো এটা পৰিবৰ্তন, সেইটো এটা সংস্কাৰ, সেইটো এটা বিপ্লৱ বুলি আমি ক'ব পাৰো । সময়ে সময়ে আমাৰ শিক্ষানুষ্ঠান বিলাকত শিক্ষক সকলৰ যিটো shortage সেইবিলাক পুৰণ কৰিবৰ কাৰণে টেট পৰীক্ষা পাতি appointment দিয়া হৈছে আৰু প্ৰয়োজনীয় শিক্ষক সকলৰ নিযুক্তিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলৰ উচিত শিক্ষা লাভ কৰাৰ বেলিকাত আজি চৰকাৰখনে এটা সহায়ৰ ব্যৱস্থা কৰিছে । এইটো এটা প্ৰসংশনীয় পদক্ষেপ । আজি উচ্চ শিক্ষা লবৰ কাৰণে আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰয়োজনীয়তা অনুভৱ কৰি গোটেই অসমখনত আজি যেনেকুৱা ধৰণৰ আমাৰ কলেজ চৰকাৰীভাৱে মডেল ডিগ্ৰী কলেজ খুলি ইয়াত আমাৰ গোটেইবিলাক stream introduce কৰাৰ দ্বাৰা শিক্ষা গ্ৰহণ কৰা সুবিধা কৰি দিয়া হৈছে । university গোটেই অসমত যেনে ধৰণে খোলাৰ এটা ব্যৱস্থা কৰা হৈছে, মই সচাঁকৈয়ে আমাৰ অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব লাগিব । মই যিটো অঞ্চলৰ পৰা

আহিছো আমাৰ কোকৰাঝাৰ বড়োলেণ্ড অঞ্চলত আজি আমি দুখনকৈ university পোৱাটো এটা উল্লেখযোগ্য পদক্ষেপ, এইটো এটা ঐতিহাসিক পদক্ষেপ বুলি আমি ক'ব লাগিব। কোকৰাঝাৰৰ নিচিনা সৰু এখন আমাৰ টাউনত দুখনকৈ university পোৱা সেইটো আমাৰ কাৰণে এটা সৌভাগ্যৰ কথা আৰু অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ইয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিম। আমাৰ ইয়াত আলোচনা কৰিবলগা, পৰ্য্যালোচনা কৰিবলগীয়া বহুত আছে, কাম কৰিবলগীয়া বহুত আছে। মই আজি ইয়াত বিশেষকৈ গোটেই অসমৰ বৃহত্তৰ স্বাৰ্থৰ  কাৰণে যিখিনি পদক্ষেপ লোৱা হৈছে ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে, ইয়াৰ ওপৰত অসম চৰকাৰখনক ধন্যবাদ দিছো আৰু শলাগ লৈছো আৰু আহি থকা দিন বিলাকত আমাৰ এই চৰকাখনে আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ যিখিনি অভাৱ-অভিযোগ আছে, সেইবিলাক যাতে পূৰণ কৰাৰ ব্যৱস্থা যাতে লয় সেই কথা মই আজি সদনত উত্থাপন কৰিছো। মই আজি বড়োলেণ্ড বি টি চি অঞ্চলৰ পৰা যিহেতু আহিছো, গতিকে গোটেই অসমখনৰ লগতে বি টি চি অঞ্চলৰ শিক্ষাৰ যিবিলাক সমস্যা আছে সেই সমস্যা বিলাকৰ ওপৰত চৰ্চ্চা কৰিবৰ কাৰণে, হাউচৰ দৃষ্টিগোচৰ কৰিবৰ কাৰণে, আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়া দেৱৰ দৃষ্টিগোচৰ কৰিবৰ কাৰণে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিবৰ কাৰণে কিছুমান জটিল সমস্যাৰ ওপৰত ইয়াত আলোচনা কৰিবৰ বাবে মই আগবাঢ়িছো। BTAD অঞ্চলৰ কথা ক'বলৈ গ'লে আপোনালোক সকলোৱে জানে যে ৩০-৪০ বছৰ ধৰি এটা ভয়াৱহ আন্দোলনৰ কৱলত পৰা এটা অঞ্চল আছিল। সেই অঞ্চলত বসবাস কৰা মানুহবিলাক বিশেষকৈ ট্ৰাইবেল হোৱাৰ কাৰণে সেইসময়ত শিক্ষাৰ গুৰুত্বৰ বিষয়ে আমি বেছিকৈ বুজিব পৰা নাছিলো। শিক্ষানুষ্ঠানৰ প্ৰয়োজনীয়তা আছে, আমি স্কুল বিলাকলৈ ল'ৰা-ছোৱালীবিলাকক পঠিয়াব লাগে, শিক্ষিত কৰিব লাগে এই কথাবিলাকৰ ওপৰত আমাৰ জনগোষ্ঠীয়  মানুহবিলাকে কোনো গুৰুত্ব দিয়া নাছিল বা চিন্তা-চৰ্চ্চা কৰিব পৰা নাছিল। যিহেতু আন্দোলন চলি থাকিল এই বৃহৎত্তৰ অঞ্চলত বসবাস কৰা আমাৰ জনগোষ্ঠীয় লোকসকলৰ লগতে

non tribel ভাই-ককাই সকলেও সেই সময়ত এই আন্দোলনৰ বাবে যথেষ্ঠ আক্ৰান্ত হ'বলগীয়া হ'ল। তেখেতসকলৰ ওপৰতো আন্দোলনৰ প্ৰভাৱ যথেষ্ঠ পৰিল। সেইসময়ত শিক্ষাৰ ক্ষেত্ৰত বা বিভিন্ন ক্ষেত্ৰত যেনেকুৱা ধৰণৰ প্ৰভাৱ পৰিছিল চাবলৈ গ'লে আমাৰ এই শিক্ষাৰ ক্ষেত্ৰত বেছিকৈ প্ৰভাৱ পৰাতো আমি দেখিবলৈ পাইছো। কিয়নো আমাৰ এই অঞ্চলবিলাকত শিক্ষাৰ গুৰুত্ব বুজি বা তাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি শিক্ষানুষ্ঠানবিলাক বনোৱাৰ বা খুলিবৰ কাৰণে যি প্ৰয়োজনীয়তা আছিল সেইবিলাকৰ প্ৰতি আমি গুৰুত্ব দিয়া নাছিলো। আমি এইক্ষেত্ৰত অৱহেলা কৰিছিলো। যাৰ কাৰণে বহুত পলমকৈ আমাৰ অঞ্চলবিলাকত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা এই প্ৰক্ৰিয়া বা কাৰ্য্যটো হ'ল। আমাৰ অঞ্চলবিলাকত ইয়াৰ কাৰণে বহুত সমস্যা হ'ল কাৰণ অসমৰ বিভিন্ন প্ৰান্তত যেতিয়া শিক্ষাৰ কাৰণে বিভিন্ন পদক্ষেপ লোৱা হ'ল, সংস্কাৰ, পৰিৱৰ্ত্তন আৰু উন্নয়ণৰ কাৰণে যিখিনি সুযোগ-সুবিধা দিয়াৰ ব্যৱস্থা কৰা হ'ল, ইয়াৰ লগত আমি একেলগে খাপখুৱাই একেলগে আগবাঢ়ি যাব নোৱাৰিলো। আমি পিছপৰি থাকিলো। বহুবছৰ পিছত আমাৰ অঞ্চলবিলাকত শিক্ষানুষ্ঠান বিলাকৰ প্ৰতিষ্ঠা হোৱা কথাটো মাননীয় অধ্যক্ষ মহোদয়, আপুনিও যিহেতু বি টি চি লগতে থকা অঞ্চলৰ পৰা অহা এই কথাবিলাক আপুনি নিশ্চয় জানে। এই ৰিম'ট অঞ্চলৰ ফৰেষ্ট এলেকা বিলাকত আমাৰ বহুত মানুহ সেইসময়ত থাকিবলৈ ললে আৰু এই অঞ্চলবিলাকত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিবৰ কাৰণে যিখিনি মাটিৰ কাগজ-পত্ৰ বা অন্য নথি-পত্ৰৰ প্ৰয়োজন আছিল সেইবিলাক সংগ্ৰহ কৰা সময়তো আমি যথেষ্ঠ সমস্যাৰ সন্মূখীন হৈছো। আমাক মাটিৰ কাৰণে যিবিলাক প্ৰয়োজনীয় কাগজ-পত্ৰ আৰু নথি-পত্ৰৰ দৰকাৰ আছিল সেইখিনি বিভাগৰ ডি এফ অ', ৰেঞ্জাৰসকলে নিদিলে। যাৰ কাৰণে আমি যিখিনি মাটিৰ কাগজ-পত্ৰ দিব নোৱাৰিলো তাত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ কাৰণে কাৰ্য্যকৰী দিশত চৰকাৰী কাম-কাজত যথেষ্ঠ বাধাৰ সন্মূখীন হ'বলগীয়া হ'ল। সেইকাৰণে আজি আমাৰ শিক্ষানুষ্ঠান সমূহ অসমৰ বিভিন্ন প্ৰান্তৰ লগত তুলনা কৰি যদি provincialised কৰাৰ ব্যৱস্থা আমি ল'বলগীয়া হয় তেতিয়া আমাৰ অঞ্চলৰ বহুখিনি শিক্ষানুষ্ঠান

এইবিলাক কাৰণত বঞ্চিত হ'বলগীয়া হ'ল আৰু সেইসময়ত আমাৰ আন্দোলন হোৱাৰ কাৰণে আমাৰ চৰকাৰী কাম-কাজ কৰিবৰ বাবে যিখিনি কাৰ্য্যালয়ত যাবলগীয়া হয় সেইসময়তো যথেষ্ঠ অসুবিধাজনক পৰিস্থিতি থকাৰ কাৰণে যাব পৰা নগ'ল। যাৰফলত আমি পিছুৱাই থাকিব লগীয়া হ'ল। গতিকে এইবিলাক অঞ্চল আজি শিক্ষাৰ দিশত এটা নতুনকৈ সাৰ পোৱা, এতিয়াহে নতুনকৈ জাগি উঠা কাম বুলি আমাৰ অনুভৱ হয়। এইবিলাক অঞ্চলৰ শিক্ষানুষ্ঠানবিলাক আমি আজি চৰকাৰীকৰণৰ যিটো প্ৰক্ৰিয়া চৰকাৰৰ ফালৰ পৰা লোৱা হ'ল, সেইবিলাকত আমি একেলগে খোজ মিলাই আগুৱাই যোৱা বা আমাৰ শিক্ষানুষ্ঠানবিলাকক আমি provincialised কৰিবৰ কাৰণে যিখিনি আমি সঁহাৰি পাব লাগে সেইদিশত যথেষ্ঠ বঞ্চিত হ'বলগীয়া হ'ল। সেই গোটেই দিশটো চাই – মেলি আমি ইয়াৰ কাৰণে এই পিছপৰি থকা বড়োলেণ্ড অঞ্চলৰ আমাৰ Tribal dominated অঞ্চল আৰু ট্ৰাইবেলৰ লগত একেলগে বাস কৰি থকা বৃহৎত্তৰ জাতি-জনগোষ্ঠীৰ কাৰণে নতুনকৈ শিক্ষাৰ জাগৰণ আৰু বিপ্লৱ আনিবৰ কাৰণে বি টি চি চৰকাৰৰ ফালৰ পৰা এটা পদক্ষেপ লোৱা হ'ল। সন্মানীয় অধ্যক্ষ মহোদয়, এইখন পবিত্ৰ সদনতে যোৱা বিধান সভা নিৰ্ব্বাচনৰ আগতে যেতিয়া শিক্ষাৰ provincialisation বা শিক্ষাৰ এই বিষয়ৰ ওপৰত আলোচনা-বিলোচনা কৰা হৈছিল তেতিয়া ইয়াত আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়া দেৱে কৈছিল আৰু তেখেতে কোৱা কথাটো যুক্তিসংগত সাংবিধানিক আৰু আইনগত কথা আছিল। এই কথাটো হ'ল যে যিহেতু বি টি চি ত বৰ্তমান 6th Schedule ৰ চৰকাৰ আৰু শিক্ষাবিভাগ আমাৰ 6th Schedule অথ'ৰিটিক সাংবিধানিক ভাৱে transfer বা গটাই দিবলগীয়া এটা বিভাগ, গতিকে বি টি চি ৰ হাতত থকা transfer বিভাগ হিচাপে এই শিক্ষা বিভাগটোক অসম চৰকাৰৰ ফালৰ পৰা provincialisation কৰিবৰ কাৰণে আমি এটা সঠিক পদক্ষেপ ল'ব নোৱাৰো। সেইকাৰণে আমাৰ বি টি চি চৰকাৰে নিজাববীয়াকৈ বি টি চি বিধান সভাত এখন বিল পাচ কৰিবৰ বাবে মহামাণ্য ৰাজ্যপাল মহোদয়ৰ অনুমোদনৰ ব্যৱস্থা কৰিব পাৰে। এইখিনি কথা তেখেতে এই সদনত দাঙি ধৰিছিল আৰু আমিও যোৱা ১১ ফেব্ৰুৱাৰী তাৰিখে

আমাৰ বি টি চি ৰ বিধান সভাত মহামাণ্য ৰাজ্যপাল মহোদয়ৰ অনমোদন মৰ্ম্মে তেখেতৰ ফালৰ পৰা আমি ১০ তাৰিখে ৰাতি অনুোমাদন পালো যে ফেব্ৰুৱাৰী মাহৰ ১১ তাৰিখে বি টি চি ৰ বিধান সভা বহিব আৰু তাত বি টি চি চৰকাৰৰ ফালৰ পৰা Education Bill খনক introduced কৰিব পাৰিব বুলি তেখেতৰ ফালৰ পৰা এটা অনুমোদন প্ৰেৰণ কৰিলে। তেখেতৰ এই অনুমোদনৰ প্ৰতি শ্ৰদ্ধা জনাই আমাৰ বি টি চি চৰকাৰে যোৱা ১১ ফেব্ৰুৱাৰী তাৰিখে এই বিলখন পাচ কৰি অসম চৰকাৰলৈ পঠাই দিওঁ যাতে আমি মহামাণ্য ৰাজ্যপাল মহোদয়ৰ পৰা ইয়াৰ অনুমোদন লাভ কৰিব পাৰো । কিন্তু অতি দূৰ্ভাগ্যৰ কথা যে এতিয়ালৈকে এই বিলখন পাচ কৰি আইনত পৰিণত কৰিব পৰা নাই। মহামাণ্য ৰাজ্যপালৰ যি অনুমোদনৰ প্ৰয়োজন আছিল সেই অনুমোদন আমি এতিয়ালৈকে পোৱা নাই । কিয়নো অসম চৰকাৰৰ যোগেদি সেই বিলখন ৰাজ্যপাল মহোদয়লৈ যাব লগীয়া হোৱা কাৰণে এতিয়াও দিশপুৰতে এই বিলখন আছে । গতিকে অসম চৰকাৰৰ ফালৰ পৰা অতি সোনকালে এই বিলখন ৰাজ্যপাললৈ পঠাই দিয়াৰ বাবে যিটো ব্যৱস্থা আছে সেই ব্যৱস্থাটো যাতে খৰতকীয়া কৰি দিয়া হয় without any bringing major changes to the Education Bill এই ব্যৱস্থা কৰিবৰ কাৰণে মই সদনত দাবী জনালো। আমাৰ বি টি চি অঞ্চলৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ হৈ অসম চৰকাৰলৈ মোৰ ফালৰ পৰা এইটো দাবী থাকিল । এতিয়া মই কেইটামান পইন্ট উত্থাপন কৰিব বিচাৰিছো। আমাৰ বি টি চি অঞ্চলত তামুলপুৰ নামেৰে এখন নতুন জিলা গঠন কৰা হ'ল । যিহেতু এই তামুলপুৰ জিলাখন আগতে বাক্সা জিলাৰ অন্তৰ্ভুক্ত আছিল গতিকে এই বাক্সা জিলাৰ IS, DEEO সকলে এই শিক্ষা বিভাগটো চাইছিল । কিন্তু এই বাক্সা জিলাৰ পৰা তামুলপুৰ জিলাখন ভাগ হৈ যোৱাৰ পিছত এই তামুলপুৰ জিলাৰ শিক্ষা বিভাগটোক চোৱা-চিতাৰ কাৰণে বি টি চিত একো মেকানিজিম নাই। বাক্সা জিলাৰ IS, DEEO কৰ্মচাৰী সকলে আজিৰ তাৰিখলৈ তামুলপুৰ জিলাৰ শিক্ষাবিভাগটো চলাই থাকিবলগীয়া হোৱাত যথেষ্ঠ বাধাৰ সন্মূখীন হ'বলগীয়া হৈছে। গতিকে এই তামুলপুৰ জিলাত যিখিনি IS, DEEO আদি

যিবোৰ কৰ্মচাৰীৰ প্ৰয়োজন হয় এই গোটেইখিন সোনকালে চেংচন কৰি দিয়াৰ বাবে এই সদনত মই  অসম চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। ইয়াৰ লগে লগে আমাৰ ৮২ খন গাঁৱৰ বাসিন্দা বিশ্বনাথ চাৰিআলি আৰু শোনিতপুৰ জিলাৰ অন্তৰ্ভুক্ত হৈ আছে আৰু তেওঁলোক একপ্ৰকাৰ মাটি নথকা নাগৰিকৰ দৰে থাকিবলগীয়া হৈ আছে। কিয়নো বি টি চি অঞ্চলত এই গাওঁ সমূহ অন্তৰ্ভুক্ত হৈ পৰাত তেওঁলোকক ওদালগুৰি জিলাৰ IS আৰু  DEEO কাৰ্য্যালয়লৈ যাবলগীয়া হয় য'ত ২৫০ কিলোমিটাৰ দূৰত্বৰ ৰাস্তা এটা চহীৰ কাৰণে আহিব লগীয়াত পৰে। গতিকে ইমান দূৰ ৰাস্তা অতিক্ৰম কৰি অহাতো সম্ভৱপৰ নহয়। বিশ্বনাথ চাৰিআলীত আৰু শোণিতপুৰ জিলাত যিবোৰ আমাৰ আগৰ কাৰ্য্যালয় আছে তাত BTC ৰ বাহিৰৰ পৰা আমি বিষয়া আনিব পাৰিছো৷ তেখেত সকলৰ লগত আলোচনা কৰি আমি গম পাইছো যে তেওঁলোকৰ দাবীটো হ'ল  বিশ্বনাথ চাৰিআলী আৰু শোণিতপুৰ জিলাত যিটো IS বিষয়াৰ কাৰ্য্যালয় আছে , DEEO Office, DI Office, BEEO Office আছে তাত BTC Cell বুলি যদি এটা ভাগ কৰি দিয়া হয় তেতিয়া হ'লে সেই বিষয়া সকলৰ কাম কৰিবলৈ যথেষ্ট সুবিধা হ'ব। কাৰণ ওদালগুৰিলৈকে গৈ তেওঁলোকৰ কাম কৰাটো সম্ভৱ নহয়  আৰু আন ফালে BTC অঞ্চলত যিবোৰ কাৰ্য্যালয় আছে তাৰ বিষয়া সকলে BTC অঞ্চলৰ হোৱা বাবে এই স্কুল সমূহৰ দ্বায়িত্ব নলয়। মই অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে চৰকাৰৰ ওচৰত দাবী কৰিছো যে বিশ্বনাথ চাৰিআলী আৰু শোণিতপুৰত যিবোৰ কাৰ্য্যালয় আছে তাত BTC অঞ্চলৰ কামখিনি চাবলৈ সোনকালে BTC Cell বনাব লাগে। নহলে তাৰ শিক্ষা ব্যৱস্থাটো সম্পূৰ্ণ ভাৱে ভাঙি পৰিব। গতিকে ইয়াৰ পৰা ৰক্ষা পাবলৈ হ'লে এইখিনি ব্যৱস্থা কৰাটো দৰকাৰ। আমাৰ শিক্ষানুষ্ঠান বোৰৰ যি অৱস্থা বিশেষকৈ মহাবিদ্যালয় বোৰৰ যেনে তাত একোটা বিভাগত দুটাকৈ অনুমোদিত পদ আছে। আৰু যিবোৰত শিক্ষাৰ্থীৰ সংখ্যা এজন শিক্ষকৰ বিপৰীতে ১০০ ৰ বেছি আছে। এই ভাৱে এটা বিভাগ কেতিয়াও চলিব নোৱাৰে। গতিকে মহাবিদ্যালয় বোৰত শিক্ষক নিয়ুক্তিৰ বাবে পদৰ সৃষ্টি কৰাৰ ব্যৱস্থা কৰিব লাগে ছাত্ৰ-ছাত্ৰী সকলৰ ভালৰ বাবে। ইয়াৰ

লগতে আমাৰ কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যায় ২০২৪ চনত স্থাপিত কৰা হৈছিল ইয়াৰ বাবে মই অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো। কিন্তু দুখ জনক কথাটো হ'ল যে এই বিশ্ববিদ্যালয় খনত মাত্ৰ এজনহে বিশ্ববিদ্যালয়ৰ বিষয়া আছে চৰকাৰৰ দ্বাৰা নিযুক্তি দিয়া আৰু তেখেত হল উপাচাৰ্য্য। কিন্তু তেখেতক সহায় কৰিবলৈ যিমানখিনি বিষয়া কৰ্মচাৰী আছে, যিমানখিনি অধ্যাপক আছে তেখেত সকল কিন্তু চৰকাৰৰ দ্বাৰা নিযুক্ত কৰ্মচাৰী বা শিক্ষক নহয়। আমাৰ পুৰণি কোকৰাঝাৰ মহাবিদ্যালয়ৰ অধ্যাপক খিনিকে আমি আজি শিক্ষা প্ৰদানৰ কাৰণে ব্যৱহাৰ কৰি থকা হৈছে। কাৰণ কোকৰাঝাৰ মহাবিদ্যালয় খনক উন্নীতকৰণ কৰি বিশ্ববিদ্যালয় কৰা হৈছিল । এতিয়া বড়োলেণ্ড বিশ্ববিদ্যালয়ত ২০ টা বিভাগ আছে আৰু ইয়াৰ ভিতৰত ১৬ টা বিভাগতহে স্নাতকোত্তৰ পাঠ্যক্ৰম আছে। তাত যিবোৰ শিক্ষক আছে আৰু মুঠ ৩৮ জন শিক্ষক ঠিকাভিত্তিক আৰু তেওঁলোকৰ মাহিলী বেতন মাত্ৰ ১০,০০০ টকা আৰু এনেকৈ বিশ্ববিদ্যালয় খন চলি আছে। এতিয়া এই বিশ্ববিদ্যালয় খনত লাগে ৭০ জন শিক্ষক। UGC ৰ Norms মতে এজন শিক্ষকৰ বিপৰীতে ২০ জনহে ছাত্ৰ-ছাত্ৰী থাকিব লাগে। কিন্তু বড়োলেণ্ড বিশ্ব বিদ্যালয়ত এজন শিক্ষকৰ বিপৰীতে ১৫০ জন ছাত্ৰ-ছাত্ৰী আছে। গতিকে এই বিশ্ববিদ্যালয় খনত অতি সোনকালে নিয়মীয়া শিক্ষক নিযুক্তি দিব লাগে আৰু তাৰ বাবে পদ সৃষ্টি কৰিব লাগে। লগতে আমাৰ তাত থকা ফকিৰাগ্ৰাম মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰাৰ বাবে মই যোৱা ১০ বছৰ ধৰি এই সদনত দাবী জনাই আহিছো। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যোৱা ১০ বছৰ ধৰি মাত মাতি থকাৰ পিছতো আৰু অন্যান্য মহাবিদ্যালয় বোৰত যদিও বিজ্ঞান শাখা প্ৰৱৰ্তন কৰা হ'ল, কিন্তু ইয়াত সেইটো নহল। গতিকে মই জানিব বিচাৰিছো ফকিৰাগ্ৰাম মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰে অন্যায় কৰিছে সেইটো মই বুজিব পৰা নাই। কাৰণ সেইখন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলে বিজ্ঞান পঢ়াৰ সুবিধা কিয় নাপায় । গতিকে চৰকাৰে এইটো অতি সোনকালে কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ লগতে মোৰ সমষ্টিৰ চেৰফাংগুৰিত

থকা জনতা ক'লেজতো বিজ্ঞান শাখা প্ৰৱৰ্তণ কৰা বাবে দাবী কৰা হৈছিল যদিও আজিলৈকে সেই কামটো নহ'ল।

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ সময় আছিল ৩৩ মিনিট, তাৰে আপোনাক দিয়া আছিল ১৫ মিনিট। কিন্তু আপোনাৰ ২৩ মিনিট পাৰ হৈ গ'ল। গতিকে পিছৰ বক্তা সকলে সময় কম পাব।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, দোতমাঃ** অধ্যক্ষ মহোদয় মই আৰু ২ মিনিট কৈ ২৫ মিনিট পূৰ্ণ কৰিম। আমাৰ ডাঙৰ সমস্যাটো হ'ল যে ওদালগুৰী DIET, বাক্সা DIET আৰু চিৰাং DIET এই তিনিটাত এতিয়ালৈকে D.El.Ed ৰ পাঠদান আৰম্ভ হোৱা নাই। কিন্তু শিক্ষক হ'বলৈ হ'লে টেট পাছ কৰিব লাগিব, D.El.Ed পাছ হ'বই লাগিব। গতিকে এই খিনি DIET ত D.El.Ed পঢ়িবলৈ যদি আজিলৈকে শিক্ষক নিযুক্তি দিয়া নহয়, তেতিয়া হ'লে সেইটো আচৰিত কথা হ'ব। বৰ্তমান সময়ত য'ত Essential Qualification বা Requisite Qualification D.El.Ed LP আৰু UP ৰ কাৰণে গতিকে এই D.El.Ed পঢ়াৰ সুবিধাখিনি যাতে ছাত্ৰ-ছাত্ৰীয়ে পায়। গতিকে এই DIET খিনিত প্ৰৱক্তা নিযুক্তিৰ ব্যৱস্থা যাতে চৰকাৰে সোনকালে কৰে তাৰ বাবে মই দাবী কৰিছো। BTC অঞ্চলৰ কোকৰাঝাৰত যোৱা ২০/২৫ বছৰ ধৰি IS নাই, DEEO নাই, DI নাই। BTC অঞ্চলৰ শিক্ষা বিভাগৰ সঞ্চালকে নিজে DEEO, DI, IS হয়। তেখেতে আজি ৪ টা দ্বায়িত্ব লৈ কাম কৰিবলগীয়া হোৱাৰ কাৰণে তেখেতৰ বহুত বেছি Overload হৈছে। এজন মানুহক ইমান কামৰ বোজা দিয়াটো সমীচিন নহয়। গতিকে মই দাবী জনাই আহিছো যে IS সকলক নিযুক্তি দিব লাগে। সঞ্চালকৰ পদোন্নতি হোৱাৰ সময় কেতিয়াবাই হৈ গ'ল, Gradation list ত কেতিয়াবাই পদোন্নতিৰ যোগ্য কিন্তু আজিলৈকে পদোন্নতি দিয়া হোৱা নাই। কিন্তু আমি তেখেতৰ পৰা অজস্ৰ কাম আদায় কৰিছো। কিন্তু সেই বিষয়া জনক তেখেতৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হৈছে। সেইটো ঠিক হোৱা নাই। মই এতিয়া সদনত দাবী জনাব খুজিছোঁ কোকৰাঝাৰ জিলাৰ কাৰণে অতি সোনকালে regular IS DO appointment দিব লাগে আৰু to assist the present director education of BTC, immediate appointment of Deputy

Director, BTC ত আমাৰ চৰকাৰৰ পৰা নিযুক্তি দিব লাগে, যাতে BTC ত পূৰ্ণোদ্যমে শিক্ষা বিভাগটো শক্তিশালীভাৱে আমি চলাব পাৰো। ইয়াৰ কাৰণে এই সদনত মই আজি দাবী জনাইছোঁ, মই আৰু বেছি ক'বলৈ নাযাও, মোৰ সতীৰ্থ সকলে কবলৈ আছে। গতিকে এইখিনিকে কৈ যিখিনি সদনত মই আজি দাবী ৰাখিছো, মাননীয় অধ্যক্ষ মহোদয়, আপুনি BTC ৰ লগত আছে, আমি একেলগে আছো যিহেতু BTC ৰ এই সমস্যা সমাধান কৰি দিয়াৰ বাবে চৰকাৰে গুৰুত্ব আৰোপ কৰে, ইয়াৰ কাৰণে আপোনাৰ ফালৰ পৰা অলপ সহায় কৰিলে নথৈ আনন্দিত হ'ম, BTC বাসী ৰাইজে আপোনাক আশীৰ্বাদ আৰু ধন্যবাদ জনাব। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, আপুনি ২৭ মিনিট সময় ল'লে। এতিয়া সন্মানীয় সদস্য ডাঃ আছিফ মহম্মদ নাজাৰ। আপোনাৰ সময় মাত্ৰ ৪ মিনিট।

( The Hon'ble Deputy Speaker on the Chair)

**ডাঃ আছিফ মহম্মদ নাজাৰ, লাহৰিঘাটঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ বাজেটৰ যি কৰ্তন প্ৰস্তাৱ, তাৰ সমৰ্থনত মই দুআষাৰ ক'বলৈ বিচাৰিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, এখন চৰকাৰৰ বাবে শিক্ষা, দয়া বা অনুগ্ৰহ নহয়। আমাৰ সংবিধানত শিক্ষাক মৌলিক অধিকাৰ দিয়া হৈছে। এখন ৰাজ্য শক্তিশালী কৰিবলৈ, উন্নত অৰ্থনীতি বা সুস্থ সমাজ ব্যৱস্থাৰ মুল ভেটি হৈছে শিক্ষা। কিন্তু অতি দুখৰ কথা যে অসমৰ চৰকাৰী বিদ্যালয়বোৰৰ বাস্তৱ ছবি আৰু চৰকাৰে যি উন্নতিৰ ছবি দেখুৱাইছে, দুয়োটা পৃথক।

মাননীয় উপাধ্যক্ষ মহোদয়, এই চৰকাৰে স্মাৰ্ট ক্লাছৰুম, আধুনিক শিক্ষা (digital education), গুণোৎসৱৰ কথা কয়। আমি এইবোৰক সমৰ্থন কৰো। কিন্তু শিক্ষাৰ যি মান, এই মান নিৰ্দ্ধাৰণ অকল অনুষ্ঠান বা বিজ্ঞাপনৰ জৰিয়তে

নহয়। শিক্ষাৰ মান নিৰ্ধাৰণ হয়, শ্ৰেণী কোঠাৰ আন্তঃগাঁথনিৰ কি পৰিস্থিতি তাৰ ওপৰত।

মাননীয় উপাধ্যক্ষ মহোদয়, এইবাৰ বিধান সভাত চৰকাৰে যি তথ্য দিছে , এই তথ্যত অসমৰ শিক্ষা ব্যৱস্থাৰ কিছুমান উদ্বেগজনক ছবি দেখা পাইছো । ২০১৬ চনৰ পৰা ১২,০২১ খন বিদ্যালয় এতিয়ালৈকে বন্ধ হৈ গৈছে। ৩০,৩০২ টা শিক্ষকৰ পদ খালী আছে। ২,৪৭৩ খন স্কুলত মাত্ৰ এজন শিক্ষক আছে। ১৫,৯৬১ খন প্ৰাথমিক বিদ্যালয়ত মাত্ৰ দুজনকৈ শিক্ষক আছে। ১৩,৬১৪ খন প্ৰাথমিক বিদ্যালয় আৰু ৩৪০২ খন উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মাত্ৰ এজনকৈ প্ৰধান শিক্ষক আছে।

ইয়াৰ উপৰিও, আটাইতকৈ ডাঙৰ কথা হৈছে যে ৭৯৪৮ খন বিদ্যালয়ত শিক্ষক শিক্ষয়ত্ৰীৰ অনুপাত ৩০.১ তকৈ বেছি। ইয়াৰ অৰ্থ হৈছে, যি পৰিসংখ্যা দেখুওৱা হৈছে, এই পৰিসংখ্যাই এটাই বুজাই যে শিক্ষকৰ সংকট এতিয়া ভয়াবহৰূপে বাঢ়ি গৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, UDIES plus ২০২৫-২৬ ত আমি দেখা পাইছো যে ৪৪,১০৩ খন বিদ্যালয় আছে এতিয়ালৈকে। কিন্তু এই চৰকাৰে যি digital আৰু আধুনিক শিক্ষাৰ কথা কয়, তাৰ বাস্তৱ ছবি কি জানেনে ? মাননীয় উপাধ্যক্ষ মহোদয়, এই ৪৪,১০৩ খন বিদ্যালয়ৰ ভিতৰত ১০৪৮ খন প্ৰাথমিক আৰু ৮৯৩ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এতিয়ালৈকে computer শিক্ষাৰ ব্যৱস্থা নাই। তাৰোপৰি ইয়াতকৈ উদ্বেগজনক বিষয়টো হৈছে যে ১,৩০৪ খন বিদ্যালয়ত computer-ৰ শিক্ষকেই নাই। এইখন চৰকাৰে Artificial Intelligence, coding, smart school, Digital India এইবোৰৰ কথা কয়, আৰু আনফালে বহু ছাত্ৰ-ছাত্ৰীয়ে এতিয়ালৈকে computer- স্পৰ্শই কৰিব পৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, বহু বিদ্যালয়ত মৌলিক আন্তঃগাঁথনিৰ অভাৱ। যদি আপুনি চায় যে বহুত বিদ্যালয়ত এতিয়াও digital education, আধুনিক শিক্ষাটো দূৰৰেই কথা, ল'ৰা-ছোৱালীয়ে ভালদৰে পঢ়াৰ সুবিধাই

নাপায়। মাননীয় উপাধ্যক্ষ মহোদয়, মই লাহৰীঘাট বিধানসভা সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰোঁ। এই লাহৰীঘাট সমষ্টিৰ লগতে মৰিগাঁও জিলাকে ধৰি অসমৰ যিবোৰ চৰকাৰী school আছে, সেই চৰকাৰী school বোৰত এতিয়ালৈকে ভাল আন্তঃগাঁথনিৰ অভাৱ আছে, শোচনীয় পৰিস্থিতি।

মাননীয় উপাধ্যক্ষ মহোদয়, যদি আপুনি চায়, এজন শিক্ষকে চাৰি-পাঁচটা শ্ৰেণীত পাঠদান কৰিবলগীয়া হয়। গতিকে আপুনি ভাবকচোন, এজন শিক্ষকে একেটা সময়তে কেনেকৈ চাৰি-পাঁচটা শ্ৰেণীত পাঠদান কৰি গুণগত শিক্ষা দিব? গতিকে এই অৱস্থাত আমি দেখোঁ যে অভিভাৱকসকলে নিজৰ ল'ৰা-ছোৱালীক চৰকাৰী school-ৰ পৰা উলিয়াই private school-ত নামভৰ্তি কৰি দিয়ে। তাৰ ফলত আমাৰ অভিভাৱকসকলৰ চৰকাৰী school-ৰ প্ৰতি আস্থা কমি আহিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, বানপানী আৰু গৰাখহনীৰ কাৰণে বহু জিলাত আন্তঃগাঁথনি বেয়া হৈ গৈছে। চৰকাৰে অস্থায়ী মেৰামতিৰ কাৰণে যদি পইচা দিয়ে, তাৰ পৰা লাভ নহয়। গতিকে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিম যে বানপানী আৰু গৰাখহনীয়াত ক্ষতিগ্ৰস্ত যিবোৰ school-ৰ অস্থায়ী মেৰামতিৰ চিন্তা কৰিছে, তাৰ বিপৰীতে যাতে পুনৰ নিৰ্মাণ কৰাৰ বাবে পুঁজি দিয়ে, তাৰ কাৰণে আপোনাৰ জৰিয়তে মই অনুৰোধ জনালোঁ।

ইয়াৰ উপৰিও মই কিছুমান দাবী উত্থাপন কৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, যি ৩,৩০২ টা পদ খালী আছে, সেইকেইটা পদ অতিশীঘ্ৰে পূৰণ কৰিব লাগে। ইয়াৰ লগতে যিবোৰ বিদ্যালয়ত এজনকৈ শিক্ষক আছে, তাত শিক্ষক বৃদ্ধি কৰিব লাগে। বন্ধ হৈ থকা যিবোৰ বিদ্যালয় আছে, সেইবোৰ পুনৰ মূল্যায়ন কৰি পুনৰ শিক্ষা ব্যৱস্থা আৰম্ভ কৰিব লাগে।

ইয়াৰ উপৰিও, মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰতিখন বিদ্যালয়তে বিদ্যুৎ, শৌচাগাৰ, খোৱাপানী, boundary wall আৰু খেলপথাৰৰ ব্যৱস্থা কৰিব লাগে। লগতে প্ৰত্যেক বিদ্যালয়ত computer education-ৰ শিক্ষক নিযুক্তি দিব লাগে।

বানপানী আৰু গৰাখহনীয়ত ক্ষতিগ্রস্ত যিবোৰ বিদ্যালয় আছে, সেইবোৰ পুনৰ নির্মাণৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ মৰিগাঁও জিলাতে কিছুমান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত Bodo medium আছে। Bodo medium-ত student কম, কিন্তু শিক্ষকৰ সংখ্যা বেছি। আনহাতে Assamese medium-ত শিক্ষকৰ অভাৱ। গতিকে আপোনাৰ জৰিয়তে যাতে ইয়াৰ ওপৰত ব্যৱস্থা লয়, তাৰ বাবে মই অনুৰোধ জনালোঁ। ইয়াৰ লগতে, মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকসকলৰ যি অভাৱ, আমাৰ ৰাজ্যৰ ভৱিষ্যতৰ বাবে যি ধৰণে এই চৰকাৰে বাস্তৱ চিন্তা কৰা নাই, তাৰ কাৰণে শিক্ষা বিভাগৰ বাবে যি পইচা ধাৰ্য্য কৰিছে, যি ১৮,৮৭০ কোটি টকা ধাৰ্য্য কৰিছে, তাৰপৰা 1 টকা কৰ্তন কৰিবৰ কাৰণে মই প্ৰস্তাৱ আগবঢ়াই মোৰ বক্তব্য সামৰণি মাৰিলোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ । এতিয়া সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (কাটিগড়া)** মাননীয় উপাধ্যক্ষ মহোদয়, গণতান্ত্রিক শাষন ব্যবস্থায় কাটমোশন আনা হয় এবং এই কাটমোশনের মাধ্যমে সমস্থ বিভাগের বিষয় নিয়ে আলোচনা করা হয়। কাটমোশনের সম্পূর্ণ বিরোধিতা করে আমি আমার বক্তব্য তুলে ধরছি। উপাধ্যক্ষ মহোদয়, আমিও একদিন বিরোধী দলের বিধায়ক ছিলাম, এবং বিরোধী দলে থাকা অবস্থায় আমি অনেক চেচামেচি করতাম এবং অনেকগুলো তথ্য তুলে ধরতাম যেগুলো মিথ্যা তথ্য আর সেগুলোর সঙ্গে বাস্তবের কোন সত্যতা ছিলনা। আসল কথা হচ্ছে আমাদের মাননীয় মুখ্যমন্ত্রী দৃঢ়তার সঙ্গে ও সংকল্পবদ্ধভাবে কাজ করছেন।

**শ্ৰীআমিনুৰ ৰশিদ চৌধুৰী (দক্ষিম কৰিমগঞ্জ ) :-** অধ্যক্ষ মহোদয়, হাউচত কৈ আছে আগত বহি ভুল তথ্য। তেখেতে হাউচত বহি মিছা কথা কৈছে।

(হূলস্থূল)

**শ্ৰীআব্দুৰ ৰহিম আহমেদ (চেঙা)**:- উপাধ্যক্ষ ডাঙৰীয়া, আপোনাক address কৰি কওক, ইফালে টাৰ্গেট কৰিলে আমি উত্তৰ দিমেই। মন্ত্ৰী ডাঙৰীয়াই সদস্য ডাঙৰীয়াক কওক chair ক address কৰিবলৈ, তেতিয়া আমাৰ কোনো কথা নাই।

**মাননীয় উপাধ্যক্ষ** :- আপোনালোক বহক।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ  (কাটিগড়া)** উপাধ্যক্ষ মহোদয় শিক্ষা ব্যবস্থায় হোক, সম্পূর্ণ সমাজ ব্যবস্থার পরিবর্তন হোক, জাতির উত্তরণের ক্ষেত্রে হোক বা সুরক্ষার ক্ষেত্রে হোক, মাননীয় মুখ্যমন্ত্রী দৃঢ়তার সঙ্গে ও সংকল্পবদ্ধভাবে কাজ করছেন।

উপাধ্যক্ষ মহোদয়, আপনি দেখবেন একটা হাতী যখন গ্রামে প্রবেশ করে সব মানুষ খুশী হয়, বাচ্চারা খুশী হয় বাচ্চাদের মারাও খুশী হয় যে হাতী আমাদের গ্রামে প্রবেশ করেছে। গণেশ বাবাজী আসছেন আমাদের গ্রামে। কিন্তু দুঃখিত হয় একটা মাত্র প্রাণী সেটা হচ্ছে কুকুর। কুকুর দেখবেন হাতীর পেছঁনে পেছঁনে খুব চেচাঁমেচি করে। সামনে কিন্তু করতে পারে না। কিন্তু কুকুর এইজন্য চেচাঁমেচি করেনা যে হাতী এসে আমাদের গ্রামে ঢুকলো, হাতীকে তাড়াতে হবে, কুকুর এইজন্য চেচাঁমেচি করে হাতীকে কেন এত সন্মান দেওয়া হলো ? হাতী কেন এত সন্মান পাচ্ছে ? আমি কুকুর, আমাকে লাঠি মারা হয়, আমাকে গ্রাম থেকে বের করে দেওয়া হয় আর হাতীকে কলা খাওয়ানো হয়, সন্মান দেওয়া হয় তার কারণটা কি?  কারণটা আমরা উপলব্ধি করতে পারছি।

**শ্ৰীজুবেৰ আনম মজুমদাৰ ( আলগাপুৰ) :-** উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ কথা আনি বন বিভাগত গৈছে। কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই শিক্ষা বিভাগৰ কথা কৈছে নে বন বিভাগৰ কথা কৈ আছে ?

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ( পাকাবেতবাৰী** ) : -কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কি কব বিচাৰিছে, বিষয় বস্তুৰ সৈতে মিল নাই।

**শ্রী কমলাক্ষ দে পুরকায়স্থ (কাটিগড়া)** আমি education এর কথা বলছি। আপনাদের অসুবিধা আছে নিকি ? আমাকে বলতে দিন। উপাধ্যক্ষ মহোদয় এইজন্য এই কথা বলছি যে সংকল্পের গতি যখন মিলবে কোন হাতীকে কুকুর পেছন থেকে কিছু করতে পারবে না। তাই বলছি স্বদেশে পূজিত রাজা, বিদ্বান সর্বত্র পূজিত। অর্থাৎ স্বদেশে রাজা পূজিত হয় আর বিদ্বান সর্বত্র পূজিত হয়। তাই আমি বলছি আমাদের মুখ্যমন্ত্রীও সব জায়গায় পূজিত হন। একটা শিশু যখন স্কুলে admission নেয় , সেই স্কুলে admission নেওয়ার সঙ্গে সঙ্গে free admission, mid-day mil, free text book, uniform, free sports materials, থেকে শুরু করে scholarship, pre-metric, post metric scholarship সব কিছু দেওয়া হয়৷ মুখ্যমন্ত্রীর নিযুত ময়না, distribution, bicycle, মুখ্যমন্ত্রীর নিযুত বাবু ও আনন্দরাম বরুয়া award, scooty scheme, জ্ঞানদীপ যোজনা inclusive education এর জন্য library, sports, smart class room, pre-primary থেকে শুরু করে senior secondary অবধি সব কিছুর ব্যবস্থা করেছেন। নুতন চা বাগানে ১০০ টা চা বাগান স্কুল স্থাপিত করা , Science stream, commerce stream introduce করা, প্রায় ৭১ হাজার বিভিন্ন sector এ শিক্ষক –শিক্ষিকা নিযুক্তি দেওয়া হয়েছে। উপাধ্যক্ষ মহোদয়, শিক্ষা সেতু, দর্পণ পর্টেল, জীবন প্রেরণা, এইসব স্কীম দেওয়া হয়েছে৷ আগে নিযুত ময়নাতে ৫০০০ হাজার টাকা দেওয়া হতো এখন কমিয়ে ১২০০ টাকা দেওয়া হয়। আগে মারুতি কার দেওয়া হতো এখন হয়তো স্কুটি দেওয়া হচ্ছে। উপাধ্যক্ষ মহোদয়, ব্যাপারটা এরকম নয়, আগে এই ধরণের কোন স্কীম ছিলনা। আজকে শিক্ষা ব্যবস্থাকে উন্নত করার জন্য শিক্ষার ক্ষেত্রে যে ধরণের সিদ্ধান্ত নেওয়া হয়েছে , শিক্ষার পরিকাঠামোকে যেভাবে উন্নত করা হয়েছে সেটা অস্বীকার করা যায় না। আজকে কাটমোশন আনা হয়েছে আমরা সবাই মিলে discussion করছি। Discussion এ অনেকেই বলেছেন আমাদের শিক্ষক চাই, ক্লাশ রুম চাই, এই চাই, সেই চাই কিন্তু আমি মনে করি আমাদের শিক্ষার ব্যাপারে কোন কাটমোশনের দরকার নাই। শিক্ষার ক্ষেত্রে অঢেল টাকা দেওয়া হোক। শিক্ষার ক্ষেত্রে কোন ধরণের compromise

না করে সেই শিক্ষা ব্যবস্থাকে যাতে আমরা এগিয়ে নিয়ে যেতে পারি। উপাধ্যক্ষ মহোদয়, ২০১১ সালে আমি বিধায়ক হই। তার আগে ৬৫ থেকে ৭০ বছর পর্যন্ত কংগ্রেসের সরকার ছিল। আগে যখন শিক্ষক নিযুক্তি দেওয়া হতো সেই নিযুক্তির সময় দেখা হতো বিধায়কদের সঙ্গে কার সম্পর্ক ভালো , কে বেশী মস্তান, গুণ্ডা এইগুলো parameter ছিল। শিক্ষক নিযুক্তি দেওয়া হবে সেটার parameter ছিল যে কে বেশী গুণ্ডা, মস্তান, কে বেশী বলবান, কার আধিপত্য বেশী, আজকে শিক্ষক নিযুক্তিতে সেইভাবে parameter ঠিক করা হয় না .।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ( পাকাবেতবাৰী** ) :- কংগ্ৰেছ চৰকাৰৰ দিনত আপুনি কিমান দিছিল ?

**শ্রী কমলাক্ষ দে পুরকায়স্থ (কাটিগড়া)** শিক্ষা বিভাগে টেটের মাধ্যমে যে নিযুক্তি দেওয়া হয়েছে সেই নিযুক্তি স্বচ্ছতার সঙ্গে দেওয়া হয়েছে । শিক্ষা বিভাগে নুতন নুতন ছেলে-মেয়েরা যে নিযুক্তি পেয়েছে সেটা আমরা অস্বীকার করতে পারিনা। ২০১৩ সালে টেট পরীক্ষা হয়েছিল। তখন আমাদের শিক্ষা মন্ত্রী ছিলেন হিমন্ত বিশ্ব শর্মা মহাশয়। যদি সেই সময় হিমন্ত বিশ্ব শর্মা শিক্ষা মন্ত্রী না থাকতেন তাহলে টেটের মাধ্যমে নিযুক্তিও হতো না৷ এবার শিক্ষা মন্ত্রী বলেছেন ৪০ থেকে ৫০ হাজার শিক্ষকের নিযুক্তি দেওয়া হবে। এই যে শিক্ষার ক্ষেত্রে একটা বাতাবরণের সৃষ্টি হয়েছে, আমি সেইজন্য ধন্যবাদ জ্ঞাপণ করছি । উপাধ্যক্ষ মহোদয়, আমি একটা উদাহরণ দিতে চাই যে পিতা-মাতা থাকা অবস্থায় পিতা-মাতার সেবা শুশ্রুষা করা উচিত। কিন্তু পিতা-মাতার মৃত্যুর পর বড় করে আমি শ্রাদ্ধ অনুষ্ঠান করলাম, আমি সবাইকে অনেক বেশী করে খাওয়ালম কিন্তু সেটার কোন যুক্তি-যুক্ততা নেই। সরকার ছিল ৭০ বছর সেই সময় আমরা কি করতে পেরেছি ? বর্তমানে ২০১৬ থেকে এই সরকার কি কাজ করেছে সেটাই হচ্ছে বাস্তব। আমি বিশ্বাস করি আগামী দিনে আমরা যাতে শিক্ষার ক্ষেত্রে একটা সুন্দর পরিবেশ করতে পারি। "**A beautiful dress can change the personality but beautiful behaviour can change the life."** উপাধ্যক্ষ মহোদয়, রাম এবং কৃষ্ণের মধ্যে দুটা অন্তর ছিল। রাম নিজে লড়াই

করেছেন আর কৃষ্ণ লড়াই করিয়েছেন। আমি মনে করি রামকে ষড়যন্ত্র করে ঘর থেকে বের করে দেওয়া হয়েছিল, আর কৃষ্ণ ষড়যন্ত্রকে ঘর থেকে বের করে দিয়েছিলেন। তাই আমরা চাই সেই পরিবেশ, আমরা চাই শিক্ষার প্রসার, শিক্ষার বাতাবরণ, যে বাতাবরণে সামাজিক পরিবর্তন হবে। আমি মনে করি আমাদের মাননীয় মুখ্যমন্ত্রীর নেতৃত্বে অসম শিক্ষার ক্ষেত্রে এক নুতন দিগন্তের সূচনা করেছে। আমাদের মাননীয় শিক্ষা মন্ত্রী এবং মাননীয় মুখ্যমন্ত্রীর নেতৃত্বে শিক্ষার ক্ষেত্রে একটা সুন্দর পরিবেশের সৃষ্টি করবে। তাই আমি বলছি আপনারা কাটমোশনটা withdraw করুন, শিক্ষার ক্ষেত্রে বেশী বেশী করে টাকা দেওয়া দরকার আপনাদের সমষ্টির উন্নতি হবে। স্কুলগুলোর যে পরিবর্তন হয়েছে নুতন নুতন যে স্কুল বিল্ডিং হয়েছে সেটা আমাদের জন্য বিরাট বড় একটা প্রাপ্তি। আমি মনে করি এই ধরণের কাটমোশন না এনে শিক্ষা ক্ষেত্রে আরও উন্নতি হোক সেটাই চেষ্টা করুন। নমস্কার। ধন্যবাদ। জয় হিন্দ। ভারত মাতা কি জয়।

**মাননীয় উপাধ্যক্ষ** :- এতিয়া মাননীয়া সদস্যা দিপ্তীময়ী চৌধুৰী।

**শ্ৰীমতী দীপ্তিময়ী চৌধুৰী, (বঙাইগাওঁ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি শিক্ষামন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰা দাবী-মঞ্জুৰীৰ প্ৰতি পূৰ্ণ সমৰ্থণ আগবঢ়াই মই দু-আষাৰ ক'ব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, মই বিধায়ক হোৱাৰ পূৰ্ব্বে শিক্ষয়িত্ৰী আছিলো, ছ-বছৰ ভেঞ্চাৰ স্কুলত শিক্ষকতা কৰিছিলো। সেই অনুসৰি আজি মই সদনৰ মজিয়াত দু-আষাৰ শিক্ষা বিভাগৰ ওপৰত ক'বলৈ সুবিধা পোৱাৰ বাবে ধন্য মানিছো। বৰ্তমান অসমৰ মাননীয় মুনখ্যমন্ত্ৰী ডাঙৰীয়াৰ সৎ প্ৰচেষ্টাৰ বাবে আজি অসমৰ প্ৰাথমিক-মাধ্যমিক-হাইস্কুল সকলো বিষয়ত শিক্ষা বিভাগে চমকপ্ৰদ সাফল্য লাভ কৰিছে। সেইবাবে মই তেওঁক সদনৰ মজিয়াৰ পৰাই ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় শিক্ষামন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াকো সদনৰ মজিয়াৰ পৰাই ধন্যবাদ জ্ঞাপন কৰিছো। মই যিহেতু মোৰ শিক্ষা বিভাগৰ অভিজ্ঞতাৰ কথা ক'ব বিচাৰিছো, এতিয়া দেখা গৈছে এই ৫ টা বছৰত যিসমূহ স্কুল বা কলেজ লোৱা হ'ল, এই সমূহৰ ওপৰত মই কিছু পৰামৰ্শ দিব বিচাৰিছো। যিহেতু সময়ে সময়ে চৰকাৰখনে কিছুমান স্কুল

প্ৰাদেশীকৰণ কৰি আহিছে, তাৰ ফলত আমি কিছুমান বিদ্যালয়ত দেখা পাওঁ যিহেতু আমাৰ অসমত ৩৩,৩৯৬ খন প্ৰাথমিক বিদ্যালয় আছে আৰু ৰাজহ গাওঁ আছে প্ৰায় ২৬,৩৯৫ আৰু শিক্ষা বিভাগ আইনৰ অধীনত প্ৰতি ১ কিঃমিঃ ৰ অন্তৰে অন্তৰে এখন প্ৰাথমিক বিদ্যালয় থাকিব লাগে। কিন্তু এই আইন উলঙ্ঘা কৰি কিছুমান বিদ্যালয় স্থাপন হয়। আমাৰ চৰকাৰে এতিয়া সেই স্কুলসমূহ একত্ৰীকৰণ কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা অনুৰোধ আছে কিছুমান স্কুল আছে য'ত ছাত্ৰ-ছাত্ৰী ৩০ জন কিন্তু ১ কিঃমিঃ ৰ অন্তৰত তাত বেলেগ স্কুল নাই। সেই স্কুলসমূহ যদি একত্ৰীকৰণ কৰে তেতিয়া বহুত অসুবিধা হ'ব। গতিকে এই কথাটো মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, প্ৰাদেশীকৰণ হোৱাৰ পিছত কিছুমান স্কুলত হিন্দী পদসমূহ খালী হৈ আছে, সেইসমূহ এতিয়াও পূৰণ হোৱা নাই। গতিকে মাননীয় উপাধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যাতে অতি সোনকালে সেই পদসমূহ পূৰণ কৰে। ছাৰ, মই ভাৱো মোৰ বঙাইগাওঁ সমষ্টিখনে এই ৫ টা বছৰৰ ভিতৰত শিক্ষাৰ ক্ষেত্ৰত বহুত উন্নতি লাভ কৰিব পাৰিছে। আজি ৫ বছৰ আগলৈকে যদি উভতি যাওঁ, উচ্চশিক্ষাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় নাছিলে,Engineering College, মেডিকেল কলেজ নাছিলে। কিন্তু আজি আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সৎ প্ৰচেষ্টাৰ বাবে এইবোৰ হোৱাৰ পথত আগবাঢ়ি গৈছে। আজি সদনৰ জৰিয়তে অন্যুৰধ কৰিব বিচাৰিছো আমাৰ বঙাইগাওঁ Engineering College অতি সোনকালে উদ্বোধন কৰি দিয়ে যেন।

লগতে, প্ৰাদেশীকৰণ হোৱা হিন্দী শিক্ষকৰ পদসমূহ যাতে অতি সোনকালে পূৰণ কৰি দিয়ে সইটোৱে আশা কৰিছো। কিছুমান স্কুলৰ প্ৰাদেশীকৰণ হোৱাৰ পিছত বা অৱসৰ হোৱা শিক্ষকৰ যিসমূহ পদ এতিয়াও খালী হৈ আছে, সেই পদসমূহ অতি সোনকালে যাতে পূৰণ কৰি দিয়ে সেয়া মই আশা কৰিছো।

যিসকল বিৰোধীয়ে এই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছে গতিকে মই তেখেতসকলক অনুৰোধ কৰিছো যে শিক্ষাই যিহেতু আমাক জ্ঞানৰ পোহৰ বিলায়, গতিকে এই জ্ঞানৰ পোহৰক ৰুদ্ধ কৰিব নালাগে। এই প্ৰস্তাৱটো যাতে গৃহীত হয় আৰু বিৰোধীয়ো যাতে এই প্ৰস্তাৱটোৰ সমৰ্থণ জনায়, তাৰবাবে মই আজি এই সদনৰ জৰিয়তে অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ । এতিয়া মাননীয় সদস্য শ্ৰী মহেশ্বৰ বড়ো । আপোনাৰ সময় ৬ মিনিট।

**শ্ৰী মহেশ্বৰ বড়ো, (ভেৰগাওঁ)ঃ -** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধীয়ে শিক্ষা বিভাগৰ যি স্কুল শিক্ষা আৰু উচ্চ শিক্ষাৰ দাবী-মঞ্জুৰীৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে তাক সম্পূৰ্ণ বিৰোধীতা কৰি মই কেইষাৰমান কথা ক'ব বিচাৰিছো। শিক্ষা বিভাগত আজিৰ তাৰিখত অসমত যি অভিলাষী আঁচনি বিভিন্ন পৰ্য্যায়ত ৰূপায়ণ কৰি থকা হৈছে, সেইটো অসম ৰাজ্যখনৰ কাৰণে প্ৰশংসনীয় পদক্ষেপ । তাৰফলত আজি ভাৰতত শিক্ষা বিভাগত এটা আলোড়ন সৃষ্টি হৈ থকা দেখিবলৈ পাইছো । সৌ-সিদিনাখন NEET পৰীক্ষাত যি হাৰত NEET পাছ কৰিছে, শিক্ষা বিভাগে হয়তো যথেষ্ট পদক্ষেপ লোৱাৰ হেতুকে সমাজত তাৰ প্ৰভাৱ পৰিছে আৰু তাৰকাৰণে বিভিন্ন প্ৰতিযোগীতামূলক পৰীক্ষাসমূহত যথেষ্ট ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱা আমি দেখিবলৈ পাওঁ। কিন্তু যিয়ে নহওঁক আজি এই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই আমাৰ অঞ্চলৰ কিছু সমস্যা দাঙি ধৰিব বিচাৰিছো । আমাৰ দলৰে সতীৰ্থ এজনে ইতিমধ্যে কৈ গৈছে BTC অঞ্চলৰ বিভিন্ন সমস্যাৰ বিষয়ে । বিশেষকৈ মোৰ সমষ্টিত ২০১৮ চনৰ শিক্ষামন্ত্ৰী, মাননীয় সিদ্ধাৰ্থ ভট্টাচাৰ্য্যৰ নেতৃত্বত, ৫০ খন মহাবিদ্যালয়ত Science stream introduce কৰিবৰ কাৰণে ব্যৱস্থা লোৱাৰ কাৰণে যি অধিসূচনা জাৰি কৰা হৈছিল, মোৰ সমষ্টিত ২৩ খন কৰা হ'ল কিন্তু বাকীসমূহ থাকি গ'ল । মোৰ সমষ্টিৰ খৈৰাবাৰী মহাবিদ্যালয়ত Science stream কৰিবৰ কাৰণে ইতিমধ্যে Laboratory room ৰ লগতে বিভিন্ন instrument কিনিবৰ কাৰণে ১০ লাখ টকা প্ৰেৰণ কৰা হ'ল। কিন্তু আজিলৈকে তাত Science stream হৈ নুঠিল। গতিকে

মই শিক্ষা বিভাগক অনুৰোধ জনাইছো, তাত হায়াৰ ছেকেণ্ডাৰীত যিহেতু Science stream আছে, তাত যথেষ্ট ছাত্ৰ-ছাত্ৰী ওলায়, দুখীয়া অঞ্চলৰ বহুত ছাত্ৰ-ছাত্ৰী B.Sc পঢ়িবৰ কাৰণে এই মহাবিদ্যালয়খনত Science stream ৰ প্ৰয়োজনীয়তা আছে । মোৰ সমষ্টিত কিছুমান remote area আছে, Indo-Bhutan area ত আজিলৈকে উচ্চ শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে হাই স্কুল নাই। বিশেষকৈ ৰাজহবাৰী এৰিয়াত এম.ই স্কুল আছে, ১০ কিঃমিঃ radius ত উচ্চ শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে কোনো ব্যৱস্থা নাই । গতিকে ৰাজহবাৰী গাওঁ অঞ্চলৰ এই এম.ই স্কুলখন upgradation কৰি যাতে হাই স্কুল কৰিব পাৰি তাৰবাবে মই আজি এই সদনত অনুৰোধ কৰিছো।

অন্যহাতেদি, চৰকাৰে যিহেতু এটা পলিচি লৈ আছে যে বিভিন্ন হাইস্কুল বিলাকক upgrade কৰি হায়াৰ ছেকেণ্ডাৰী বনোৱা হ'ব । এইক্ষেত্ৰত মোৰ অঞ্চলত এটা ঘৰিয়াজাৰ বুলি এখন হাইস্কুল আছে, ইয়াত মেট্ৰিক চেন্টাৰ হৈছে। তাত উচ্চ শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে, বিশেষকৈ বাগান এৰিয়াৰ ছাত্ৰ-ছাত্ৰী সকলক বেছি প্ৰয়োজন হৈছে উচ্চ শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে, সেয়েহে এইখন হায়াৰ ছেকেণ্ডাৰীলৈ upgrade কৰিবৰ কাৰণে মই এই সদনত অনুৰোধ ৰাখিছো । বিশেষকৈ ৩ খন হাইস্কুল- ঘৰিয়াজাৰ হাইস্কুল, পুৰণি টংলা হাইস্কুল আৰু চিনাবনা হাইস্কুল কেইখন upgrade কৰিলে বহুতখিনি ছাত্ৰ-ছাত্ৰীয়ে সকাহ পাব।

তাৰ বাহিৰেও আমাৰ স্কুলবিলাকত infrastructure develop ৰ প্ৰয়োজন হৈ আছে। বহু এম.ই স্কুল, হাইস্কুল জৰাজীৰ্ণ অৱস্থাত আছে। এল পি স্কুল বিলাকৰ অৱস্থাও ভাল নহয় । আমাক চৰকাৰীভাৱে এখন letter শিক্ষামন্ত্ৰী মহোদয়ে প্ৰেৰণ কৰিছে যে বিভিন্ন স্কুলসমূহ merge কৰাৰ কাৰণে বা amalgamation কৰাৰ কাৰণে, কিন্তু আমাৰ BTC অঞ্চলত ইয়াৰ প্ৰয়োজন নাই বুলিয়ে ভাৱো। স্কুলসমূহত কিছু enrolment কম হৈছে as per আইন। কিন্তু BTC অঞ্চল যিহেতু এটা সুকীয়া transferred subject, সেই হিচাপে BTC প্ৰশাসনে সেইটো চোৱাচিতা কৰিব আৰু ইয়াত যাতে merge বা amalgamation আমাৰ BTC অঞ্চলত নকৰে,

তাৰবাবে মই আজি এই সদনত আপোনাৰ যোগেদি বিভাগক অনুৰোধ ৰাখিছো। বিশেষকৈ আমাৰ বাগান অঞ্চলত মডেল হাইস্কুল কৰা হৈছিল, কিন্তু দুটা ক্লাছ ষষ্ঠ আৰু নৱম আৰম্ভ হৈছে মাত্ৰ দুজন দুজনকৈ শিক্ষক নিযুক্তি দিয়া হৈছে। এই দুজনেৰে অহা বছৰ আৰু চাৰিটা ক্লাছ হ'ব। গতিকে তাৰ post creation কৰি মডেল স্কুলবিলাকক যিহেতু আন্তঃগাথনি এনদৰে সুন্দৰকৈ বনাই দিয়া হ'ল, এই স্কুলটো চাই আকৃষ্ট হৈ যথেষ্ট ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কৰা হ'ল। কিন্তু আজিৰ তাৰিখত শিক্ষক নাই। শিক্ষক নথকা হেতুকে তাতে কি ধৰণে শিক্ষা গ্ৰহণ কৰিব ছাত্ৰ-ছাত্ৰী সকলে, সেইটো আমাৰ কাৰণে বিচাৰ্য্যৰ বিষয়। গতিকে এই ক্ষেত্ৰত নিশ্চয় বিভাগে ব্যৱস্থা ল'ব তাত post creation কৰি যাতে মডেল স্কুল, যি ননৈপাৰা মডেল স্কুল আছে,আৰু বাদলাপাৰাত মডেল স্কুল আছে তাতে শিক্ষকৰ ব্যৱস্থাটো কৰি দিয়া হোৱা নাই ,দুজন দুজন মাত্ৰ শিক্ষক আছে, বাকী স্থানীয়ভাৱে দুই এজন শিক্ষিত যুৱকক engagement দিয়াই প্ৰধান শিক্ষকে শিক্ষাদান দিবৰ বাবে ব্যৱস্থা কৰিব লগা হৈছে। কোনো remuneration ৰ ব্যৱস্থা তাতে দিয়া হোৱা নাই। গতিকে এই বিলাকৰ ওপৰত যাতে চৰকাৰে নিশ্চয় নজৰ ৰাখিব। এইখিনিকে মই আহ্বান জনাই আজিৰ কৰ্তন প্ৰস্তাৱৰ পুনৰ বিৰোধিতা কৰি মোৰ ক'বলগীয়াখিনি সামৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ, এতিয়া আব্দুছ ছোৱাহান আলী সৰকাৰ ডাঙৰীয়া।

**শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ (গৌৰীপুৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট অধিবেশনত বিদ্যালয় শিক্ষাৰ ওপৰত কৰ্তন প্ৰস্তাৱৰ সপক্ষে কোৱাৰ সুযোগ দিয়াৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। মই বিশেষকৈ দুটামান issue উত্থাপন কৰিব খুজিছো। আজি আমি দেখা পাইছো সৰ্বত্ৰ কেইদিনমান আগত শিক্ষামন্ত্ৰীৰ পৰা এখন পত্ৰ পালো। পত্ৰত দেখা পালো স্কুল amalgamation কৰাৰ কাৰণে লিষ্ট দিয়া হৈছিল। মই এই কথাটো বুজা নাই যে আজিৰ দিনত জনসংখ্যা বাঢ়িছে, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে, শিক্ষাৰ প্ৰসাৰতাৰ প্ৰয়োজন আহি পৰিছে, তেতিয়া আজিৰ এই

সমাজত  স্কুল একত্ৰীকৰণ কৰি  আমি সমাজত কি বাৰ্তা দিব বিচাৰিছো ? আচলতে এই চৰকাৰখনে বা এই বিভাগে এইটোৰ ওপৰত পৰ্য্যালোচনা কৰাৰ প্ৰয়োজন আছিল যে আমি কিয় স্কুল  amalgamation কৰিব নালাগে ? কথাটো হ'ল  এনেকুৱা যে আমি যদি ইয়াৰ ওপৰত পুনৰ বিবেচনা কৰোঁ তেতিয়া আমি দেখা পাম কেতবোৰ কাৰণ আছে। সেই কাৰণবোৰ হ'ল আমি যদি এনেকৈ উইড্ৰ কৰোঁ, স্কুল উইড্ৰ কৰোঁ মই ভাবো Private Education ৰ ফালে ছাত্ৰ-ছাত্ৰী সকল ধাৱমান হ'ব। আমি সময়মতে অথবা আমি শিক্ষক যোগান ধৰিব পৰা নাই, যিখিনি সা-সঁজুলি সেইখিনি পৰ্য্যাপ্ত পৰিমাণে আমি যোগান ধৰিব পৰা নাই, তাৰ কাৰণে আজিৰ দিনত ছাত্ৰৰ সংখ্যা কমিছে। কমাৰ কাৰণে আমি স্কুল একত্ৰীকৰণ কৰাৰ কাৰণে ধাবিত হৈছো। মই এটা কথা ক'ব বিচাৰিছো যে আজিৰ দিনত অসমত  বহুতো স্কুল আছে য'ত পৰ্য্যাপ্ত পৰিমাণে ছাত্ৰ-ছাত্ৰী আছে, সেই অনুপাতে শিক্ষক –শিক্ষয়িত্ৰী নাই।  আজি মই মোৰ যিখন জিলাৰ পৰা প্ৰতিনিধিত্ব কৰোঁ সেইখন জিলাৰ কথা ক'ম য'ত গোটেই অসমত সাক্ষৰতাৰ হাৰ কি ৮৭ শতাংশ  তেতিয়া কিন্তু আমাৰ ধুবুৰী জিলাখনত ৫৯.৩৬ শতাংশ। আমি ক'ব গ'লে নিজকে অৱেহেলিত যেন লগা হৈছে আমি বেলেগ জিলাতকৈ শিক্ষাৰ ক্ষেত্ৰত অলপ পিছ পৰি আছো।  সেই কাৰণে মই ক'ব বিচাৰিছো ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে পৰ্য্যাপ্ত পৰিমাণে শিক্ষক নিযুক্তি দিব লাগে। আজিৰ দিনটো যিটো পোৱা যায় যে অসমত কেৱল শিক্ষা বিভাগতে খালী পদৰ সংখ্যা আছে ৩০ হাজাৰ ৩২ জন। আমি শিক্ষাৰ ক্ষেত্ৰত যিখিনি গুৰুত্ব দিব লাগে সেইখিনি আমি গুৰুত্ব এতিয়ালৈকে দিয়া নাই। আজি বহুত স্কুলত শিক্ষক নাই। এখন প্ৰাইমেৰী স্কুলত ৫ টা শ্ৰেণী আছে তাত হয়তো ক'ৰবাত আমি এজন শিক্ষকৰে চলাব লগা হৈছে। এনেকুৱা এটা অৱস্থা হৈছে 30:1 ত কৰ'বাত যদি ৫৯ জন ছাত্ৰ-ছাত্ৰী আছে,তাত এজন শিক্ষকহে আছে। কিন্তু এজন শিক্ষকে ৫ টা শ্ৰেণী কেনেকৈ চম্ভালিব ?  এইখিনি আমি চিন্তা কৰাৰ প্ৰয়োজন আছে। এখন অসমতে দুটা ধৰণৰ আইন প্ৰচলিত হৈ আছে। মই ধুবুৰী জিলাক কেনেকৈ বৈষম্যমূলক ভাৱে প্ৰতাৰিত কৰা হৈছে, তাৰ কথা কম। ২০১৭

চনত পদ  প্ৰাদেশিকীকৰণ আইন মতে ২০২১ চনৰ ৫ ফেব্ৰুৱাৰীত যি ঘোষণা দিয়া হৈছিল, তাত কিন্তু অসমত প্ৰধান শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ কৰা হ'ল। কিন্তু ধুবুৰী জিলাত ৭২ জন প্ৰধান শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ কৰা ন'হল। কিয় ধুবুৰী জিলাক শিক্ষাৰ ক্ষেত্ৰত অৱহেলিত কৰা হৈছে? ধুবুৰী জিলাৰ শিক্ষা খণ্ডৰ যি মান সেই মান উন্নত কৰাৰ কাৰণে চৰকাৰে কোনো প্ৰয়াস কৰা নাই বা বিভাগে কোনো প্ৰয়াস কৰা নাই। মই নিৰ্দিষ্টভাৱে এখন স্কুলৰ কথা ক'বলৈ যাম সেইখন হৈছে গৌৰীপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত বিক্ৰম মেম'ৰিয়েল স্কুল। বিক্ৰম মেম'ৰিয়েল স্কুলখনত আমি যদি চাওঁ ৫ টা পদ তাতে প্ৰাদেশিকীকৰণ কৰা হৈছে। তাৰ ভিতৰত এৰ'বিক, হিন্দী আৰু লগতে ৩ টা। এখন এম ই স্কুলত বিজ্ঞানৰ পদ কেনেকৈ আপোনালোকে বাদ দিলে ? বিজ্ঞান নোহোৱাকৈ এখন স্কুল কেনেকৈ চলে ? আজি যদি আমি চাবলৈ যাওঁ  গুৰু দক্ষিণা আঁচনিৰ কথা কোৱা হৈছে। আমি কিয় গুৰু দক্ষিণা দিব লগা হয় ? ইয়াৰ কোনো প্লেন আৰু ৰোড মেপ ইয়াত দিয়া হোৱা নাই। মই এটা কথা কওঁ যে গুৰু দক্ষিণা নহয়, গুৰুদক্ষিণা দিয়াৰ কথা চিন্তা কৰা হৈছে। আঁচনি লৈছে, সেইটো বেলেগ কথা। কিন্তু গুৰু দক্ষিণা দিয়াৰ বিপৰীতে আমি যদি প্ৰতিজন শিক্ষকক প্ৰাদেশিকীকৰণত অন্তৰ্ভুক্ত কৰিলোহেতেন, সকলোকে যদি সুযোগ দিলোহেতেন, তেতিয়া নিশ্চিতভাৱে এইসকল,যাক আমি আজিৰ দিনত গুৰু দক্ষিণা দিব বিচাৰিছো, সেইসকল কিন্তু উৎফুল্লিত হ'লহেতেন, শিক্ষাখণ্ডৰ মান আৰু উন্নত হ'লহেতেন। মই এটা কথা ক'ব যাওঁ ধুবুৰী জিলাত বিশেষকৈ বৰপেটা, গোৱালপাৰা, মানকাছৰ এই বিলাক জিলাত এখনো বিশ্ববিদ্যালয় নাই আজিৰ দিনত। ৪,৫ খন জিলাত এখনো বিশ্ববিদ্যালয় নাই। তাৰ মানে আমি শিক্ষাখণ্ডৰ পাইপ লাইন আমি কাটি  দিছো। আমি যদি বিদ্যালয় শিক্ষাক বেছি গুৰুত্ব দিওঁ, গুৰুত্ব দি যদি উঠাই লৈ আহো, যদি আমাৰ অঞ্চলত বিশ্ববিদ্যালয় থাকে, তেনেহ'লে নিশ্চিতভাৱে আমাৰ অঞ্চলৰ যিবিলাক ছাত্ৰ-ছাত্ৰী আছে, তেওঁলোক উৎফুল্লিত হ'ব। অঞ্চলতে বিশ্ববিদ্যালয় পাব, শিক্ষাৰ এটা সুযোগ পাব। এইখিনিৰ পৰা আমাৰ নামনি অঞ্চলৰ কেইবাখনো জিলাক বঞ্চিত কৰা

হৈছে। শিক্ষাৰ কথা কোৱা হৈছে, গুৱাহাটী ইউনিভাৰচিটি। মই বিদ্যালয় শিক্ষাৰ লগতে অলপ উচ্চ শিক্ষাৰ কথা ক'ব বিচাৰিছো। গুৱাহাটী ইউনিভাৰচিটি, যিখন ১৯৪৮ চনত আৰম্ভ হৈছিল, সেই গুৱাহাটী ইউনিভাৰচিটিক এইবাৰ ১০০ কোটি টকা দিয়া হৈছে। ১০০ কোটি টকা পৰ্য্যাপ্ত নহয়, ইয়াক অতি কমেও ৩০০ কোটি টকা দিব লাগিছিল। আজি কটন ইউনিভাৰচিটিক সম্পূৰ্ণৰূপে বঞ্চিত কৰা হৈছে। আমি যদি দেখিবলৈ যাওঁ Assam Women's University, যোৰহাট, মাথো ৫০ কোটি টকা দিয়া হৈছে। যি Women University অসমৰ ভিতৰত প্ৰথম, সেই Women University ক অতি কমেও ২০০ কোটি টকা দিব লাগিছিল আৰু আমাৰ যিবিলাক টিউটৰ আছে, টিউটৰ সকলক অতি কমেও স্পেচিয়েল টেট পাতি সেই টিউটৰ সকলক নিযুক্তি দিব লাগিছিল আৰু এটা কথা ক'ম মোৰ সমষ্টি গৌৰীপুৰ। ধুবুৰী জিলাত যি ১২ খন মান Block Education আছিল, BEO Office আছে। কিন্তু গৌৰীপুৰ সমষ্টিত এটাও BEO office নাই। সেই কাৰণে আজি মই আপোনাৰ জৰিয়তে ক'ব বিচাৰিছো যে মোৰ গৌৰীপুৰ সমষ্টিত অতি কমেও বালাজানত এটা আৰু আথানিত এটা শিক্ষাখণ্ড দিব লাগে আৰু লগতে আমাৰ গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত বঠেহা Higher Secondary ত এটা science stream দিব লাগে আৰু বিশেষকৈ যিখন বৰকান্দা হাইস্কুলৰ যিটো Arts section সেইটো এতিয়ালৈ provincialised হোৱা নাই, সেইখিনি provincialised কৰিব লাগে লগতে আমবাৰী হাইস্কুলখনত মানে একম'ডেশ্যনৰ ক্ষেত্ৰত বহুত পিছ পৰি আছে, বিল্ডিঙৰ প্ৰয়োজন আছে, তাৰ ব্যৱস্থা কৰিব লাগে, এইখিনি কৈ মই আজি এই বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে যিখিনি কথা ৰাখিলো, সেইখিনি বিভাগীয় মন্ত্ৰীয়ে গুৰুত্ব দিব বুলি আশা ৰাখি পূৰণ কৰিব বুলি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**माननीय উপাধ্যক্ষঃ** Thank you. Next is Hon'ble member Shri Utpal Borah.

**শ্ৰী উৎপল বৰা, গহপুৰঃ** ধন্যবাদ উপাধ্যক্ষ মহাদয়, মই আজি আমাৰ বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে স্কুল এডুকেশ্যন আৰু হায়াৰ এডুকেশ্যনৰ ওপৰত Grant No. 71 আৰু Grant No. 26 এইটোৰ ওপৰতে কৰ্তন প্ৰস্তাৱ

ৰাখিছে, তাৰ সম্পূৰ্ণ বিৰোধিতা কৰি অকণমান ক'বলৈ ওলাইছো। উপাধ্যক্ষ মহোদয়, Education is the most powerful wapon which you can use to change the world. আমি মানৱ সম্পদ হিচাপে জন্মলাভ কৰিছো আৰু এই মানৱীয় সমাজখনক সংস্কাৰমুখী দিশত যদি আমি লৈ যাব লাগে, তেতিয়াহ'লে শিক্ষা এক অবিচ্ছেদ্য অংগ আৰু এই শিক্ষাক যদি নতুন ৰূপত আগবঢ়াই লৈ যাব লাগে, তেতিয়াহ'লে স্কুল এডুকেশ্যন আৰু হায়াৰ এডুকেশ্যনত বিশেষভাৱে উচ্চ শিক্ষাক আমি গুৰুত্ব দিব লাগিব আৰু তাৰ কাৰণে অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনে মাননীয় বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াৰ পৃষ্ঠপোষকতাত আমাৰ যি বাজেট ইতিমধ্যে দাখিল হৈছে আৰু তাৰ ওপৰত শিক্ষা বিভাগৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই যি মঞ্জুৰী বিচাৰিছে, এই মঞ্জুৰী অতি প্ৰয়োজন আমাৰ সতীৰ্থ বিধায়কসকলে বিভিন্ন ধৰণে শিক্ষাৰ দিশটোত কেনেকৈ সংস্কাৰ  অনা হৈছে, আজি প্ৰাইমেৰি এডুকেশ্যনৰ পৰা যদি আমি স্কুল এডুকেশ্যন formal learning শিকিবৰ কাৰণে Class-I ৰ পৰা  Class-12 লৈকে সকলোখিনি subject ত আমি শিক্ষা গ্ৰহণ কৰো আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত Class-12 ৰ যেতিয়া certificate পোৱা যায়, Higher secondary পাছ কৰা হয়, তাৰ পিছত কলেজৰ admission হয়, specialization লাহে লাহে আহি যায়, বিশ্ববিদ্যালয় পায়, বিশ্ববিদ্যালয় পোৱাৰ পিছত Skilled job পাবৰ কাৰণে হয়তো ডিপ্ল'মা, ডিগ্ৰি, হয়তো মাষ্টাৰ ডিগ্ৰী বা প'ষ্ট গ্ৰেজুৱেচনত বিভিন্ন ধৰণে আজি মেডিকেল এডুকেশ্যন কওঁক, ইঞ্জিনীয়াৰিং এডুকেশ্যন কওঁক এইবিলাকত আজি শিক্ষা বিভাগে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। একেবাৰে তৃণমূল পৰ্যায়ত যদি আমি চাওঁ আজি শিক্ষা বিভাগে নাৰী শিক্ষাক আগবঢ়াই লৈ যাবৰ কাৰণে আজি নিযুত মইনা আঁচনিখন implement কৰা হৈছে। এই নিযুত মইনা আঁচনিখনৰ  impact কিমান হৈছে, আজি যদি আমি Data চাওঁ, তেতিয়াহ’লে দেখা পাম যে 2016 ত আমাৰ চৰকাৰ অহাৰ আগত ছাত্ৰীসকলৰ যিটো drop out percentage আছিল, আৰু বৰ্তমান যিটো drop out percentage সেইটো decreasing হৈছে, সেইটো কমি গৈছে। তাৰ মূল

লক্ষ্যটো হৈছে যে নিযুত মইনা আঁচনিখনৰ impact আহিছে। নাৰীৰ ক্ষেত্ৰত শিক্ষা আগবঢ়োৱা হৈছে, ছাত্ৰীসকলক drop out percentage কমোৱা হৈছে, ছাত্ৰীসকলে শিক্ষা ল'বৰ কাৰণে আগবাঢ়িছে। যেতিয়া এগৰাকী ছাত্ৰী শিক্ষিত হয়, what is right what is wrong তেওঁ বিবেচনা কৰিব পৰা হৈছে, যাৰ কাৰণে আজি বাল্যবিবাহ, চাইল্ড মেৰেজ আজি বন্ধ হ'বলৈ গৈ আছে আৰু সমানে এগৰাকী ছাত্ৰীয়ে এগৰাকী ছাত্ৰৰ লগত ইকুৱেলি প্ৰতিযোগিতা কৰিব পৰা হৈছে। বৰ্তমান এনেদৰেই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰে আজি অসমৰ শিক্ষা বিভাগত এক আমূল পৰিৱৰ্তনৰ কাৰণে আগবাঢ়িছে। যদি চাওঁ যে আন্তঃগাথনি, আজি আমি দেখা পাওঁ যে মোৰ আগৰ বক্তা দিগন্ত কলিতা ডাঙৰীয়াই প্ৰথমতে আৰম্ভ কৰিছিল সতীৰ্থ বিধায়ক যে আমি মাটিৰ floor ত হয়তো কেতিয়াবা বস্তা, কেতিয়াবা কঠত বহি আমি প্ৰাইমাৰী শিক্ষা লৈছো, ময়ো লৈছিলো চৰকাৰী বিদ্যালয়ত। কিন্তু আজি আন্তঃগাথনিক Infrastructure develop কৰা হৈছে through Education Department, Central Government Funding আৰু State Government Funding ৰ যোগেদি। যাৰ জৰিয়তে additional classroom যাৰ জৰিয়তে দিব্যাংগসকলক REMP ৰ ব্যৱস্থা কৰি যাতে সময়ত শিক্ষা পায়, Right to Education যিটো শিক্ষাৰ অধিকাৰ, এই অধিকাৰটো পাবৰ কাৰণে সকলোকে সমূহীয়া কৰাৰ এক ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আজি গুণোৎসৱক এটা সময়ত বহুতে সমালোচনা কৰিছিল, বিৰোধীয়েও সমালোচনা কৰিছে। কিন্তু চৰকাৰী বিদ্যালয়বিলাকত যেতিয়া গুণোৎসৱ অনা হৈছিল, এই গুণোৎসৱৰ পিছত আজি শিক্ষা খণ্ডটোত community participation, আজি অভিভাৱক-অভিভাৱিকাসকলৰ যিটো সহযোগিতা, স্থানীয় ৰাইজৰ যিটো সহযোগিতা, আৰু শিক্ষকসকলৰ সহযোগিতা–এই সকলোৰে সমূহীয়া প্ৰচেষ্টাত আজি এটা Education Institution এটা সুন্দৰ পৰিৱেশত নিৰ্মাণ হ'বলৈ গৈ আছে। এইটো কোনে কৈছে আজি অসমৰ শিক্ষা বিভাগ, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মাৰ্গদৰ্শনত, আজি অসমৰ শিক্ষা খণ্ডটোক আগবঢ়াই লৈ যাবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে।

Higher Education ৰ ক্ষেত্ৰত আজি বিভিন্ন মহাবিদ্যালয়বিলাকক upgrade কৰি upgraded University হিচাপে তৈয়াৰ কৰিবলৈ ব্যৱস্থা কৰিছে। শিক্ষা বিভাগে তাত ১০০ কোটিকৈ প্ৰতিখন University ক দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী  University ত, Dibrugarh University ত কিমান দিছে কৈছে মাধৱদেৱ University ত কিমান দিছে কৈছে। মই ধন্যবাদ জনাইছো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষা বিভাগক। মোৰ গহপুৰ সমষ্টিটোত স্বাধীনতা সংগ্ৰামী কনকলতা বৰুৱাৰ নামত কনকলতা বৰুৱা  State University যোৱা নৰেশ্বৰ মাহত নিৰ্বাচনৰ আগে আগে আধাৰশীলা স্থাপন হৈছিল আৰু সুন্দৰ আন্তঃগাঁথনি নিৰ্মাণ হৈ আছে। মই গহপুৰ সমষ্টিৰ ৰাইজৰ হৈ গহপুৰ সমষ্টিৰ বিধায়ক হিচাপে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু অসম চৰকাৰৰ শিক্ষা বিভাগক বিশেষভাৱে ধন্যবাদ জনাইছো। যিখন বিশ্ববিদ্যালয় Artificial Intelligence, Robotics science, Machine Learning ৰ দৰে বিষয়বিলাক incorporate কৰিবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আগ্ৰহ প্ৰকাশ কৰিছে। গতিকে মই ভাবিছো এই বিশ্ববিদ্যালয় খন উত্তৰ অসমৰ এখন ভাল শিক্ষাৰ অনুষ্ঠান হিচাপে নিৰ্মাণ হ'ব। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া এইবাৰ বাজেটত এটা provision ৰখা হৈছে, বিত্তমন্ত্ৰী ডাঙৰীয়াই ৰাখিছে। এটা Compact Institution য'ত এখন চিকিৎসা মহাবিদ্যালয়, ইঞ্জিনিয়াৰিং কলেজ,  এখন বিশ্ববিদ্যালয় আৰু এখন ।T। যাৰ জৰিয়তে এই উন্নত মানৰ যদি Campus হয়, সেই Campus টোৱে উঠি অহা প্ৰজন্মক এক নতুন দিগন্ত সূচনা কৰিব। গতিকে এনেকুৱা provision আমাৰ চৰকাৰৰ দিনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত শিক্ষা বিভাগে ল'বৰ কাৰণে আগবাঢ়িছে। গতিকে Medical Education ৰ ওপৰত আজি আমাৰ যিহেতু Higher Educationৰ কথা চলি আছে, Medical Education ৰ আজি স্বাস্থ্য বিভাগৰ জৰিয়তে Medical Education ৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰিছে। মই আশা কৰিছো যে আজি শিক্ষা বিভাগক এইখিনি পুঁজিয়ে নহয়, ইয়াতকৈ অধিক পুঁজি দিব লাগে। শিক্ষা অবিহনে আমি আগবঢ়িব নোৱাৰো। সমাজৰ একেবাৰে নিম্ন স্তৰৰ পৰা উচ্চ স্তৰলৈকে যেতিয়া আমি

শিক্ষিত হ'ম তেতিয়া এখন সমাজ সদায় আগবাঢ়ি যায় আৰু এই সমাজ খনে পৃথিৱীৰ পৰিৱৰ্তন আনিব পাৰে। গতিকে আমাৰ সমাজখনত, এই অসমত যদি শিক্ষাৰ সংস্কাৰ অনা নহয় তেতিয়াহ'লে অসম কেতিয়াও বিকশিত হ'ব নোৱাৰে। সেইকাৰণে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আজি অসমত শিক্ষাৰ ক্ষেত্ৰত এক নৱ-বিপ্লৱৰ সূচনা হৈছে। আজি প্ৰধানমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ জৰিয়তে LP ৰ পৰা University লৈকে বিভিন্ন ধৰণৰ আন্তঃগাঁথনি তৈয়াৰ কৰা হৈছে। আজি Digital Classroom ৰ concept অনা হৈছে, হাইস্কুলবোৰত ছাত্ৰ-ছাত্ৰীসকল বিজ্ঞানৰ প্ৰতি যাতে আকৰ্ষিত হয়, Science Stream ৰ প্ৰতি যাতে ভৱিষ্যতে Higher Education ত আকৰ্ষিত হয়, তাৰ কাৰণে Science Lab ৰ sanction দিয়া হৈছে। এই Science Lab কিয় দিয়া হৈছে ? ক্লাছ এইট, নাইন আৰু টেনৰ ল'ৰা-ছোৱালীয়ে যেতিয়া এটা Science Lab ৰ concept ল'ব, সেই concept টো লোৱাৰ পিছত বিজ্ঞানৰ প্ৰতি তেওঁ ধাবমান হ'ব আৰু ভৱিষ্যতে আমাৰ ওপৰোক্ত বক্তা কেইবাগৰাকীয়েও নিজ নিজ সমষ্টিৰ কলেজবিলাকত Science Stream খোলাৰ কথা কৈছে। Science Stream খুলিবৰ কাৰণে আমি হাইস্কুলত পঢ়ি থকা অৱস্থাৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানৰ প্ৰতি আকৃষ্ট কৰিব লাগিব। গতিকে বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰিবৰ কাৰণে Science Lab টো অতিকে প্ৰয়োজনীয়। এইটো আজি আমাৰ শিক্ষা খণ্ডত adopt কৰা হৈছে। প্ৰত্যেকখন বিদ্যালয়ত আজি Science Lab খোলা হৈছে। গতিকে মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আজি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মাৰ্গদৰ্শনত শিক্ষা বিভাগে বহুতখিনি ব্যৱস্থা কৰিবলৈ আগবাঢ়িছে। আজি বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ আনিছে, কিন্তু শেষত তেওঁলোকে কৈছে যে ইটোৰ-পিছত সিটো, প্ৰতিটো অনুস্থান নিজৰ নিজৰ সমষ্টিত লাগে। আমাৰ এই Parliamentary System ত বিধানসভাৰ এটা tools জৰিয়তে তেওঁলোকে আনিছে। কিন্তু সকলোৱে জানে যে শিক্ষা অবিহনে নিজৰ সমষ্টিৰ কেতিয়াও উন্নতি হ'ব নোৱাৰে। গতিকে শিক্ষা আমাক লাগিবই আৰু প্ৰত্যেকেই ভাল Institution বিচাৰিছে। প্ৰত্যেকৰে sum and substance টো আমি দেখা পাইছো

যে শেষত নিজৰ সমষ্টিত কি দি দিব পাৰি তাৰ কাৰণে শিক্ষামন্ত্ৰীক আগ্ৰহ প্ৰকাশ কৰিছে। গতিকে মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ধন্যবাদ জ্ঞাপন কৰিছো, আপুনি মোক দু-আষাৰ ক'বলৈ দিয়াৰ কাৰণে। আপোনাৰ জৰিয়তে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিত্তমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে যিটো Compact Institution বনাবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে, য'ত University, Medical College, Engineering College আৰু ITI থাকিব। যিহেতু গহপুৰত কনকলতা State University হৈছে আৰু তাৰ campus টোত যথেষ্ট মাটি আছে, গতিকে অনাগত দিনত যদি এনেকুৱা এখন up-to-date Compact Institution আমাৰ সমষ্টিত দিয়ে, তেতিয়া উত্তৰ অসমৰ কাৰণে লাভৱান হ'ব। যিহেতু কিছুদিনৰ পিছত নুমলিগড়ত ব্ৰহ্মপুত্ৰৰ তলেৰে Tunnel ৰ কাম আৰম্ভ হ'ব আৰু সেইটো আমাৰ সমষ্টি হৈয়েই যাব, গতিকে দক্ষিণ পাৰ আৰু উত্তৰ পাৰৰ এই সংযোগস্থলী খুব ভাল হ'ব আৰু সকলোৰে এই সুবিধা লাভ কৰিব পাৰিব, আপোনাৰ জৰিয়তে অসম চৰকাৰক, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াক এই আগ্ৰহ প্ৰকাশ কৰি মোৰ চমু দু-আষাৰৰ ইমানতে সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ :** Thank you. Next, Shri Dharmeswar Roy from AGP, for five minutes. I think he is absent. Next, Shri Rihon Daimary.

**শ্ৰী ৰিহন দৈমাৰী (ওদালগুৰি) :** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে ইয়াৰ বিৰোধিতা কৰি মই কেইষাৰমান কথা ক'ব বিচাৰিছো। আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক মই বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো যে তেওঁলোকে যোৱা দিনবোৰত আমাৰ শিক্ষা বিভাগত আমূল পৰিবৰ্তন আনিবৰ কাৰণে যিখিনি ব্যৱস্থা লৈছে সেইটো নিশ্চয় প্ৰশংসনীয় আৰু যদি আমাৰ ল'ৰা- ছোৱালীবিলাকক আমি গুণগত শিক্ষা দিব লাগে তাৰ বাবে আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি সকলো দিশত ভাল হ'ব লাগিব, আমি কাম কৰিব লাগিব আৰু ইয়াৰ কাৰণে শিক্ষা বিভাগত যথেষ্ট পুঁজি আমি দিব লাগিব। ইয়াতকৈও বেছি দিব লাগে বুলি আজি সদনে সিদ্ধান্ত হে ল'ব লাগে। বিশেষভাৱে

আজি আমি দেখিবলৈ পাইছো যে আমাৰ শিক্ষানুষ্ঠানবিলাকৰ  আন্তঃগাথনি নিৰ্মাণ যথেষ্ট সুন্দৰ হৈছে, য'ত শিক্ষা দিয়াৰ এক পৰিৱেশ আমি দেখা পাইছো। এটা সময় আছিল, মই ২০০১  চনৰ পৰা ওদালগুৰি বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰি আহিছো আৰু সেই সময়ত আমাৰ শিক্ষানুষ্ঠানবিলাকত শিক্ষা লোৱাৰ পৰিৱেশ  বা শিক্ষা দিয়াৰ পৰিৱেশ নাছিল। কিন্তু আজিকালি যথেষ্ট ভাল পৰিৱেশ হ'ল, সেয়া আমি আৰু বেছি ভাল কৰিব লাগিব। সেইকাৰণে শিক্ষা বিভাগক মই অনুৰোধ কৰিম যে বৰ্তমান যিমানখিনি আন্তঃগাঁথনি নিৰ্মাণ কৰিবলগীয়া আছে, সেইবিলাক আমি আৰু কৰিব লাগিব। তাৰ কাৰণে যিমান পুঁজি লাগে মই অনুৰোধ কৰিম যে এই পুঁজি দিব লাগে আৰু এটা ভাল পৰিৱেশ আমি আমাৰ ল'ৰা-ছোৱালীক দিবই লাগিব। গুণগত শিক্ষা দিবই লাগিব কাৰণ তেওঁলোক আমাৰ ভৱিষ্যত। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, বিশেষভাৱে বিটিচি অঞ্চলটোত, ২০০৩ চনত বিটিচি একৰ্ড হোৱাৰ পিছৰ পৰাহে আমাৰ তাত শিক্ষাৰ যি ব্যৱস্থা সেয়া অলপ ভাল হোৱাটো আমি দেখা পাইছো।  ২০০৩ চনৰ আগত তাত শিক্ষাৰ ব্যৱস্থাবোৰ বৰ ভাল নাছিল, আমাৰ জনজাতীয় মানুহখিনিয়ে শিক্ষাৰ মূল্য বুজি পোৱা নাছিল। গতিকে বিটিচি চুক্তি হোৱাৰ পিছতহে তাত শিক্ষানুষ্ঠানবিলাক গঢ় লৈ উঠিছে। আজি সেই শিক্ষানুষ্ঠানবোৰৰ বহুত খিনি ভেঞ্চাৰ হিচাপেই চলি আছে। গতিকে আমি আমাৰ শিক্ষা বিভাগক অনুৰোধ কৰিম যে অন্তত: সেই ভেঞ্চাৰ স্কুলবোৰ provincialized কৰাৰ কাৰণে যি ব্যৱস্থা ল'ব লাগে, ইতিমধ্যে বিটিচি চৰকাৰৰ পৰা  এখন আইন পাছ কৰি পঠিওৱা হৈছে আৰু খুব সোনকালে সেইখন পাছ হ'ব বুলি আমি আশা কৰিছো। সোনকালে আমাৰ ৰাজ্য চৰকাৰে আমাৰ মহামান্য ৰাজ্যপালৰ approval লৈ সেইখন পাছ কৰি দিব তাৰেই আশা কৰিছো।  বিশেষভাৱে আমি আমাৰ জিলাবোৰত দেখিবলৈ পাইছো যে  যিবোৰ হাইস্কুল আছে তাত চাইন্স টিচাৰ নাই। বিশেষকৈ মই ওদালগুৰি জিলাৰ কথা ক'বলৈ বিচাৰিছো, তাত প্ৰায়বিলাক শিক্ষানুষ্ঠানত বিজ্ঞান শিক্ষক নাই। গতিকে সেই প্ৰয়োজনীয় বিজ্ঞান শিক্ষকখিনি আমাক দিব লাগে।  DIET Centre হৈছে কিন্তু তাত ডি.এল.এড

পাঠ্যক্ৰমৰ ব্যৱস্থা নাই, যাৰ কাৰণে মোৰ ওদালগুৰি সমষ্টিত যিসকলে শিক্ষকতা কৰিব বিচাৰে, TET পৰীক্ষা দিব বিচাৰে, তেওঁলোক মঙলদৈ লৈ যাবলগীয়া হয়। আজিকালি সাধাৰণ দুখীয়া মানুহৰ কাৰণে এই ২ বছৰীয়া ডি.এল.এড ক'ৰ্চ বাহিৰত থাকি পঢ়াটো কিমানদূৰ সম্ভৱ সেইটো যিজন ব্যক্তিয়ে পঢ়িবলৈ যায় তেওঁহে অনুভৱ কৰিব পাৰে। গতিকে ওদালগুৰিত থকা DIET Centre টোত ডি.এল.এডৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু এটা কথা আমি দেখিছো যে তাত যিহেতু বেছিভাগ ছাত্ৰ- ছাত্ৰীয়ে বড়ো মিডিয়ামত পঢ়া, সেয়ে তাত বড়ো ভাষাত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে আমাৰ চাহ বাগিচাবোৰত মডেল শিক্ষানুষ্ঠানৰ খুব সুন্দৰ বিল্ডিং বনোৱা হৈছে কিন্তু তাত সেইখন বিদ্যালয়ৰ কাৰণে কোনো পোষ্ট ক্ৰিয়েট কৰা হোৱা নাই। গতিকে তাত নতুন পদ সৃষ্টি কৰিবৰ কাৰণে মই অনুৰোধ কৰিম, কাৰণ আমি দেখিছো যে যি existing শিক্ষানুষ্ঠান আছে তাৰপৰা শিক্ষকসকলক মডেল শিক্ষানুষ্ঠানখনলৈ নিছে, গতিকে ২ খন স্কুলৰ ল'ৰা-ছোৱালীয়েই যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে । সেই স্কুলবিলাকত নতুন পদ সৃষ্টি কৰি শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি মোৰ ফালৰ পৰা অনুৰোধ কৰিছো আৰু বিশেষকৈ amalgamation সম্পৰ্কে ক'বলৈ বিচাৰিছো । বিশেষকৈ ট্ৰাইবেল এৰিয়াবিলাকৰ শিক্ষানুষ্ঠানবিলাকত যথেষ্ট ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আৰু সেই শিক্ষানুষ্ঠান বিলাক যদি আমি amalgamate কৰো তেন্তে ছাত্ৰ-ছাত্ৰীসকলে দুই-তিনি কিলোমিটাৰ দূৰৈত গৈ শিক্ষা গ্ৰহণ নকৰিব । সেয়েহে আমাৰ বি টি চি অঞ্চলসমূহক বিশেষকৈ consider কৰিব লাগে । যদিও 1:30 হয়, আমাৰ ট্ৰাইবেল অঞ্চলসমূহত এই অনুপাতটো কেতিয়াওঁ সম্ভৱ নহয়। গতিকে আমাক বিশেষকৈ consider কৰিব লাগে। আমাৰ অঞ্চলৰ স্কুলসমূহক যাতে amalgamate নকৰে তাৰ বাবে মই অনুৰোধ কৰিলো । আমাৰ বড়ো মাধ্যমৰ শিক্ষানুষ্ঠান সমূহত আৰু বেছিকৈ আন্ত:গাঁথনি নিৰ্মাণ কৰাৰ প্ৰয়োজন আছে। তাৰ বাবেও মই অনুৰোধ জনালো। বাকী কথাখিনি মোৰ সতীৰ্থ সকলে কৈছে । সেয়েহে মই আৰু দীঘলীয়াকৈ নকওঁ । মই এইখিনি বক্তব্যৰে বিৰোধী পক্ষৰ নেতাসকলে যি কৰ্তন প্ৰস্তাৱ

আনিছে, সেইটো উঠাই ল'বলৈ  অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ :** Thank You. Next Hon'ble Member is Tapan Das, from AGP. He is absent. Next Hon'ble Member Aminul Haque Laskar. Your time allocation is 4 mins.

**শ্রী আমিনুল হক লস্কর (হাইলাকান্দি ) :**  মাননীয় অধ্যক্ষ মহোদয়, বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা বিভাগের ২০২৬-২৭-এর মঞ্জুরি দাবির উপর কর্তন প্রস্তাবের পক্ষে দুই-একটা কথা বলার  সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাই। শুরুতে একটা বিষয় স্পষ্ট করে দিতে চাই। আমরা শিক্ষার অর্থ কমাতে চাই না, আমরা চাই শিক্ষার জন্য আরও বেশি অর্থ, আরও বেশি শিক্ষক, আরও বেশি দায়বদ্ধতা, আরও উন্নত ফলাফল। উপাধ্যক্ষ মহোদয়, আজকের এই কর্তন প্রস্তাব শিক্ষার বিরুদ্ধে নয়, এই কর্তন প্রস্তাব আসামের শিক্ষা ব্যবস্থার বিদ্যমান শিক্ষক সংকট, বিদ্যালয় ভিত্তিক বৈষম্য, উচ্চ ড্রপআউট হার, দুর্বল শিক্ষায়ণের ফলাফল এবং ঘোষণার তুলনায় ধীর বাস্তবায়নের বিরুদ্ধে।

উপাধ্যক্ষ মহোদয়, প্রাথমিক বিদ্যালয়ে যেখানে পাঁচটা ক্লাস আছে, যেমন ৩০ জন ছাত্রের অনুপাতে একজন শিক্ষকের কথা বলা হয়েছে  RTE অ্যাক্টে। কিন্তু একটা স্কুলের পাঁচটা ক্লাসে যদি ৩০ জন  ছাত্র থাকে এর মধ্যে যদি একজন শিক্ষক থাকেন, তাহলে পাঁচটা ক্লাসে ক্লাস নেওয়া সম্ভব নয়, উপাধ্যক্ষ মহোদয়। একটা ক্লাসে একজন শিক্ষক থাকবেন, চারটা ক্লাসে পড়াশোনা হবে না, ছাত্ররা চিৎকার করবে, সঙ্গে সঙ্গে আরেকটি  ক্লাসেও পড়া হবে না। অধ্যক্ষ মহোদয়, গ্রামীণ অঞ্চলে প্রাইমারি স্কুলে যেখানে ছাত্র আছে, শিক্ষক নাই। আর শহরকেন্দ্রিক স্কুলে যেখানে শিক্ষক আছেন, ছাত্র নাই। আমার সমষ্টি গ্রাম অঞ্চল এবং শহর অঞ্চলের মধ্যেই পড়ে। শিলচর কর্পোরেশনের আন্ডারে দুইটা ওয়ার্ড পড়ে,  দুইটা ওয়ার্ডের মধ্যে যেখানে প্রাইমারি স্কুল আছে, এখানে দেখা যায় ছাত্র সংখ্যা কম, শিক্ষকের সংখ্যা বেশি। আর গ্রামাঞ্চলে  ছাত্র আছে,

শিক্ষক নাই। জানি না কি কারণে সবসময় শহরকেন্দ্রিক হতে চান। এর কারণে গ্রামে-গঞ্জে প্রাইমারি স্কুলে যদি শিক্ষক কম থাকেন তাহলে পড়াশোনা হবে না। আপার প্রাইমারি স্কুলে বেশিরভাগ স্কুলের বিজ্ঞান শিক্ষক নাই। আপার প্রাইমারি স্কুলে যদি বিজ্ঞান শিক্ষক না থাকেন, তাহলে এই স্কুলের ছাত্ররা বিজ্ঞান শিক্ষা থেকে বঞ্চিত হবে। তারপর হাই স্কুলে আসার পর ছাত্রছাত্রীদের বিজ্ঞান শিক্ষা নিতে অসুবিধা হয়। বিভিন্ন হাই স্কুলে স্থায়ী প্রধান শিক্ষক নেই, আমার সমষ্টিতে অনেকটি হায়ার সেকেন্ডারি স্কুল আছে যেখানে স্থায়ী প্রিন্সিপাল নাই। উপাধ্যক্ষ মহোদয়, আমার সমষ্টিতে একটা মডেল রেসিডেন্সিয়াল স্কুল হয়েছিল। ২০১৮-১৯ এ সেংশন হয়েছিল, ২০২৪-২৫ এ কমপ্লিট হয়েছে। স্কুলের ইনফ্রাস্ট্রাকচার কমপ্লিট হয়েছে, সবকিছু কমপ্লিট কিন্তু টিচার রিক্রুটমেন্টের অভাবে আজ ক্লাস হচ্ছে না এই মডেল রেসিডেন্সিয়াল স্কুলে।

উপাধ্যক্ষ মহোদয়, আমি যখন বিধায়ক ছিলাম তখন ওই সময় আমার সমষ্টিতে একটি মডেল রেসিডেন্সিয়াল ওমেন কলেজ হয়েছিল। ২০২৫ এ পিডব্লিউডি হ্যান্ডওভার করেছে, ডেস্ক-বেঞ্চ কমপ্লিট হয়েছে, ল্যাবরেটরি কমপ্লিট হয়েছে, সবকিছু কমপ্লিট কিন্তু আজ পর্যন্ত টিচার রিক্রুটমেন্ট হচ্ছে না, এর জন্য ক্লাস হচ্ছে না। এইভাবে যদি শিক্ষার অবস্থা থাকে, তাহলে ছাত্র-ছাত্রীরা বঞ্চিত থাকবে। ২০২০ এ আমার সমষ্টিতে দুইটা আর্টস কলেজকে সায়েন্স স্ট্রিম দেওয়া হয়েছিল। সায়েন্স লাইব্রেরি করার জন্য ১০ লক্ষ টাকা দেওয়া হয়েছিল। কলেজ কর্তৃপক্ষ সায়েন্স ল্যাবরেটরি করেছে, কিন্তু আজ পর্যন্ত এই দুইটা সায়েন্স কলেজ, একটা মাধব চন্দ্র দাস কলেজ সোনাই-তে, আর একটা জনতা কলেজ কাবুগঞ্জে— এই দুইটা কলেজে এখনও পর্যন্ত কোনো টিচার রিক্রুটমেন্ট করা হয় নাই। এর জন্য দুইটাই সায়েন্স কলেজে ছাত্ররা সায়েন্সে পড়া থেকে বঞ্চিত হচ্ছে। উপাধ্যক্ষ মহোদয়, এখানে আমার মাননীয় বিধায়ক রিহন দৈমারি উনার বক্তব্যে, কর্তন প্রস্তাবের বিপক্ষে বলতে গিয়ে বলেছেন— বিভিন্ন ভেনচার স্কুলের কথা। ২০০৯ এ ডাইস কোড অ্যামেন্ডমেন্ট প্রথম বিল আনা হয়েছিল, ২০০৯ এর পর ডাইস কোডের উপরে কোনো

অ্যামেন্ডমেন্ট আসে নাই। অনেক শিক্ষক আছেন শিক্ষকতা চাকুরি করতে করতে  এইজ ওভার হয়েছে, অনেক শিক্ষক রিটায়ার্ড নেওয়ার সময় হয়েছে, তাদেরকে বঞ্চিত করা হয়েছে, অধ্যক্ষ মহোদয়। আমি আমার শিক্ষামন্ত্রীকে অনুরোধ করব ২০১৩-১৪ ডাইস ডাইস কোড মেনে  বঞ্চিত হওয়া শিক্ষকদের যাতে সুনির্দিষ্ট সুব্যবস্থা করা হয়। আমার আরও একটা অনুরোধ থাকবে, অধ্যক্ষ মহোদয়— এলপি স্কুলে যদি পড়াশোনা না হয়, তাহলে এমই স্কুলেও হবে না। আর এমই স্কুলে যখন হবে না, হাই স্কুলেও পড়াশোনা হবে না। যখন ম্যাট্রিকের রেজাল্ট আসে, তখন সরকারি হাই স্কুলের রেজাল্ট দেখে আমরা হতাশ হয়ে যাই, কারণ রেজাল্টের পার্সেন্টেজটা খুবই কম থাকে। এটার কারন হচ্ছে যে প্রথম সরকারি প্রাইমারি স্কুলে পড়া হচ্ছে না , সরকারি এমই স্কুলে বিজ্ঞান শিক্ষকের অভাব।  এর জন্য হাই স্কুলের রেজাল্ট  দেখে আমরা হতাশ হয়ে যাই। এর কারণটা এলপি স্কুলে, এমই স্কুলে পড়াশোনা ঠিকভাবে হচ্ছে না।

**মাননীয় উপাধ্যক্ষ( ড° হাব্বে টেৰণ) : "Thank you, please conclude."**

**শ্রী আমিনুল হক লস্কর (হাইলাকান্দি ) :** এক মিনিট, উপাধ্যক্ষ মহোদয়, আমার সমষ্টিতে একটি হাই স্কুল আছে, এই হাই স্কুলে একজন মাত্র বিজ্ঞান শিক্ষক। ওই একজন বিজ্ঞান শিক্ষক যার বিরুদ্ধে ছাত্র ছাত্রীর কোনো কমপ্লেন নাই, টিচারের কোনো কমপ্লেন নাই, অভিভাবকের কোনো কমপ্লেন নাই, এরপরেও ঐ একজন বিজ্ঞান শিক্ষককে ট্রান্সফার করা হয়েছে, উপাধ্যক্ষ মহোদয়। এতে  এই স্কুলের বিজ্ঞান শিক্ষার উপরে অনেক প্রভাব পড়বে। আমি অনুরোধ করব শিক্ষা বিভাগকে, যেখানে একজন শিক্ষক আছেন তাদেরকে ট্রান্সফার না করার জন্য। এই অনুরোধটা রেখেই আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ :** Thank You. Next Hon’ble Member Chakradhar Gogoi.

**শ্ৰী চক্ৰধৰ গগৈ (খোৱাং) মাননীয় বিধায়কঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ এই কৰ্তন প্ৰস্তাৱত আপুনি মোক দুআষাৰ ক'ব দিয়া কাৰণে আপোনাক ধন্যবাদ জনাইছোঁ। লগতে মই ঈশ্বৰক ধন্যবাদ জনাইছোঁ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ লগতে আমাৰ প্ৰাক্তন জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰিকা ডাঙৰীয়াকো মই ধন্যবাদ জনাইছোঁ। কাৰণ এই কেইগৰাকী ব্যক্তিৰ কাৰণেই আজিৰ দিনটোত মই এই সদনৰ মজিয়াত থাকিব পাইছোঁ। নহ'লে হয়তো মই ইমান সময় সদনৰ মজিয়াত নহয়, মই ঘৰতো থাকিবই নাপালোহেঁতেন। বানপানীত জুৰুলা হৈ থকা মানুহৰ লগত মই দৌৰি থাকিব লগীয়া হ'ল হয়। কিন্তু আজি মোৰ ওচৰৰ সমষ্টিত বানপানী হৈ আছে শিৱসাগৰ জিলাত, কিন্তু মোৰ সমষ্টি বা মোৰ ডিব্ৰুগড় জিলাত এইবাৰ বানপানী নাই। সেইকাৰণে মই ভাষণৰ আগতে মই মোৰ চৰকাৰখনৰ মুৰব্বী আৰু প্ৰাক্তন মন্ত্ৰীগৰাকীলৈ মোৰ ফালৰ পৰা ধন্যবাদ জনাইছোঁ। উপাধ্যক্ষ মহোদয়, যোৱা ১০ জুলাই তাৰিখে আমাৰ অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বাধীন এই চৰকাৰখনৰ যি বাজেট দাখিল কৰা হৈছিল, সেই বাজেটত মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতে শিক্ষা বিভাগৰ সৰ্বাঙ্গীন বিকাশ আৰু উন্নয়নৰ বাবে এক বিশেষ পুঁজি তেখেতে প্ৰাক্কলিত ব্যৱস্থাৰ মাজেৰে আমাক দেখুৱাইছিল আৰু আমি অৱগত হৈছিলোঁ। কিন্তু সেইসময়ত বাজেট আলোচনাত বিৰোধীসকলে আমাৰ বাজেটখনৰ ওপৰত বিভিন্ন কথাৰে তেখেতসকলে সমালোচনা কৰিলে। বহু কটু বাক্যও তেখেতসকলে নিক্ষেপ কৰিলে বাজেটখনৰ ওপৰত। আজিও তেখেতসকলে এই বাজেটখনৰেই এটা অংশ শিক্ষা বিভাগৰ যি বাজেট বা যিখিনি আৱন্টিত ধন, তাৰ ওপৰত তেওঁলোকে কৰ্তন প্ৰস্তাৱ আনি ক'ব খুজিছে যে এই গোটেই পইচাটো নাইকিয়া কৰি ১ টকালৈকে হ্ৰাস কৰিব লাগে। এইটো অতি হাস্যাকৰ আৰু অতি নিন্দনীয় কথা বুলিয়েই মই কৈছোঁ। কাৰণ যি সময়ত আমি শিক্ষা-দীক্ষাৰ সৰ্বাঙ্গীন বিকাশ আৰু উন্নয়ন বিচাৰিছোঁ, যি সময়ত আমি বিশ্ব সভ্যতাৰ, মানৱ সভ্যতাৰ সমান্তৰালভাৱে আমি আমাৰ অসমীয়া জাতিটোকো আগুৱাই নিয়াৰ সংকল্প

লৈছোঁ, সেই সময়ত বিৰোধীয়ে কয় যে শিক্ষা বিভাগত পইচা দিব নালাগে, মাত্ৰ ১ টকা পইচা দিব লাগে। মই ভাবোঁ এইটো কেৱল বিৰোধিতাৰ নামত বিৰোধিতা। তাৰবাহিৰে ইয়াত কিবা ৰাজনৈতিক গুৰুত্ব আছে বুলি মই নাভাবোঁ। সেইকাৰণে মই ভাষণৰ আৰম্ভণিতেই বিৰোধীৰ সমূহ সদস্যক এই আমাৰ যি বাজেট প্ৰস্তাৱ, এই প্ৰস্তাৱক সমৰ্থন কৰিবৰ বাবেই মই আহ্বান জনাইছোঁ। লগতে পাৰিলে আপোনালোকে দাবী কৰক যে আৰু অধিক ধন দিব লাগে। আমি শাসকীয় দলৰ মানুহে বেছিকৈ দাবী কৰিবলৈ বেয়া, কিন্তু আপোনালোকে দাবী কৰক যে ইমান পইচা নহয়, আৰু পইচা দিয়ক। এইটোহে আপোনালোকে দাবী কৰিব লাগে। মই এই কথাটো আপোনালোকলৈ আহ্বান জনাইছোঁ। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে সমালোচনা কৰি থকাৰ দৰে মই তেখেতসকলক অনুৰোধ জনাইছোঁ কথাটো তেনে ধৰণে নল'বৰ বাবে। কাৰণ বাজেটখন কেৱল এটা সংখ্যাৰ সমাহাৰ নহয়। এই বাজেট, এইটো এটা সংখ্যাৰ খেল নহয় কেৱল লাখ কোটি টকাৰ হিচাপৰ। বৰঞ্চ এই ৩ কোটি ৫০ লাখ অসমবাসী মানুহৰ, অসমীয়াৰ এই সপোন আৰু সংকল্পৰ দলিল এখন। আমাৰ যি সপোন আছে, আমাৰ যি সংকল্প আছে, ইয়াক সিদ্ধি কৰিবৰ কাৰণে ইয়াক আমি দলিল হিচাপে গ্ৰহণ কৰিছোঁ। গতিকে এইটো কেতিয়াও সংখ্যাৰ খেল হ'ব নোৱাৰে।

এই কাৰণে মই এটা কথা মনত পেলাব খুজিছোঁ আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি Barack Obama ই এটা কথা কৈছিল বাজেট সম্পৰ্কত। তেখেতে কৈছিল যে, "The budget is not just a collection of numbers. It is a reflection of our values and aspirations." গতিকে এইটো কেৱল সংখ্যাৰ এটা সমাহাৰ নহয়। আমাৰ লক্ষ্য, উদ্দেশ্য আৰু আমাৰ আশা-আকাংক্ষাৰ এটা জীৱন্ত দলিল। গতিকে আমি এইখিনিক আগুৱাই লৈ যাব লাগিব আৰু তাৰ কাৰণে আমাৰ যথেষ্ট বাজেটৰ প্ৰয়োজন আছে, যিখিনি ইতিমধ্যে বাজেটত তাৰ ব্যৱস্থা ৰাখিছে। গতিকে বিৰোধীসকলে মাননীয় সদস্যসকলে বিৰোধৰ নামত বিৰোধ নকৰি এই বাজেটৰ শিক্ষা খণ্ডত নিৰ্দিষ্ট কৰা যি ধনৰাশি, ইয়াক বৃদ্ধিৰ বাবে আপোনালোকে আহ্বান জনাব লাগে। আমাৰ বাজেটৰ এই যি প্ৰস্তাৱ কৰ্তন প্ৰস্তাৱ

আপোনালোকে উঠাই লৈ তাক সমৰ্থন কৰিব লাগে, এয়া মোৰ আহ্বান। কাৰণ আমি শিক্ষা খণ্ডত প্ৰগতি বিচাৰো, আমি উন্নয়ন বিচাৰো। আমি নিশ্চয় নিবিচাৰো যে আমাৰ গাঁৱত থকা, আমাৰ চাহ বাগিচাত থকা বিদ্যালয় বিলাক জহি-খহি যোৱা অৱস্থাত থাকক। আমি এইটো নিবিচাৰো যে আমাৰ বিদ্যালয়ৰ সেই বাগিচাত থকা ছাত্ৰ-ছাত্ৰীসকলে, গাঁৱৰ নিচলা কৃষক পিতৃ-মাতৃৰ সেই সন্তানসকলে কোনোবা এখন বিদ্যালয়লৈ গৈ তাত ঢাৰি-ঢকুৰা পাৰি বহক, এটো আমি নিবিচাৰো। আমি বিচাৰো তেওঁলোকে এখন উন্নত স্কুলৰ মজিয়াত বহক। তেওঁলোকে ধুনীয়া bench desk অত পঢ়ক। তেওঁলোকে smart board ত শিক্ষা লওক। তেওঁলোকে smart computer দেখক, smart TV দেখক, TV ত তেওঁলোকৰ শিক্ষা ব্যৱস্থা আজিকালি কৰা হৈছে। এই বিলাক ক'ৰ পৰা আহিব যদিহে বাজেটত ধন ধৰা নাযায়? গতিকে আমাক সেইবিলাক লাগিব। আমাক স্কুলত laboratory লাগিব। Laboratory বনাবৰ কাৰণে পইচা লাগিব। আজি আপোনালোকক ক'বলৈ পাই মই গৌৰৱ বোধ কৰিছো যে আপোনালোকৰ যেতিয়া চৰকাৰ আছিল, উপাধ্যক্ষ মহোদয়, কংগ্ৰেছৰ যেতিয়া চৰকাৰ আছিল, তেতিয়া গাঁৱে-গাঁৱে থকা স্কুলবিলাক অতি দুখ লগা, জৰাজীৰ্ণ অৱস্থাত আছিল। বাগিচাত তেখেতলোকে স্কুল বনোৱা নাছিল, বাগিচাত বাগিচা কতৃপক্ষই স্কুল বনাই দিছিল। কিন্তু এতিয়া আপোনালোকে যাওক বাগিচা বিলাকত, আমাৰ চৰকাৰ নেতৃত্বত স্কুল বনোৱা হৈছে। নতুন নতুনকৈ ACR class বনাই দিয়া হৈছে, additional classroom দিয়া হৈছে, ইভেন DCR ও দিয়া হৈছে, double classroom। ধুনীয়া ধুনীয়া bench-desk প্ৰদান কৰা হৈছে যাতে ল'ৰা-ছোৱালীবিলাকে ভালকৈ পঢ়া-শুনা কৰক। এই ব্যৱস্থা আজি কাৰ দিনত কৰা হৈছে? তেওঁলোকৰ দিনত এই বিলাক কৰাটো সম্ভৱ নহ'ল। আমাৰ দিনত আমি যেতিয়া কৰিবলৈ গৈ আছো, তেখেতলোকে প্ৰস্তাৱ কৰে যে বাজেটৰ ধন কৰ্তন কৰিব লাগে? এইটো অতি দুখ লগা কথা। গতিকে আমি বিচাৰো যে আমাৰ গাঁওবিলাকত থকা হাইস্কুলবিলাক আজি হায়াৰ ছেকেণ্ডাৰী হৈছে, এইটো আমি বিচাৰো। হায়াৰ ছেকেণ্ডাৰীবিলাক গৈ যদি কলেজ হয়, মই এইটোও বিচাৰো।

কাৰণ আমি বহুত টকা-পইচা খৰচ কৰি দূৰ-দূৰণিলৈ ল'ৰা-ছোৱালী লৈ যোৱাটো সম্ভৱ নহয়, তাত ৰাখিবলৈও দিগদাৰ হয়, টকা-পইচা খৰচ হয়, আমাৰ কৃষক-শ্ৰমিকসকলে এইটো বহন কৰিব নোৱাৰে। গতিকে আমি বিচাৰো যে আমাৰ গাঁও অঞ্চলত দুই-এখন নতুনকৈ কলেজো নিৰ্মাণ হ'ব লাগে। মই আজি ক'বলৈ পাই গৌৰৱ বোধ কৰিছো যে যোৱা ১০ বছৰত মোৰ সমষ্টিৰ প্ৰায় ৯ খন হাইস্কুল হায়াৰ ছেকেণ্ডাৰীলৈ উন্নীত কৰা হৈছে আৰু তাত ইমান ধুনীয়াকৈ ল'ৰা-ছোৱালী পাছ কৰিছে, ৯৯ শতাংশ, ১০০ শতাংশ পৰ্য্যন্তলৈ পাছ কৰিছে, যিটো আমাৰ কাৰণে গৌৰৱৰ কথা। আজি যদি হায়াৰ ছেকেণ্ডাৰী তাত কৰা নহ'লহেঁতেন, আজি সেইবিলাক ল'ৰা-ছোৱালী হয়তো কোনোবাই পঢ়িবলৈ সাহস কৰিব নোৱাৰিলেহেঁতেন। কাৰণ তেওঁলোকৰ গাত মেধা শক্তি আছে, কিন্তু মা-দেউতাকৰ ধনৰ শক্তি নাই, যাৰ কাৰণে তেওঁলোকে দূৰলৈ পঠিয়াব নোৱাৰে। আজি ল'ৰা-ছোৱালীয়ে গাঁৱত স্কুল পঢ়িবলৈ পাই ভালকৈ পঢ়া-শুনা কৰিছে আৰু তেওঁলোকে শিক্ষা-দীক্ষাত আগুৱাই গৈছে, আমি সেইটো বিচাৰো। বাগিচা অঞ্চলত ইতিমধ্যে আদৰ্শ স্কুল স্থাপন কৰি এইখন চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই, মাননীয় শিক্ষামন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াই আজি ইতিহাসত তেওঁলোকৰ নাম লিখি গৈছে। বাগিচাত দেখিছো আমি যে model school বিলাকত যিমানবোৰ teacher নিয়োগ কৰা হৈছে, আটাইবোৰ Master degree, ইভেন অকল graduate নহয়, post-graduate। ভাল ভাল teacher নিয়োগ দিয়া হৈছে, যাতে বাগিচাৰ ল'ৰা-ছোৱালীবিলাকে ভাল শিক্ষা পায়, শ্ৰমিকৰ সন্তানেও যাতে কলেজৰ professor হ'ব পাৰে, IAS হ'ব পাৰে, ACS হ'ব পাৰে, তাৰ কাৰণে বাগিচাৰ শ্ৰমিকৰ সন্তানক ভাল শিক্ষা দিয়াৰ ব্যৱস্থা এইখন বিজেপি নেতৃত্বাধীন চৰকাৰৰ দিনত কৰা হৈছে। বেলেগ চৰকাৰৰ দিনত এইটো সম্ভৱ নহল। গতিকে এই প্ৰগতিৰ যাত্ৰাত আমি অসমখনক আগুৱাই নিব লাগিব আৰু এই প্ৰগতিৰ যাত্ৰাত আমি আমাৰ ৰাজ্যখনক আমি আগুৱাই নিব লাগিব। এই কথাৰ প্ৰসংগত মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি এটা কথা মাত্ৰ সোধিব খুজিছো, শিক্ষামন্ত্ৰী ডাঙৰীয়াকো আহ্বান জনাব বিচাৰিছো যে আমি বাজেটৰ ধন

যিহেতু লোৱা হৈছে গতিকে অনাগত দিনত আমাৰ যি বিলাক বিদ্যালয় নীতিগত ভাৱে Provincialisation কৰাৰ আওঁতাৰ ভিতৰত আছে তেওঁলোকক পাৰিলে Provincialisation ৰ ব্যৱস্থা কৰিব লাগে। কিছুমান স্কুল-কলেজত দ্রপ শিক্ষক থাকি গ'ল তেওঁলোকো যদি আওঁতাৰ ভিতৰত আছে সেই দ্রপ শিক্ষক বিলাককো চৰকাৰী স্থায়ী চাকৰিয়াল কৰিব লাগে । মোৰ খোৱাং কলেজত কেইবাগৰাকী শিক্ষক ৰৈ গ'ল তেওঁলোকে বহুত দিন শিক্ষকতা কৰি আছে আজিলৈকে চাকৰি হোৱা নাই৷ গতিকে তেখেত লোকক নীতি নিয়মেৰে মাজেৰে গৈ দিয়াৰ ব্যৱস্থা কৰিলে তেখেত সকল উপকৃত হ'ব। গতিকে এই যিখিনি দ্রপ শিক্ষক আছে তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ যিখিনি Non-Provincialisation Venture School বিলাকক সময় সাপেক্ষে নিয়ম অনুসৰি চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে । লগতে মই মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াক মাজে মাজে লগ ধৰোতে আমাৰ আমাৰ খোৱাং সমষ্টিৰ ৰাইজেও তেখেতক কৈছিল। খোৱাওঁত এখন আদৰ্শ কলেজ লাগে। মোৰ সমষ্টিত প্রায় দুই-তিনি কিলোমিটাৰৰ ভিতৰত দুখন কলেজ ওচৰাওচৰিকৈ আছে। মোৰ প্রায় ৭৫ কিলোমিটাৰ দীঘল সমষ্টিটোত লৰোৱা আৰু বৰবৰোৱা এলেকাত এখন কলেজৰ প্রয়োজন আছে। গতিকে বিজ্ঞান বাণিজ্য আৰু কলা শাখা, তিনিওটা শাখা থকা এখন আদৰ্শ মহাবিদ্যালয় বিচাৰো। মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াও ৰাইজক কথা দিছিল। গতিকে অনাগত দিনত সেইখনোও প্রতিষ্ঠা কৰিলে নিশ্চয় মোৰ খোৱাং সমষ্টিবাসি ৰাইজ উপকৃত হ'ব। গতিকে মই এইখিনি কথা আহ্বান জনাইছো। সমগ্র অসমৰ শৈক্ষিক ব্যৱস্থাৰ উন্নয়নৰ বাবে এই বাজেটৰ ধনৰ প্রয়োজন আছে । গতিকে বিৰোধীসকলকো আহ্বান জনাইছো যে, ইয়াকে আপোনালোকে সমৰ্থন কৰক। সদৌ শেষত মই সনাতন সভ্যতাৰ বিদ্বান পণ্ডিত, সংস্কৃত পণ্ডিতসকলে কোৱা এষাৰি বাক্যৰে, এটি শ্লোকেৰে মই মোৰ বক্তব্য সামৰিব খুজিছো। এই পণ্ডিতসকলে কৈছিল, "অন্নদানং মহাদানং বিদ্যাদানমতঃ পৰম্। অন্নেন ক্ষণিকা তৃপ্তিঃ যাবজ্জীৱনেঞ্চ বিদ্যায়া"।

অৰ্থাৎ, অন্নদান মহান দান। কিন্তু অন্নৰ সেই ভোক, মোক যদি কোনোবাই ভাত খুৱাই দিলে মোৰ ভোকটো বেছি দেৰিলৈকে নাথাকে। মানে মোৰ ভোক আকৌ লাগিব । বিদ্যাদান কিন্তু পৰম বুলি কৈছে, সৰ্বোচ্চ। অন্নেন ক্ষণিকা তৃপ্তিঃ আমি খানা বা ভাত খাওঁ, এবেলা এদিনৰ কাৰণে। কিন্তু বিদ্যা যেতিয়া আমি গ্ৰহণ কৰো, তাক গোটেই জীৱনৰ বাবে গ্ৰহণ কৰো। সেয়েহে বিদ্যাৰ ক্ষেত্ৰত এইখন চৰকাৰে মাননীয় মূৰব্বী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া চৰকাৰে যি উদ্যোগ লৈছে, ডাঃ ৰণোজ পেগু ডাঙৰীয়াকো মই ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Next, Hon’ble Member is Shri Dipak Kumar Das from AGP. Your time is only for 15 minutes.

**শ্ৰী দীপক কুমাৰ দাস, ( বৰপেটা)** ঃ মাননীয় উপাধক্ষ্য ডাঙৰীয়া আপোনাৰ আদেশ অনুযায়ী মই মোৰ বক্তব্য আৰম্ভ কৰিছো। আজি সদনৰ বিষয়বস্তু হৈছে Cut motion. Cut motion আজি এই সদনত প্ৰস্তাৱ ৰাখিছে বিৰোধী পক্ষই, বিশেষকৈ বিদ্যালয় শিক্ষা দাবী নম্বৰ ৩১ আৰু উচ্চ শিক্ষা দাবী নম্বৰ ২৬ ৰ ওপৰত। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এওঁলোকৰ Cut motion ৰ ওপৰত কোনো ধৰণৰ বস্তুনিষ্ঠ আৰু যুক্তিপূৰ্ণ তথ্য নাই। আজি সেয়েহে মই তেওঁলোকৰ এই Cut motion মই বিৰুদ্ধা চৰণ কৰিছো আৰু তাৰ পৰিৱৰ্তে মই কৰ্তনৰ ঠাইত মই বৰ্ধন অথবা এই দাবী মঞ্জুৰি আজিৰ সদনে উপযুক্তভাৱে মান্যতা দি ইয়াক গ্ৰহণ কৰিব লাগে বুলি মোৰ বক্তব্যৰ প্ৰাৰম্ভণিতে মই ব্যক্ত কৰিছো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, শিক্ষা হ'ল এখন ৰাষ্ট্ৰৰ, এখন ৰাজ্যৰ, এখন দেশৰ মেৰুদণ্ড স্বৰূপ। যি শিক্ষাই মানৱ সম্পদ গঢ়ি তোলে, যি শিক্ষাই পৃথিৱী পোহৰায় আৰু এই শিক্ষাৰ বিষয়ে আমি আলোচনা কৰি আছো। এই শিক্ষা য'ত বৰ্ধন কৰিব লাগে, আমাৰ আজি বিষয় আহিছে কৰ্তন। বৰ দুখ পাইছো। সেয়েহে মই বিৰোধীসকলকো অনুৰোধ কৰিছো যে আপোনালোকেও আমাৰ সুৰতে সুৰ মিলাওক যে কৰ্তন নহয়, বৰ্ধন হ'ব লাগে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আজি অসমত শিক্ষাৰ এক নতুন দিগন্তৰ সূচনা হৈছে, এক ৰূপান্তৰ আৰম্ভ হৈছে।

ৰূপান্তৰহে জগত ধুনীয়া কৰে, কাৰণ আপোনালোকে আটায়ে জানে যে সময় কেতিয়াও স্থিতাৱস্থাৰ বন্দী নহয়, সময় গতিশীল। এই দুৰ্ভেদ্য গতিশীলতাৰ মাজত সময়েই সৃষ্টি কৰে এক নতুন, এক দিগন্ত আৰু সেই দিগন্তই হ'ল আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শিক্ষানীতি।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ এই শিক্ষা ব্যৱস্থাত কি আছে? আৰু কিয় আমি এই শিক্ষা ব্যৱস্থা এক আমূল পৰিৱৰ্তনৰ মাজেৰে আনিব বিচাৰিছো? কাৰণ আমি মানৱ গঢ়াৰ বাবে, আমি ৰূপান্তৰ কৰাৰ বাবে। কাৰণ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিচাৰিছে এই শিক্ষা ব্যৱস্থাৰ জৰিয়তে জ্ঞানৰ লগতে নৈতিকতা, শৃংখলা আৰু দায়িত্ববোধৰ জ্ঞান দিয়া, শিক্ষাৰ্থীক যুক্তিবাদী, বিজ্ঞানমনস্ক আৰু সৃষ্টিশীল কৰি গঢ়ি তোলা, সমাজ, দেশ আৰু মানবতাৰ প্ৰতি কৰ্তব্যবোধ জগাই তোলা, দক্ষতা, উদ্ভাৱনী শক্তি আৰু আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰা, সকলো শিশুকে লিংগ, জাতি, ধৰ্ম, ভাষা বা আৰ্থিক অৱস্থা নিৰ্বিশেষে সমান সুযোগ প্ৰদান কৰা, ভাৰতীয় সংস্কৃতি, সাংবিধানিক মূল্যবোধ আৰু স্থানীয় ঐতিহ্যৰ সৈতে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ সমন্বয় ঘটোৱা, পৰিৱেশ সংৰক্ষণ, সামাজিক সম্প্ৰীতি আৰু গণতান্ত্ৰীক প্ৰমূল্যবোধৰ শিক্ষা দিয়া। এয়া হ'ল মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শিক্ষানীতিৰ মূল বিষয়বস্তু, সমগ্ৰভাৱে মই ক'লো মাননীয় ডাঙৰীয়া। জাতি এটা, দেশ এখন অথবা ৰাষ্ট্ৰ এখন গঢ়িব লাগিলে আমাক মানৱ সম্পদ লাগিব। তাৰ বাবে আমাৰ এইখন বাজেটত কৈছে উন্নয়নৰ ভগীৰথী যাত্ৰা কথা। এই ভগীৰথ মানে কি? ভগীৰথ এনেকুৱা এগৰাকী বৈদিক যুগৰ দিব্য পুৰুষ আছিল, যোনে তেওঁৰ জ্ঞানৰ দ্বাৰা তেওঁৰ পিতৃ-মাতৃসকলৰ উন্নতি সাধন কৰি গৈছিল। সেই ভগীৰথী যাত্ৰা হ'ল আমাৰ উন্নয়নৰ গংগাৰ যাত্ৰা। এই উন্নয়নৰ গংগা যাত্ৰা হ'ল শিক্ষা, শক্তি, স্বাস্থ্য সকলোতে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে। আজি চাওক, উচ্চ শিক্ষাৰ ক্ষেত্ৰতে আমাৰ প্ৰতিখন জিলাত বিশ্ববিদ্যালয়, Engineering college, ITI হোৱাৰ প্ৰস্তাৱ ৰাখিছে। যিসকল বিৰোধী আজি ইয়াত উপস্থিত আছে, তেওঁলোকৰ দিনত কেইখন বিশ্ববিদ্যালয় আছিল?

খুব বেছি তিনিখন আছিল। আজি কিমানখন আছে? তেওঁলোকক মই এই অংকটো কৰিবলৈ দিছো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আজি শিক্ষা ব্যৱস্থাৰ, যি শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত, যি ধৰণে এইখন চৰকাৰে প্ৰত্যাহ্বান সন্মুখত লৈ আজি শিক্ষক নিৰ্বাচন কৰিছে, তাৰ বাবে শিক্ষা ব্যৱস্থাত এক আমূল পৰিৱৰ্তন আহিছে। আজি প্ৰত্যেকখন LP স্কুলত শিক্ষক বিলাকৰ মিনিমাম qualification হ'ল B.Sc, B.Ed, M.Sc, M.Ed বা BA, B.Ed । আগৰ শিক্ষা ব্যৱস্থা কি আছিল? আমাৰ এগৰাকী মাননীয় সদস্যই কৈ গৈছে যে muscle man ৰ দ্বাৰা শিক্ষা ব্যৱস্থাটো চলিছিল। মোৰ বন্ধু, মোৰ ভাইটি সদৃশ, তেওঁ যেতিয়া higher secondary পাছ কৰিছিল, তেখেতক দেউতাকে এটা ছাগলী বিক্ৰী কৰি আমাৰ সদস্য শ্ৰী জীৱেশক এখন চাইকেল কিনি দিছিল। আজি সেই পৰিৱেশ নাই। আজি নিযুত মইনা, বাবু আঁচনি আৰু বিভিন্ন ধৰণৰ আঁচনিৰ মাজেৰে শিক্ষা ব্যৱস্থা আগবাঢ়ি গৈছে। আমাৰ মাননীয় সদস্য শ্ৰী উৎপল বৰা ডাঙৰীয়াই বৰ সুন্দৰ কথা কৈছে । মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, Nelson Mandela য়ে শিক্ষা সম্পৰ্কত এষাৰ কথা কৈছিল । মই তেখেতক support দিছো । তেখেতে কৈছিল যে Education is the most powerful weapon which you can use to change the world. Nelson Mandela য়ে বৰ্ণ বৈষম্যৰ বিৰুদ্ধে যুদ্ধ কৰি ২০ বছৰ পৰ্যন্ত জেলত আছিল আৰু এইষাৰ কথা তেওঁ শিক্ষাৰ ওপৰত কৈছিল । শিক্ষা হ'ল জ্ঞান, শিক্ষাই জ্ঞানৰ সৃষ্টি কৰে আৰু এই জ্ঞানেই জগত পোহৰায়। আজি মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যি শিক্ষা ব্যৱস্থা, এই শিক্ষা ব্যৱস্থাৰ ওপৰত আমি ক'ৰ পৰা আৰম্ভ কৰিম? আপোনালোকে চাওকচোন ভাবি, শ্ৰেণীকোঠাৰ পৰা আৰম্ভ কৰিবনে, ছাত্ৰ-ছাত্ৰীসকলৰ পুষ্টিকৰ খাদ্যৰ কথা, নে তেওঁলোকৰ nutrition ৰ ওপৰত আৰম্ভ কৰিব? নাইবা আপোনালোকে digital school ৰ প্ৰতি চিন্তা কৰিব, নে ক'ৰ পৰা আপোনালোকে আৰম্ভ কৰিব? কাৰণ কথাটো হ'ল যে আমাৰ শিক্ষা ব্যৱস্থাক, কিহৰ কাৰণে টকা-পইচা খিনি লাগে? টকাখিনি উপযুক্ত manpower সৃষ্টি কৰাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বাজেটত ধন আবণ্টন কৰিছে। এই কথাটোৰেই হ'ল যে,

চৰকাৰে ৰাজ্যজুৰি নতুন বিদ্যালয় ভৱন, জীৰ্ণ বিদ্যালয় মেৰামতি, বিজ্ঞানাগাৰ, গ্ৰন্থাগাৰ, শৌচাগাৰ, বিশুদ্ধ খোৱাপানী, smart class ৰ সুবিধা সম্প্ৰসাৰণ কৰি আছে। ইয়াৰ উপৰিও, আজি আপোনালোকে চাব যে শিক্ষকৰ খালী থকা পদসমূহ ধাপে ধাপে পূৰণ কৰা হৈছে। শিক্ষক নিয়োগ ব্যৱস্থাত স্বচ্ছতা, মেধাৰ ভিত্তিত নিযুক্তি অনুসৰণ কৰা হৈছে, শিক্ষকসকলৰ দক্ষতা বৃদ্ধি কৰা হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰতো চৰকাৰে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, কাৰিকৰী শিক্ষাৰ উন্নয়নত বিশেষ গুৰুত্ব দিছে। নতুন পাঠ্যক্ৰম, গৱেষণা, দক্ষতা, ৰাষ্ট্ৰীয় শিক্ষানীতি সফল ৰূপায়ণৰ দিশত আমাৰ এইখন চৰকাৰৰ কাম চলি আছে। বিশেষকৈ পিছপৰা চাহ জনগোষ্ঠী, অনুসূচিত জাতি, অনুসূচিত জনজাতি, OBC আৰু সংখ্যালঘু সম্প্ৰদায়ৰ শিক্ষাৰ্থীৰ বাবে বৃত্তি, বিনামূলীয়া পাঠ্যপুথি, uniform আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰি শিক্ষাত সমান সুযোগ নিশ্চিত কৰাৰ চেষ্টা চলিছে। গতিকে এইবোৰ কাম কৰাৰ কাৰণে, মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ধনৰ প্ৰয়োজন। ধন লাগিব আৰু এই ধনে আমাৰ মানৱ সম্পদ গঢ়িব। এই ধন কৰ্তন নহয়, বৰ্ধন আৰু মই বিৰোধীসকলক আহ্বান জনাম, আপোনালোক আহক, আমি সুস্থিৰ শিক্ষানীতিৰ স্বাৰ্থত, এক বিদ্যাৰ্থীনিক পৰিৱেশ গঢ়াৰ স্বাৰ্থত যাতে আমি একেলগ হওঁ। আপোনালোকে কৈয়েই আছে যে মোৰ স্কুলত, মোৰ সমষ্টিত বিশ্ববিদ্যালয় এখন নাই, মোৰ চৰ অঞ্চলত এইটো বা সেইটো নাই বুলি। আপোনালোকে তাৰমানে কি বিচাৰে? বৰ্ধন । কৰ্তন নিবিচাৰে। গতিকে আপোনালোকে পৰস্পৰ বিৰোধিতা কৰিছে। গতিকে আপোনালোকৰ কথাটো হ'ল যে আপোনালোকে প্ৰত্যেকেই বিচাৰে বৰ্ধন। আহক, আপোনালোকেও প্ৰস্তাৱ দিয়ক, যি প্ৰস্তাৱৰ দ্বাৰাই আমাৰ সুন্দৰ এখন সমাজ ব্যৱস্থা সৃষ্টি কৰিব পাৰো, সুন্দৰকৈ আমি এখন সুন্দৰ সমাজ, যি সুন্দৰ সমাজ মাননীয় মুখ্যমন্ত্ৰী মহোদয় ডঃ হিমন্ত বিশ্ব শৰ্মাই **,** যি সমাজৰ সপোন মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই দেখিছে । সেই সুন্দৰ সমাজৰ সপোন হয়তো আপোনালোকেও দেখিছে । কিন্তু আপোনালোকে পূৰ্ণ প্ৰকাশ কৰি কথাবোৰ ক'ব পৰা নাই । আপোনালোকে আহক**,** আমাৰ প্ৰস্তাৱৰ ওপৰত সমৰ্থন দিয়ক । তাৰ ওপৰিও

এটা কথা কৈছো অধ্যক্ষ মহোদয়, মোৰ বৰপেটা সমষ্টি ২০ বছৰ পিছুৱাই আছে । অধ্যক্ষ মহোদয় মাননীয় মুখ্যমন্ত্ৰী মহোদয় যেতিয়া সৰ্থেবাৰীলৈ গৈছিল – তাত বাপুজী কলেজ এখন পুৰনি কলেজ – তাত **Science Stream** কৰাৰ বাবে তেখেতে ঘোষণা কৰিছিল। মই আজি সদনত কৈছো, এই কাৰণেও টকা পইচা লাগে। আজি বৰপেটা ল' কলেজত গোটেই পশ্চিম অঞ্চলৰ ল'ৰা-ছোৱালী তাত পঢ়ে- ইন্টিগ্ৰেটেড ল' কলেজ আছে। এই কলেজত চৰকাৰে শেহতীয়া গ্ৰান্ট দিয়া নাই। **Infrastructure** ৰ কাৰণে মই অনুৰোধ কৰিম যে প্ৰতিখন ল' কলেজতে টকা দিব লাগে আৰু বছৰি একোটাকৈ গ্ৰান্ট দিব লাগে। কাৰণ মই কৰ্ত্তণৰ বিৰুদ্ধে, মই বৰ্দ্ধনৰ সপক্ষে। এতিয়া কথাটো হ'ল যে, বৰপেটা ল'-কলেজখনক যদি গ্ৰান্ট দিব বিচাৰে , ইতিমধ্যে সকলোধৰণৰ **UGC** সকলো নৰ্মচখিনি তেওঁলোকে পাইছে। গতিকে গ্ৰান্ট দিলে আমাৰ এই **Law College** খন পশ্চিম অঞ্চলৰ এখন মৰ্য্দাপূৰ্ণ **Law College** হিচাপে প্ৰতিষ্ঠিত হ'ব। বৰপেটা জিলাত বিশ্ববিদ্যালয় নাই। যিহেতু প্ৰতিখন জিলাতে বিশ্ববিদ্যালয় দিব আমি আশা ৰাখিছো বৰপেটাতো বিশ্ববিদ্যালয় আমি পাম , এখন ইঞ্জিনিয়াৰিং আৰু এখন আই টি আই পাম। আমাক এইখিনি লাগে কাৰণ এতিয়া আমাৰ ল'ৰা –ছোৱালীয়ে বাহিৰত পঢ়িবলৈ গৈ আছে। অধ্যক্ষ মহোদয়, আমাৰ যদি ইনফ্ৰাষ্ট্ৰাকচাৰ থাকে , সুন্দৰ এটা ব্যৱস্থা থাকে , আন্তৰাষ্ট্ৰীয় মানদণ্ডৰ শিক্ষানুষ্ঠান থাকে – ইয়াতে আমাৰ ল'ৰা-ছোৱালী পঢ়িব, বাহিৰত কিয় যাব। সেয়েহে কত্তণ নহয়, আমাক বৰ্দ্ধন লাগে। আজি বাজেটত যি ধন ৰাশি ৰখা হৈছে , মই এগৰাকী বিধায়ক হিচাপে পুনৰবাৰ কওঁ ই উপযুক্ত হৈছে পাৰিলে বঢ়াব লাগে আৰু কৰ্ত্তণ প্ৰস্তাৱটো আমি নসাৎ কৰিব লাগে। আজি যিসকল সন্মানীয় বিধায়ক আছে তেখেতসকলে বিভিন্ন কথা কৈছে- এমালগেমেশ্যনৰ কথা কৈছে। কিন্তু যিখন স্কুলত ৩ টা মাত্ৰ ষ্টুডেন্ট থাকে , ১২ টা ষ্টুডেন্ট থাকে – সেইখন স্কুল কি তেনেকৈ চলি থাকিব নেকি ? গতিকে এমালগেশ্যনটো কৰিব লাগিব। এমালগেশ্যন যিটো নীতি সুস্থ এক বিদ্যায়তনিক নীতি , সুস্থ এক শিক্ষা নীতি গতিকে এই সুস্থ নীতিক আপোনালোকে মনেপ্ৰানে চাৰ্পোট দিব লাগে।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নীতিৰ প্ৰতি সমৰ্থন জনাব লাগে। এক সুন্দৰ বিদ্যায়তনিক পৰিবেশ গঢ় দিয়াৰ কাৰণে আমাৰ স্কুল গঢ়িব বিচাৰিছে , ইয়াত আপোনালোকে আপত্তি কৰিব নালাগে । সুস্থ বিদ্যায়তনিক নীতি বাহাল ৰাখিব বাবে যি ধন বিচৰা হৈছে এই প্ৰস্তাৱ বাহাল থাকিব লাগে আৰু বিৰোধীয়ে অনা কৰ্ত্তণ প্ৰস্তাৱ নসাৎ কৰিব লাগে। এইখিনি কৈ মই সামৰিছো , ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ Thank you, next is Sri Rupam Roy from BPF - time 6 Minute.

**শ্ৰীৰূপম ৰয়, (বাওখুংগ্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধীয়ে শিক্ষা ব্যৱস্থাৰ ওপৰত যি কৰ্ত্তণ প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই দুই আষাৰ ক'ব বিচাৰিছো। আমি সকলোৱে জানো যে, শিক্ষা হৈছে এটা জাতিৰ ভৱিষ্যত এনে এটা পবিত্ৰ আৰু স্পৰ্শকাতৰ বিষয়ৰ ওপৰত কৰ্ত্তণ প্ৰস্তাৱ অনাটো সচাঁকৈয়ে দূৰ্ভাগ্যজনক। চৰকাৰৰ বিৰোধিতা কৰাৰ নামত বাজেটত শিক্ষাৰ ওপৰত কৰ্ত্তণ প্ৰস্তাৱ অনা মানে বিদ্যালয়ৰ শ্ৰণীকোঠাৰ উন্নতিকৰণ , শিক্ষকৰ প্ৰশিক্ষণ , মধাহ্ন ভোজন , ছাত্ৰ ছাত্ৰীৰ বৃত্তি আৰু যুৱ প্ৰজন্মৰ সপোনৰ ক্ষেত্ৰত প্ৰস্তাৱ অনা। উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই চৰকাৰৰ ভূল বা গঠনমূলক পৰামৰ্শ দিয়ক তাত আমাৰ ক'বলগীয়া নাই। শিক্ষাৰ ক্ষেত্ৰত অধিক ধন আৰু উন্নত ব্যৱস্থা ক্ষেত্ৰত দাবী কৰক তাত আমাৰ ক'বলগীয়া নাই কিন্তু শিক্ষাৰ দৰে বিষয়ত অনুদান কমোৱাৰ প্ৰস্তাৱ অনাটো কোনো গঠনমূলক বিৰোধিতা নহয় গতিকে এই সদনৰ জৰিয়তে মই বিৰোধী পক্ষক ক'ব বিচাৰিছো যে, কৰ্ত্তণৰ ওপৰত নাথাকি তেওলোকে শিক্ষা খণ্ডত বাজেট বৰ্দ্ধন কৰাৰ বাবেহে সহযোগীতা কৰক। বৰ্তমান সময়ত অসমৰ শিক্ষা ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষা মন্ত্ৰীয়ে যথেষ্ঠ কাম কৰি আহিছে – এই ক্ষেত্ৰত আমাৰ সন্মানীয় বিধায়কসকলে কোৱাৰ দৰে কৰ্ত্তণ নহয় বৰ্দ্ধন হে কৰিব লাগে। মই যিহেতু বিটিচ অঞ্চলৰ বাওখুংগ্ৰী সমষ্টিক নেতৃত্ব কৰি আহিছো গতিকে শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো আগতে বিধায়ক ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়াৰ এই এলেকাটো তেওঁৰ অধীনস্থ আছিল। তেওঁ কৈছে যে,

বাওখুংগ্ৰী সমষ্টিৰ ফকিৰাগ্ৰাম মহাবিদ্যালয়ত  বিজ্ঞান শাখাৰ কাৰণে তেখেত ১০ বছৰে বিধান সভাত বক্তব্য ৰাখি আহিছে গতিকে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক আহ্বান জনাব খুজিছো যে, ফকীৰাগ্ৰাম মহাবিদ্যালয়খনত যাতে বিজ্ঞান শাখাটো অনাৰ ব্যৱস্থা কৰি দিয়ে যেন। এই সমষ্টিতে  বিজ্ঞান শাখাৰ কোনো মহাবিদ্যালয় নাই , বা এখনো কৰ্মাচ কলেজ নাই। ফকীৰাগ্ৰামত স্বামী যোগানন্দ মহাবিদ্যালয়ত কৰ্মাচ শাখাটো যাতে ব্যৱস্থা কৰি দিয়ে তাৰ লগতে এই সমিষ্টৰে শক্তি আশ্ৰম হাই স্কুল , ফকিৰাগ্ৰাম হায়াৰ চেকেণ্ডৰী স্কুল, চিথিলা হাই স্কুল, ধলমাৰা হাই স্কুল এনে বহু কেইখন  শৈশিক অনুষ্ঠান আছে য'ত আন্তঃগাথনিৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰতো যাতে বিভাগীয় মন্ত্ৰী মহোদয়ে গুৰুত্ব দিয়ে তাৰ বাবে অনুৰোধ জনাব বিছাৰিছো। বি টি চি এৰিয়াৰ বড়ো মিডিয়ামৰ লগতে অন্যান্য যি মাধ্যম আছে তাত পাঠ্যপুথিবিলাক বহু দেৰীকৈ যোৱাৰ বাবে ছাত্ৰ- ছাত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মূখীন হ'ব লগীয়া হয় গতিকে শ্ৰেণীবিলাক আৰম্ভ হোৱাৰ লগে লগে পাঠ্যপুথিবোৰ তেওলোকে পোৱাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাও। আজি বিৰোধীয়ে যি কৰ্ত্তণ প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি তেওলোকক আহ্বান জনাব বিচাৰিছো  যে, বিচাৰিছো শৈক্ষিক ক্ষেত্ৰত আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াই যি ব্যৱস্থাপনা লৈছে, সেই ক্ষেত্ৰত তেওঁলোকে যাতে সহযোগিতা কৰে। ইতিমধ্যে আপোনালোকে দেখিছে যে বি টি চি ৰ খনিকৰ হাগ্ৰামা মহিলাৰী ছাৰে সেই অঞ্চলৰ উন্নয়নৰ কাৰণে যথেষ্ট কাম কৰি আছে। সেই অঞ্চলৰে আমাৰ বি টি চি ৰ সন্মানীয় EM তথা সতীৰ্থ মাননীয় বিধায়ক শ্ৰী ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়াই যথেষ্ট কাম  কৰিবলৈ যত্ন কৰি আছে আৰু সেই ক্ষেত্ৰতো যাতে আমাৰ অসম চৰকাৰে সম্পূৰ্ণ সহায় সহযোগিতা আগবঢ়ায় বা সেই অঞ্চলৰ শৈক্ষিক ব্যৱস্থাটোৰ উন্নয়ন কৰাৰ কাৰণে যিখিনি আমাক যাৱতীয় ব্যৱস্থা কৰি দিব লাগে সেইখিনিত যাতে তেওঁলোকে সহযোগিতা আগবঢ়ায় তাকেই কামনা কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Next Shri Aminur Rashid Choudhury from Congress, only four minutes.

**শ্ৰী আমিনুৰ ৰছিদ চৌধুৰী, দক্ষিণ কৰিমগঞ্জঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কাট মোচনৰ favourt ত ক'বলৈ থিয় হৈছো। আপুনি মোক সুযোগ দিয়াৰ বাবে ধন্যবাদ। মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে গম পাইছো যে স্কুলবিলাক একত্ৰীকৰণত গৈ আছে, কিন্তু কিয় গৈ আছে এইটো অলপ চিন্তনীয় বিষয় হৈছে। কিয় ৩০ জনত কৈ কম ছাত্ৰ-ছাত্ৰী স্কুলত অহা নাই সেইটো সদায় এটা চিন্তাৰ বিষয় এইটো আমি চিন্তা কৰিবই লাগিব। এইটো এটা কাৰণ যে তাত শিক্ষক নাই, infrastructure ৰ অভাৱ হৈছে যাৰ কাৰণে ছাত্ৰ-ছাত্ৰী বিলাক প্ৰাইভেট স্কুললৈ যাবলগীয়া হৈছে। ক'ৰবাত নহয় ক'ৰবাত আমি গুণগত শিক্ষা দিব পৰা নাই নেকি, উপাধ্যক্ষ মহোদয়। সেইটো লৈ মই মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে shortage of teacher বহুত হৈ আছে। অবিলম্বে য'ত য'ত teacher ৰ shortage আছে সেইখিনি পূৰণ কৰিব লাগে আৰু আমি গুণগত শিক্ষা দিব লাগে। আজি ছাত্ৰ-ছাত্ৰী ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ গৈ আছে। কিন্তু উপাধ্যক্ষ মহোদয়, ব্যক্তিগত খণ্ডৰ বিদ্যালয়তো infrastructure নাই। দুখৰ কথা toilet নাই, boundary wall নাই ,classroom নাই, এইবিলাক ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ ৰাখিম যে এইখিনি বস্তু চাব লাগে। চৰকাৰে কৈছে যে বিকশিত অসম গঢ়িব। আমিও ভাল পাইছো। হ'ব লাগে, কিন্তু এইখিনি কাম নকৰাকৈ কেনেকৈ বিকশিত অসম হ'ব সেইটো আমি ভাবিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ নিজৰ সমষ্টি দক্ষিণ কৰিমগঞ্জ সমষ্টিত নিলামবজাৰত এখনেই ডিগ্ৰী কলেজ আছে, তাত কলা শাখা আছে কিন্তু বিজ্ঞান আৰু বাণিজ্য শাখা নাই। আজি ২০২৪ চনৰ পৰা proposal আহি বহি আছে কিন্তু আজিলৈকে বাণিজ্য আৰু বিজ্ঞান শাখা অন্তৰ্ভুক্ত নহ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে নিলামবজাৰ কলেজত এই শাখা কেইটা যেনেকৈ অন্তৰ্ভুক্ত হয় সেই কামখিনি

কৰিব লাগে। আপুনি শুনি আচৰিত হ'ব যোৱা বিধান সভা নিৰ্বাচনত আমাৰ যিবিলাক পুলিং ষ্টাফ নিৰ্বাচনত নিয়োজিত আছিল তেখেতসকলে যেতিয়া ইভিএম লৈ স্কুলবিলাকত গৈছিল ডিউটিৰ কাৰণে, আহি আমাক কমপ্লেইন কৰিছে যে থকাৰ সুবিধা নাই স্কুলত, টয়লেট নাই। মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনি বস্তু আমি চাব লাগে। দ্বিতীয়তে, আমি জিলাভিত্তিক competitive exam ৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিম যে JEE, NEET, APSC, UPSC ৰ কাৰণে কোচিং চেণ্টাৰ কৰাৰ কাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ ৰাখিম। মাননীয় উপাধ্যক্ষ মহোদয়, আজি মোৰ নিজৰ সমষ্টিত as per UDISE ৰ Database দক্ষিণ কৰিমগঞ্জ সমষ্টিত ৪৪১ স্কুল আছে- ২৫৪ লোৱাৰ প্ৰাইমেৰী স্কুল, ৫২ আপাৰ প্ৰাইমেৰী স্কুল, ১৫ হাইস্কুল, ৫ হায়াৰ চেকেণ্ডৰী স্কুল, ৬৭ ভেন্সাৰ স্কুল আৰু ৪৮ প্ৰাইভেট স্কুল আছে। Despite such a large educational network, the condition of school infrastructure and quality education remain major concern . মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ ৰাখিম যে এইখিনি বস্তু যদি তেখেতে অলপ চাই মেলি যদি কৰি দিয়ে ৰাইজৰ কাৰণে ভাল হ'ব আৰু গুণগত শিক্ষাৰ ওপৰত আমি অলপ গুৰুত্ব দিব লাগে । মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত কলেজত লেবৰেটৰি নাই, auditorium নাই আৰু শ্ৰেণীকোঠা নাই, সেইখিনি বস্তু মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ ৰাখিম। আজি মোক সুযোগ দিয়াৰ কাৰণে মই ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Thank you, Next Honrable MLA Shri Bhupen Roy.

**শ্ৰী ভূপেন ৰায়, অভয়াপুৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত গ্ৰান্ট নং ২৬ আৰু ৭১ ইয়াত যি মাননীয় বিৰোধী দলপতিৰ নেতৃত্বত কাট মোচনৰ ব্যৱস্থা হাতত লৈছে তাত সমুদায় ধন কৰ্তন কৰি ১ টকা লৈকে আনিবৰ কাৰণে তেখেতসকলে যি পৰামৰ্শ দিছে  মই এই বিধান সভাৰ এজন সদস্য হিচাপে ইয়াৰ বিৰোধিতা কৰিছো। কাৰণ শিক্ষা ব্যৱস্থাৰ ওপৰত ইতিমধ্যে সকলোখিনি মাননীয় সদস্যই যি বক্তব্য ৰাখিছে, বিশদভাৱে এই বিষয়ৰ ওপৰত আলোচনা

কৰিছে আৰু শিক্ষা কাকো নালাগে বুলি কোনো মাননীয় বিধায়কে এই ক্ষেত্ৰত বক্তব্য উত্থাপন কৰা নাই। শিক্ষা আমাৰ সকলোৰে কাৰণে প্ৰয়োজন আৰু সুশিক্ষিত সমাজ এখনেহে দেশখনক আগুৱাই নিব পাৰে, এই কথাটো আমি সকলোৱে জানো। আমি যদি এই বাজেটখনক সমৰ্থন নকৰো তেনেহ'লে ইয়াৰ যদি কাট মোচনক আমি সমৰ্থন কৰো তেনেহ'লে সমুদায় ধন এই বিভাগটোৰ পৰা একেবাৰে নাইকিয়া হৈ গুচি যাব আৰু আমি তেতিয়াহ'লে এই বিভাগটো চলাবৰ কাৰণে কোন শিতানৰ পইছাৰে এই বিভাগটো চলাব পৰা যাব, সেই বিষয়টো আমি সকলোৱে চিন্তা কৰাটো প্ৰয়োজন। গতিকে শিক্ষাৰ ক্ষেত্ৰত আমি ভাবো যে যিখিনি আমাৰ এতিয়াও কিছু লেগুণা আছে বিভাগক আমি উপযুক্ত পৰামৰ্শ দিয়াটোহে উচিত। আজি আমি বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত এই কথাটো অনুভৱ কৰিছো যে চৰকাৰী বিদ্যালয় সমূহত কিছু পৰিমাণে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাটো কমি গৈছে, বিশেষকৈ প্ৰাথমিক পৰ্য্যায়ত আৰু ৩০ জনতকৈ কম ছাত্ৰ-ছাত্ৰী ইয়াত হয়তো কিছুমান শিক্ষানুষ্ঠানত আছে। এতিয়া সেই শিক্ষানুষ্ঠান বিলাকক আমি কি দৃষ্টিৰে চাম, সেই শিক্ষানুষ্ঠানবিলাকক আমি বন্ধ কৰি দিম নে কোনোবা ওচৰৰ শিক্ষানুষ্ঠানৰ লগত আমি amalgamate কৰাই দিম, সেই কথাটো আমি সকলোৱে নজৰ দিয়াটো উচিত। মই ভাবো আৰু কিছু ক্ষেত্ৰত আজি শিক্ষিত সমাজৰ মাজত জনসংখ্যাও হ্ৰাস পাইছে। গতিকে এই যিটো ব্যৱস্থা ৩০ জন, তাতোকৈ কমাই আনি আমি ২০ জনলৈকে চাব পাৰো নেকি আৰু আমাৰ শিক্ষা বিভাগৰ বিষয়াসকলৰ লগত আলোচনা কৰি তেখেতসকলে যাতে ৰাইজৰ লগত আলোচনা কৰি এই শিক্ষানুষ্ঠানবিলাকত ছাত্ৰ-ছাত্ৰীৰ পুনৰ ভৰ্তি কৰাৰ যি ব্যৱস্থা এই বিষয়ত তেখেতসকলে যাতে ৰাইজৰ লগত কথা বতৰা পাতে আৰু একে ৰাখে। ঠিক তেনেধৰণে যিটো UDISE ২০০৯ চন ইয়াৰ পিছৰ পৰ্য্যায়ত আমি ২০১৩-২০১৪ লৈকে বা ২০১১, ২০১২, ২০১৩ আৰু ২০১৪ লৈকে UDISE ৰ কথাটো যদি আমি ভাবো আৰু সেই UDISE লৈ যিবিলাক স্কুল বা শিক্ষানুষ্ঠান আমাৰ চলি আছে তেখেতসকলৰ ক্ষেত্ৰত আমি কিবা বিবেচনা কৰিব পাৰো

নেকি সেই কথাটো আমাৰ চৰকাৰখনে বিবেচনা কৰিবৰ কাৰণে মই অনুৰোধ কৰিছো। আনফালেদি যোৱা সময়ত বিশেষকৈ ২০১৩ চনত কিছু হাইস্কুল হায়াৰ চেকেণ্ডাৰী কৰা হৈছিল আৰু এই হাইস্কুল বিলাক হায়াৰ চেকেণ্ডাৰী হ'ল ঠিকেই তাৰ বাকী বিষয় শিক্ষক ইত্যাদি নিযুক্তি দিয়া হ'ল। কিন্তু প্ৰিন্সিপাল পোষ্টটো আজিলৈকে তাৰ sanction ও নহ'ল আৰু in-charge হিচাপে তাৰ প্ৰিন্সিপাল নাইবা সেইখন স্কুলৰ হেডমাষ্টাৰজনেই চলাই থাকিবলগীয়া হ'ল । ঠিক একেইধৰণে ২০১৩ ৰ পিছত ২০২১ চনতো কিছু স্কুল হাইস্কুলৰ পৰা হায়াৰ চেকেণ্ডাৰী পৰ্য্যায়লৈকে উন্নীত কৰা হ'ল । তাতো ছাত্ৰ-ছাত্ৰী নিয়মীয়াভাৱে এডমিচেন দিয়া হ'ল । সেই একেইধৰণে তাৰেই হৈ প্ৰধান শিক্ষকজনে হাইস্কুলখনত তেখেতেই হায়াৰ চেকেণ্ডাৰীৰ বিষয়টো চলাই থাকিল। তাতেও প্ৰিন্সিপাল নিযুক্তিৰ কোনো ব্যৱস্থা আজিলৈকে নহ'ল। মই ভাৱো এই Principal নিযুক্তিৰ কথাটো বা এই post টো sanction কৰি বিষয়টো সমাধান কৰিব লাগে। আনফালেৰে আমাৰ যিবোৰ স্কুল এতিয়ালৈকে বিশেষকৈ হাইস্কুলবিলাকৰ ক্ষেত্ৰত যে কোনো ধৰণৰ উন্নতি হোৱা নাই তেনে কথা নহয়। যোৱা বছৰ HSLC পৰীক্ষাত প্ৰায় ৪,২৯,২৪৯ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল । তাৰে প্ৰায় ২,৮১,৭০১ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছিল। প্ৰায় ৬৫.৬২% । ছাত্ৰীৰ সংখ্যা ছাত্ৰতকৈও বেছি আছিল । একেধৰণে উচ্চতৰ মাধ্যমিকৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ৩,৩০,৭৪৪ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। মুঠ উত্তীৰ্ণৰ হাৰ আছিল ৮১.৫৪%। বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ আটাইতকৈ বেছি আছিল । গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ বিজ্ঞান শিক্ষাৰ প্ৰতি কিছু ধাউতি নিশ্চয় আহিছে। কিছুমান বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে বা বিষয়ভিত্তিত কিছু শিক্ষক আমাৰ নাই, এই ক্ষেত্ৰত মই চৰকাৰখনক অনুৰোধ কৰিব বিচাৰো যে আমাৰ চৰকাৰখনৰ rationalize কৰাৰ যি ব্যৱস্থা আছে তাত আমাৰ জিলা আয়ুক্ত ডাঙৰীয়াই যাতে হস্তক্ষেপ কৰে। গৰমৰ বন্ধ এমাহ কাল চলে। এই গৰমৰ বন্ধৰ সময়ছোৱাত আমি যদি rationalize কৰি যিখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা বেছি আছে আৰু য'ত কম আছে তালৈকে নিয়াৰ

বাবে এই ব্যৱস্থাটো খৰতকীয়া কৰি ৰাখিব লাগে  নাইবা এখন panel প্ৰস্তুত কৰিব লাগে যাতে কোনোবা এখন স্কুলত যদি single teacher হৈ যায়, কোনোবা শিক্ষকে যদি অৱসৰ গ্ৰহণ কৰে তেনে ক্ষেত্ৰত তাত তাৎক্ষণিক ভাৱে এই panel ৰ জৰিয়তে বেছি শিক্ষক থকা স্কুলৰ পৰা দুই-এদিনৰ ভিতৰতে তালৈকে বদলীকৰণৰ ব্যৱস্থা কৰিব লাগে। গাঁৱৰ ৰাইজে যাতে শিক্ষক বিচাৰি আমাৰ অফিচলৈকে আহিব নালাগে তাৰ বাবে এই ব্যৱস্থাটো গ্ৰহণ কৰিব লাগে।  আৰু এটা ঘটনা ঘটিছে যে স্কুলবিলাকত প্ৰায়বিলাক প্ৰধান শিক্ষকে অৱসৰ গ্ৰহণ কৰাৰ পাছত Inspector of School য়ে বিশেষকৈ হাইস্কুল বা হায়াৰ ছেকেণ্ডাৰীবিলাকত in-charge Principal হিচাপে আছে। তাত দুগৰাকী থাকে। এজন Academic Principal হিচাপে in-charge হৈ থাকে আৰু জিলাখনৰ বাকী ২০-৩০ খন স্কুলত Inspector of School গৰাকী Principal in-charge হিচাপে থাকে । আনহাতে আমাৰ যিটো financial power সেইয়া শিক্ষক-কৰ্মচাৰীসকলক দৰমহা দিয়াৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে এই ব্যৱস্থাটো কিন্তু সুবিধাজনক নহয়। Principal হিচাপে আমাৰ এটা panel তৈয়াৰ কৰিবলৈও ব্যৱস্থা গ্ৰহণ কৰিব লাগে।  কোনোবা স্কুলৰ Principal যদি retirement ত যায়, তেনেক্ষেত্ৰত তাৎক্ষণিক ভাৱে panel ৰ পৰা appointment দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহ'লে  Inspector of School যদি ১২-১৩ খন স্কুলৰ in-charge Principal হৈ থাকে তেন্তে এজন ব্যক্তিয়েই গোটেইখিনি বিষয় চোৱাটো কেতিয়াও সম্ভৱ নহয় কাৰণ তেওঁৰ normal duty থাকে।  তেওঁ বহুখিনি সময় বিভিন্ন কাম-কাজত ব্যস্ত থাকিবলগীয়া হয়। বিশেষকৈ শিক্ষকসকলৰ ক্ষেত্ৰত  য'ত এজনকৈ শিক্ষক আছে সেই শিক্ষকসকলক census duty ত নিয়োগ কৰা হৈছে।  মই ভাৱো এই দিশটো আগতে চাই ল'ব লাগে যে য'ত এজনকৈ শিক্ষক আছে তেওঁলোকক  census বা election duty ত জড়িত কৰিব নালাগে । স্কুল এখন আগবাঢ়ি যাবলৈ হ'লে তাক সঠিকভাৱে আমি সকলোৱে মিলি আগবঢ়াই নিয়াটো উচিত। তাত যদি আমি পইচা দিয়াৰ পৰিৱৰ্তে পইচা কৰ্ত্তন কৰাৰ কথালৈ আহো তেন্তে আমাৰ শিক্ষাৰ ক্ষেত্ৰত কোনোপধ্যেই উন্নতি নহ'ব ।

আমাৰ বঙাইগাওঁ জিলাত নতুনকৈ বঙাইগাওঁ বিশ্ববিদ্যালয় হৈছে। এই বিশ্ববিদ্যালয়খনকো চৰকাৰে পইচা দিব বুলি কৈছে কিন্তু ইয়াৰ ক্ষেত্ৰত অলপ খৰতকীয়া কৰি বিশ্ববিদ্যালয়খনৰ যিখিনি আন্তঃগাঁথনি তথা তাৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা যাতে গ্ৰহণ কৰে তাৰ বাবে মই অনুৰোধ কৰিব বিচাৰিছো। বঙাইগাওঁ ইঞ্জিনীয়াৰিং কলেজৰ নিৰ্মাণ কাৰ্য্য বিশেষকৈ civil construction প্ৰায় শেষৰ পৰ্যায়লৈ আহিছে। এইখিনি শেষ হোৱাৰ লগে লগে তাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ ব্যৱস্থা যাতে সোনকালে কৰি দিয়ে তাৰ বাবে মই অনুৰোধ কৰিছো। ইয়াৰ লগতে বঙাইগাওঁ মেডিকেল কলেজৰ ক্ষেত্ৰতো এই বছৰতে যাতে ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্ত্তি কৰিব পাৰে তাৰ ব্যৱস্থা ল'বলৈ মই অনুৰোধ জনাইছো। আমাৰ চৰকাৰখনে প্ৰায় ২৫ খন মেডিকেল কলেজ, ২৬ খন বিশ্ববিদ্যালয় পাতিছে তাৰে ১৫ খন মেডিকেল কলেজ ইতিমধ্যে চলি আছে, ১০ খন নিৰ্মাণাধীন হৈ আছে। মেডিকেল কলেজৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়াটো উচিত কাৰণ আমাৰ গাওঁ অঞ্চলত বিশেষকৈ যিবোৰ হস্পিতাল আছে যেনে Primary Health Centre, State Dispensary, Sub-Centreত ডাক্তৰ দিয়াৰ কথা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে। তেনে ক্ষেত্ৰত নতুন মেডিকেল কলেজবিলাকত যদি admission হয় তেতিয়াহে এই কথাটো সম্ভৱ হৈ উঠিব। মই নামনি অসমৰ অভয়াপুৰী বিধান সভা সমষ্টিৰ পৰা আহিছো। তাৰ অভয়াপুৰী কলেজত কলেজ প্ৰশাসনে BCA ক্লাছ খোলাৰ বাবে যোৱাবছৰৰ পৰাই চেষ্টা কৰি আছে কিন্তু তাত চৰকাৰৰ ফালৰ পৰাও বা শিক্ষকৰ ফালৰ পৰাও কোনো investment নালাগে বৰঞ্চ কলেজখনৰ ফালৰ পৰা ৬৫হাজাৰ টকা জমা দি permission ৰ বাবে Application দিছিল। কিন্তু সৰু সৰু কথাতে বিভাগৰ ফালৰ পৰা এই কামবিলাকত delay কৰি থাকে। এইটো আচলতে ভাল পোৱাহে কথা। শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ বাবে কোনোবা কলেজ প্ৰশাসনে যদি চিন্তা কৰিছে তেনেহ'লে আমি সেই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াটো উচিত। গতিকে এই বিষয়টো মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিলো। আনহাতে, মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ত বিজ্ঞান

শাখা মুকলি কৰাৰ ক্ষেত্ৰত সেই অঞ্চলৰ স্থানীয় ৰাইজে দাবী জনাই আহিছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো এই বিষয়টো অৱগত কৰা হৈছে। কলেজৰ বাকী আন্তঃগাঁথনি আছে। গতিকে মই ভাৱো তাত বিজ্ঞান শাখাটো মুকলি কৰিব লাগে আৰু এই শাখাটো introduce কৰাৰ বাবে আমাৰ হয়তো বহুত বেছি খৰচ নহ'ব। আমাৰ অভয়াপুৰী অঞ্চলত DIET Centre আৰু চৰকাৰীভাৱে যদি B.Ed College বা Integrated Law College ইত্যাদি কৰিব পৰা যায় তেন্তে ইয়াৰ ক্ষেত্ৰত বিভাগে অধিক গুৰুত্ব দিয়াটো মই বিচাৰো। আগলৈ আমাৰ শিক্ষা খণ্ডক আগুৱাই নিয়াৰ বাবে আমাৰ চৰকাৰে অধিক পদক্ষেপ লওঁক তাত মই ভাৱো বিৰোধী পক্ষৰ নিশ্চয় সমৰ্থন থাকিব আৰু তেখেতসকলে বিভাগটোক কিছু কথা উনুকিয়াই দিয়াৰ বাবে হয়তো কৰ্ত্তন প্ৰস্তাৱ আনিছে গতিকে মই ভাৱো তেখেতসকলে কৰ্ত্তন প্ৰস্তাৱটো উঠাই ল'ব । বিৰোধী পক্ষক এই অনুৰোধ ৰাখি মোৰ বক্তব্য এইখিনিতে সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আপোনাৰ সময় ৮ মিনিট আছিল, ১৩ মিনিট ক'লে। এতিয়া যিহেতু ২ বাজিলে, আমি আৰু আধা ঘণ্টা সময় বঢ়াই ল'ম। এতিয়া জুবেৰ আনাম মজুমদাৰ। আপোনাৰ সময় ৪ মিনিট।

**শ্ৰীজুবেইৰ আনম মজুমদাৰ, আলগাপুৰ কাটলিচেৰাঃ**মাননীয় অধ্যক্ষ মহোদয়, মই বাজেটখন পঢ়িলো। বাজেটখন পঢ়াৰ পিছত যিমান এইবিলাক arrow space, satellite সকলোৰে কথা যেতিয়া শুনিলো অকনমান অকনমান doubt মোৰে আহি গ'ল যে বিৰোধী হিচাপে আমি এনেই চাগে চৰকাৰক সমালোচনা কৰো। কিন্তু যেতিয়া doubt আহিল, তেতিয়া মই এখন notification পালো। এই notification খন আহিল হাইলাকান্দি এচ এচ কলেজৰ পৰা। এচ. এচ কলেজৰ notification আহিল it is here by notified for information of all concerned students that as per executive order issued by higher secondary department Government of Assam for the academic session 2026-27 students having backlog in the previous academic year is not eligible to avail any benefit of the fee waiver scheme তাৰমানে blacklog

থকা student  য়ে কেতিয়াও fee waiver  নাপায়। কিন্তু মই যেতিয়া এইটো শুনিলো আৰু শুনাৰ পাছত  মই ভাবিলো যে যিখন চৰকাৰে satellite ৰ কথা কৈছে তাৰ পিছত arrow space ৰ কথা কৈছে, এনেকুৱা কাম কৰিব জানো ? তেতিয়া লগে লগে মই notification  উলিয়ালো। Notification উলিয়াই মই check কৰিলো ২০২৫  চনৰ  notification  ত লিখা আছে যে fee waiver scheme will be applicable to all eligible students in respective of any backlog in the previous examination. তাৰমানে backlog থাকিলে fee waiver পাইছিল। তাৰ পিছত মই আকৌ ২০২৬ চনৰ notification উলিয়ালো। এইখন notification মাজত ওলাইছে। এতিয়া notification  ওলাইছে একেবাৰে সৰুকৈ শেষত এটা point add কৰি দিছে the students having backlog in the previous academic year shall not be eligible to avail the fee waiver scheme. মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হ'ল যে আজি আমি এই যে students সকলৰ কথা কৈছো কাৰ fee waiver ৰ কথা কৈ আছো। BPL level students খিনিৰ। আজি backlog থকাটো ইমান ডাঙৰ কথা নহয়। এতিয়া backlog থকা ইয়াতে ধনী ঘৰৰ পৰা ল'ৰা-ছোৱালী আৰু দুখীয়া ঘৰৰ পৰা অহা ল'ৰা-ছোৱালী দুয়োটাৰে backlog থাকিব পাৰে। কিন্তু difference টো হ'ল যে এজন ধনী ঘৰৰ ল'ৰাই AC room ত পঢ়ি, hi-fi coaching কৰি i-phone ত wi-fi use কৰি  বেক এটা লাগে, তাৰ পিছত এই একেই student য়ে মাত্ৰ fees টো দি দিলে তেওঁ study continue কৰিব পাৰিব। এজন ধনী ঘৰৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ কাৰণে its nothing but a small inconvenience. কিন্তু এজন দুখীয়া student, আমি কাৰ কথা কৈ আছো এইটো আমি চাব লাগিব। এজন দুখীয়া student যাৰ ঘৰত কোনো internet নাই। এনেকুৱা কিছুমান ঠাই আছে , মোৰ সমষ্টিত, এনেকুৱা ঠাই আছে য'ত এতিয়ালৈকে network  য়ে নাই। এনেকুৱা network নথকা কোনো  smart phone নথকা এনেকুৱা ঘৰ আছে য'ত ঘৰত মুঠ smart phone এটাই। এই এটা smart phone ত সম্পূৰ্ণ পৰিয়ালে পঢ়াশুনা কৰিব লাগে। এনেকুৱা আছে যিজনে part time চাকৰি কৰিবলগীয়া হয়।

ৰাতিপুৱা পঢ়াশুনা কৰি কলেজত গৈ আকৌ part time job ও কৰিবলগীয়া হয়। এনেকুৱা student আছে যাৰ basic transportation ৰ কাৰণে পইচা নাই। যিয়ে খোজ কাঢ়ি কলেজ যাবলগীয়া হয়, এনেকুৱা students আছে, যাৰ coaching ৰ কোনো ধৰণৰ ব্যৱস্থা নাই, এতিয়াও coaching effort কৰিবই নোৱাৰে, এনেকুৱা students আছে, যিয়ে basic কিতাপো কিনিব নোৱাৰে। এনেকুৱা student ৰ যেতিয়া back লাগি যায় আৰু admission fees দিব নোৱাৰিলে, তেখেতসকলৰ কাৰণে its not an inconvenience, তেখেতসকলৰ কাৰণে it is the end of the journey. আমি এটাই কথা ক'ব বিচাৰিছো, আমাৰ দুখীয়া student ৰ ক্ষেত্ৰত এইটো হ'ব নালাগে। Simple কথা, backlog student ৰ কাৰণে back এটা লাগিছে বুলি students ৰ carrier শেষ হ'ব নোৱাৰে মাননীয় অধ্যক্ষ মহোদয়, এইটো কথা আপুনি বিভাগক ক'ব লাগিব কাৰণ এইটো system গ'লে আমাৰ কিমান student dropout হৈ যাব, এইটো মোৰ সমষ্টিৰ কথা নহয় এইটো গোটেই অসমৰ কথা। কাৰণ এই notification মোৰ সমষ্টিৰ কাৰণে নহয় গোটেই অসমৰ কাৰণে এখনে notification উলিওৱা হৈছে। আজি students য়ে protest কৰিবলগীয়া হৈছে। protest ক'ত উলিয়াইছে, ৰাস্তাত গৈ protest উলিয়াইছে, কিয় কৰিছে তেওঁলোকৰ right to basic education ৰ কাৰণে, আজি right to education ৰ কাৰণে student য়ে protest কৰিবলগীয়া হৈছে মাননীয় অধ্যক্ষ মহোদয়, তাতকৈ লাজৰ কথা আৰু কি হ'ব পাৰে? আজি এইখন চৰকাৰক মই ক'ব লাগিব, চৰকাৰৰ mentality একেবাৰে দিশপুৰৰ পৰা দিল্লীলৈকে একে কথা হৈ আছে। আজি দিল্লীটো protest কৰিবলগীয়া হৈছে কিহৰ কাৰণে, কেৱল education ৰ কাৰণে। অসমতো protest কৰিবলগীয়া কিয় হৈছে education ৰ কাৰণে। মানননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছে right to education আনিছিল আৰু এইখন চৰকাৰে fight for education আনিছে its such a shame, its such a shame মোৰ এটাই কথা।

**শ্ৰী চক্ৰধৰ গগৈ, খোৱাংঃ** আপুনি এটা ভুল কথা কৈছে।

(সদনত কথাৰ মাজত বাক-বিতণ্ডা)

**माननीय अध्यक्षः** ঠিক আছে। শ্ৰীজুবেইৰ আনম মজুমদাৰ।

(সদনত কথাৰ মাজত বাক-বিতণ্ডা)

**শ্ৰীজুবেইৰ আনম মজুমদাৰ, আলগাপুৰ কাটলিচেৰাঃ** আমি এটা কথা demand দিব বিচাৰিছো যে fee waiver scheme যিখন আছিল, BPL students ৰ কাৰণে এই fee waiver scheme খন থাকিব লাগে backlog students এজনৰ backlog থকাটো তেওঁৰ carrier ৰ end হ'ব নালাগে। কাৰণ কোনো student ৰ economic reasons ৰ কাৰণে, কেৱল পইচা নথকাৰ কাৰণে কোনো student dropout হ'ব নালাগে। এটাই আমাৰ দাবী।

**माननीय अध्यक्षः** বি.জে.পি ৰ শ্ৰীতৰংগ গগৈ।

**শ্ৰীতৰংগ গগৈ, নাহৰকটীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে যি আজি কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ বিৰোধিতা কৰি মোৰ কথা আগবঢ়াবলৈ লৈছো । আমি সকলোৱে গম পাওঁ যে, শিক্ষা এনকুৱা এটা ব্যৱস্থা, যি ব্যৱস্থাৰ দ্বাৰা আমি এখন সমাজ পৰিৱৰ্তন কৰিব পাৰো, এখন দেশ পৰিবৰ্তন কৰিব পাৰো, ৰাজ্য পৰিবৰ্তন কৰিব পাৰি আৰু শিক্ষা ব্যৱস্থাৰ পূঁজি কৰ্তন আমি ভাবিবই নোৱাৰো। আমি ভাবো শিক্ষা এখন ৰাজ্যৰ সকলোতকৈ বেছি পূঁজি হয়তো শিক্ষা ব্যৱস্থাত দিবলগীয়া হয় ।কাৰণ এই ব্যৱস্থাৰ দ্বাৰা আমি এজন ছাত্ৰৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিব পাৰো। আমি দেখা পাইছো যে আমাৰ চৰকাৰ গঠন হোৱাৰ পৰা নতুন এটা পৰিক্ৰমা আৰম্ভ হৈছিল গুণোৎসৱ আৰু গুণোৎসৱ আমি সকলো বিধায়কে এটা সময়ত গুণোৎসৱৰ review কৰিবৰ কাৰণে আমি স্কুলে স্কুলে evolution কৰিছিলো যে স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়াশুনা কৰে। ভালকৈ হৈছেনে নাই, পঢ়া পৰিৱেশ কেনেকুৱা, স্কুলৰ আন্তঃগাঁথনি কেনেকুৱা, খোৱা ব্যৱস্থা কেনেকুৱা, কিতাপ পত্ৰ আছে নে নাই আৰু সেই গোটেই পৰিৱেশ চোৱাৰ কাৰণে আমি গুণোৎসৱ আৰম্ভ কৰিছিলো। মাননীয় অধ্যক্ষ মহোদয়ক জনাব বিচাৰো যে বৰ্তমান অসম চৰকাৰৰ A Grade School ১২ শতাংশৰ পৰা ৪০ শতাংশ হৈছে। হয়তো এই ১২ শতাংশৰ পৰা ৪০ শতাংশলৈ A Grade School বিলাক নহলহেতেন, গুণোৎসৱৰ প্ৰক্ৰিয়া আৰম্ভ নকৰাহলে . আমাৰ যি D-

category স্কুল হয়, ১৪ শতাংশৰ পৰা ১ শতাংশলৈ down হৈছে কিয় ? গুণোৎসৱৰ evolution ৰ পাছত আমি এই মূল্যাঙ্কন কৰা হয় law falls সইখনি filup কৰা হয়, সেই ধৰণে চৰকাৰে কাম কৰিছিল। সেই কাৰণে আমাৰ চৰকাৰে গুণোৎসৱৰ দ্বাৰা অসমৰ স্কুলৰ ভাল পৰিৱেশ সৃষ্টি কৰিছিল। লগতে মই ক'ব বিচাৰো free admission, যেতিয়াই ল'ৰা-ছোৱালীয়ে মেট্ৰিক পাছ কৰে স্কুলত নামভৰ্তি কৰিব লগীয়া হয়, এল পি স্কুলত, এম ই স্কুলত যায়, প্ৰায় ঘৰত শিক্ষালবলৈ ল'ৰা-ছোৱালী আগতে ঘৰলৈ আহে। এটা কথা আমাক কয় যে, চাৰ, পইচা দিয়ক, এডমিছন কৰিব লাগে । মোৰ ল'ৰাই চিট পাইছে, এডমিছন কৰিবলৈ পইচা পোৱা নাই, অলপ সহায় কৰি দিলে মোৰ ল'ৰা-ছোৱালীয়ে এডমিছন পাব। আজিকালি এনেকুৱা ল'ৰা-ছোৱালী ঘৰত লগ নাপাওঁ। কাৰণ অসম চৰকাৰে free admission  স্কুলৰ পৰা কলেজত দিয়া  দিয়া হৈছে, free education ৰ  জৰিয়তে আমি যি পূঁজি অসম চৰকাৰে খৰচ কৰিছে, ছাত্ৰ-ছাত্ৰী লাভৱান হৈছে। প্ৰত্যেক ল'ৰা-ছোৱালী দৰিদ্ৰতা হৈ থাকিলেও স্কুল যাব পাৰিছে। আমি দেখা পাওঁ এল. পি স্কুল বিলাকলৈ ল'ৰা-ছোৱালীবিলাক যায় আৰু বিৰোধীয়ে কৈছে amalgamate স্কুল বন্ধ হৈছে পৰিৱেশ চাবলগীয়া হয়। নিশ্চয় হয়। কিন্তু স্কুল বন্ধ হোৱাৰ কাৰণ কেৱল অসম চৰকাৰ নহয়। মই এটা উদাহৰণ দিব বিচাৰো, এবাৰ মোৰ ঘৰলৈ কিছু ৰাইজ আহিছিল  এখন এল.পি স্কুল amalgamate হৈছে ,এজন যুৱকে  notification লৈ আহিছিল, মই সুধিলো যে তোমাৰ ঘৰত কোন কোন আছে ক'লে যে ছোৱালী এজনী আছে পঞ্চম শ্ৰেণীত পঢ়ে, মই সুধিলো ক'ত পঢ়ে ? ক'লে যে নাহৰকটীয়াৰ এখন ইংৰাজী মাধ্যমৰ ব্যক্তিগত স্কুলত পঢ়ে। ক'লো যে তুমি যে গাওঁৰ school ৰ amalgamate ৰ মানা কৰিব আহিছা নিজৰ  ছোৱালীজনীক সেই গাওঁৰ পৰা আহি নাহৰকটীয়া চহৰৰ ভাড়াঘৰত থাকি এখন ব্যক্তিগত স্কুলত দিছো৷ নিজৰ ল'ৰা-ছোৱালীক নিজৰ গাওঁত নপঢ়োৱাই সেইখন স্কুল বন্ধ নহৈ কোনখন স্কুল বন্ধ হ'ব। অসম চৰকাৰে চেষ্টা কৰে,  amalgamate যদিও আমি কৰবাত কৰিছো ৰাইজো ,সচেতন হ'ব লাগিব, . ৰাইজেও নিজৰ ল'ৰা-ছোৱালীক তাত পঢ়াব লাগিব। এতিয়া মই যে

ক'লো, এল পি স্কুলৰ পৰা হাইস্কুললৈ যাওঁ, অসমত যিমান হাইস্কুল, হাইয়াৰ চেকেণ্ডাৰী স্কুল আছে, আমাৰ  চৰকাৰে প্ৰায় এতিয়ালৈকে চাৰে চাৰিশ হাইস্কুল ৭ কোটি টকাৰে  বনোৱাৰ কাম আৰম্ভ কৰিছো । আমি এসময়ত গুজৰাট মডেল, দিল্লী মডেল কেজিৰালৰ লগত তুলনা কৰিছো অসমৰ স্কুল অৱস্থা কেনেকুৱা।  এতিয়া তুলনা কৰি চাওঁক, আমি নিশ্চয় তাত গোপাল বড়ো হাইস্কুল আছে, গৈ চাওঁক কেনেকুৱা হৈ আছে । নাহৰকটীয়া চহৰৰ নাহৰকটীয়া হাইচেকেণ্ডাৰী স্কুল ১৯৩৯ চনত স্থাপন হৈছিল। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই ১ বছৰৰ কাৰণে পঢ়িছিল, আমাৰ সকলোৰে বিখ্যাত কেঞ্চাৰৰ বেমাৰৰ ডাঃ তপন শইকীয়া ডাঙৰীয়া সেইখন স্কুলত পঢ়া। ১৯৩৯ চনত স্থাপন হোৱা স্কুল আজিলৈকে মেৰামতিৰ কাৰণে  কোনোবা  বিধায়কে ২ লাখ টকা, ৫ লাখ টকা দিছিল এনেকৈয়ে বনাইছিল। কিন্তু আজি মই গৌৰৱেৰে ক'ব বিচাৰো সেই স্কুলৰ কাৰণে ৭ কোটি টকা আমাৰ চৰকাৰে চেংশ্যন কৰিছিল আৰু তাৰ কাম চলি আছে। চাচনী হাইয়াৰ চেকেণ্ডাৰী স্কুল, কোৱৰীগাওঁ হাইস্কুল, মাহমৰা হাইস্কুল, এই স্কুলবিলাকৰ আগতে অৱস্থা নাছিল । কিন্তু অসম চৰকাৰৰ এই পূঁজিৰ দ্বাৰা আজি তাত ৭ কোটি টকা দি কাম চলি আছে। স্কুল হৈছে, তাত ব্যৱস্থা ভাল হ'ব , কিন্তু এই হাইস্কুল, হাইচেকেণ্ডাৰী, এল .পি স্কুল পঢ়াৰ পাছত বহুত ল'ৰা-ছোৱালীয়ে স্কুল dropout কৰিছিল৷ কাৰণ এল পি স্কুল গাওঁৰ ওচৰত থাকে । কিন্তু হাইস্কুলৰ কাৰণে দুৰলৈ যাব লাগে ।  আগতে বিধায়কৰ ঘৰলৈ আহে, এখন স্কুল, চাইকেল বিচাৰি আহে, কিন্তু আজি আপোনাক ক'ব বিছাৰো অসম চৰকাৰে এতিয়ালৈকে প্ৰায় ৯ লাখ ৪০ হাজাৰখন চাইকেল বিতৰণ কৰিছে বিনামূলীয়াকৈ আৰু আজি চাইকেলৰ অভাৱত কোনো ল'ৰা-ছোৱালীয়ে স্কুল খতি কৰিবলগীয়া হোৱা নাই । এই যে অলপ আগতে আমাৰ বিৰোধী দলে কৈছিল আমাৰ বহুতেই ইংলিছ মিডিয়াম স্কুললৈ যায় বা অসম চৰকাৰৰ স্কুললৈ নাযায় । মই আমাৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব বিচাৰো যে আদৰ্শ বিদ্যালয়  সংগঠনৰ দ্বাৰা বৰ্তমান অসমত ৫৭ খন CBSE স্কুল চলাই থকা হৈছে । আমি দেখা পাইছো বহুত ছাত্ৰ-ছাত্ৰীয়ে CBSE course পঢ়িবৰ কাৰণে

এখন SEBA স্কুলৰ পৰা পাঠদান এৰি CBSE স্কুললৈ যায়। আমাৰ আশে-পাশে দুলীয়াজান, নামৰূপ আদি ঠাই আছে। এতিয়া DPS school আহিল। বহুত ছাত্ৰ-ছাত্ৰী আজিকালি CBSE স্কুললৈ যোৱা আৰম্ভ কৰিছে। আমি দেখা পাইছিলো বহুত ল'ৰা-ছোৱালীয়ে অসম চৰকাৰৰ স্কুলৰ পৰা গৈছে। কিন্তু মই পুনৰ ধন্যবাদ জনাইছো যে ৫৭ খন স্কুল এতিয়ালৈকে চলি আছে। মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই ইচ্ছা প্ৰকাশ কৰিছে যে আমি অসমৰ প্ৰত্যেকটো সমষ্টিত এখনকৈ আদৰ্শ CBSE বিদ্যালয় সংগঠনৰ দ্বাৰা স্কুল চলাব লাগে। আমাৰ নাহৰকটীয়া সমষ্টিত এইবাৰ RIDF ৰ অধীনত এখন স্কুলৰ বাবে ৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। স্কুলখন নিৰ্মাণ হৈ উঠিলে সেই স্কুলখন CBSE কৰা হ'ব বুলি তেখেতে আমাক কথা দিছে। এইধৰণৰ যেতিয়া পৰিৱেশ হয় চৰকাৰৰ প্ৰতি ৰাইজৰ নিশ্চয় আশ্বাস বাঢ়ে আৰু শিক্ষা ব্যৱস্থাটোৰ পৰিৱেশ ভাল হয়। মই উজনি অসমৰ এগৰাকী বিধায়ক আৰু আমি প্ৰায় দেখা পাওঁ যে সমাজখনৰ highest dropout কৰা ছাত্ৰ-ছাত্ৰীসকল চাহবাগানৰ। বাগানৰ ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া বাগানৰ LP school লৈ যায়, সেই LP school পাছ কৰাৰ পিছত আৰু তেওঁলোকে আৰু কেতিয়াবা মেট্ৰিক পাছ কৰি হায়াৰ চেকেণ্ডাৰী পঢ়াৰ কথা চিন্তা কৰিব পৰা নাছিল। যিসকলৰ বাগানৰ কাষত অসম চৰকাৰৰ স্কুল আছে তাত পঢ়িব পাৰিছিল। তেনেকুৱা বহুত বাগান আছিল যিসমূহ বাগানত কোনো হাইস্কুল-হায়াৰ চেকেণ্ডাৰী স্কুল নাছিল। তাত কেৱল LP school হে আছিল। আজি মই গৌৰৱেৰে ক'ব পাৰো যে আজি প্ৰায় ২১৮ খন Tea Garden Model High school স্থাপন হৈছে। মোৰ নাহৰকটীয়া সমষ্টিৰ নামচাং বাগান, মাননীয় অধ্যক্ষ মহোদয়, আপুনি মন্ত্ৰী থাকোতে তালৈ গৈছিল, সেই নামচাং বাগানৰ দৰে বাগানত আমি স্কুল প্ৰতিষ্ঠা কৰিছো। তাৰ পৰা প্ৰায় ল'ৰা-ছোৱালীয়ে মেট্ৰিক পাচ কৰিছে। যোৱা বছৰ ২০ জন ল'ৰা-ছোৱালীয়ে মেট্ৰিক পাচ কৰিছে। সেই স্কুলৰ শিক্ষক, হেড মাষ্টৰে যোৱা ৫ চেপ্তেম্বৰত best teacher ৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ পাইছে। মই ভাবো নামচাং বাগান বা দিল্লী বাগান আৰু এনেকুৱা বহুত বাগান আছে যিসমূহ বাগানে শিক্ষাৰ access পোৱা নাছিল। কিন্তু ২১৮ খন

বাগানত আজি শিক্ষাদান হৈ আছে। হয়, অলপ কষ্ট আছে। আমি  কৰবাত এগৰাকী শিক্ষকক নিব লগীয়া হৈছে।  চৰকাৰে যোৱাবাৰ যি ১ লাখ ২৭ হাজাৰ গৰাকী নিযুক্তি দিছিল, সেই নিযুক্তিত বহুত শিক্ষক আছিল। এইবাৰো বহুত হাজাৰ শিক্ষক নিযুক্তি দিয়া হ'ব আৰু এই খালী পদবিলাক পূৰণ কৰা হ'ব। কিন্তু মই ভাবো চৰকাৰৰ প্ৰচেষ্টাত আমি একেবাৰে পিছপৰা অঞ্চল বাগান বিলাকতো স্কুল স্থাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি অলপ আগতে এগৰাকী কংগ্ৰেছ দলৰ বিধায়কে NEET-JEE ৰ কথা কৈছে। মই এই মঞ্চৰ পৰা জনাব বিচাৰো যে যোৱা কাৰ্য্যকালত মই অসমৰ যুৱ আয়োগৰ অধ্যক্ষ আছিলো আৰু এইবাৰ যুৱ আয়োগৰ পৰা   প্ৰায় ৮০ জন ছাত্ৰ-ছাত্ৰীয়ে NEET exam qualified কৰিছে। মই আপোনালোকক ক'ব বিচাৰিছো যে অসম চৰকাৰৰ পইচাৰে আমি ডিব্ৰুগড়ত Allen Coaching centre ৰ দ্বাৰা টেণ্ডাৰ দিয়া আছে। তেজপুৰত CSIL, যোৰহাটত CSIL আৰু এইবাৰ নলবাৰীত আমি চেন্টাৰ প্ৰতিষ্ঠা কৰিবলৈ লৈছো। ভৱিষ্যতে আমাৰ কাছাৰ, উত্তৰ লখিমপুৰ জিলাত কৰাৰ পৰিকল্পনা আছে। এইবাৰ তেজপুৰত আমি residential কৰিম Super 100 অসম চৰকাৰৰ পুঁজিৰ দ্বাৰা। অসম চৰকাৰে পইচাৰে আমি এতিয়া প্ৰায় ১ হাজাৰ ল'ৰা-ছোৱালীক বিনামূলীয়াকৈ NEET-JEE ৰ coaching কৰোৱাইছো। এইবাৰ NEET ত আমি ৮০ শতাংশ ল'ৰা-ছোৱালীয়ে বিনামূলীয়াকৈ পঢ়ি NEET পাইছে। এইটো অসম চৰকাৰৰ পুঁজিৰে আমি NEET-JEE ৰ coaching ব্যৱস্থা কৰিছো । বিৰোধীয়ে এই যি পুঁজি কৰ্তনৰ কথা কৈছে মই ভাবো আমি আৰু পুঁজি ল'ব লাগে, পুঁজি দিব লাগে যাতে আমাৰ ল'ৰা-ছোৱালীয়ে NEET-JEE ৰ পৰীক্ষা দিব পাৰে।

**মাননীয় অধ্যক্ষঃ** ৮০ জনে পাইছে নে, ৮০ শতাংশ ?

**শ্ৰী তৰংগ গগৈ, নাহৰকটীয়াঃ** ৮০ জনে এইবাৰ qualify কৰিব। counselling হোৱা নাই কিন্তু আমি এইবাৰ যি marks দেখিছো যে ৬০০ লৈকে marks পাইছে। এইবছৰ ৮০ জনে NEET পাব পাৰে। বেয়া হ'লেও ৭০ জনে পাব। কাৰণ আমি পৰ্য্যালোচনা কৰিছো। অসম চৰকাৰৰ দ্বাৰা পুঁজিৰ দ্বাৰা ৮০ জন

ল'ৰা-ছোৱালীয়ে যেতিয়া অসমৰ পৰা NEET পাচ কৰিব পাৰে এইটো আমাৰ বাবে বহুত ডাঙৰ কথা আৰু এইটো আমাৰ অসম চৰকাৰৰ সাফল্য। এইখিনি কোৱাৰ সুবিধা দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। মই শেষত আৰু এটা কথা ক'ব বিচাৰিছো যে ডিব্রুগড় জিলাত লাহোৱাল পলিটেকনিক আছিল। কোনেও ভবা নাছিল যে পলিটেকনিক কলেজ এনেকৈ আৰু খুলিব পাৰে। লাহোৱাল পলিটেকনিক কলেজ এতিয়া ইঞ্জিনিয়াৰিং হ'ল। মই ধন্যবাদ জনাওঁ যে যোৱাবাৰ চৰকাৰী পুঁজিৰ দ্বাৰা মাননীয় মুখমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ প্রচেষ্টাত টিংখাঙত পলিটেকনিক কলেজ আৰম্ভ হৈছিল আৰু delimitation ৰ পিছত সেই কলেজখন নাহৰকটীয়া সমষ্টিত পৰিল। আমি খুব সোনকালে নাহৰকটীয়া সমষ্টিট পলিটেকনিকৰ ক্লাচ আৰম্ভ কৰিম। মই ভাবো এই সকলোবিলাক কাম এই চৰকাৰৰ দ্বাৰা হৈছে। পলিটেকনিকেই হওঁক, হাইস্কুলেই হওঁক বা নিযুত মইনাই হওঁক এই চৰকাৰৰ দ্বাৰা হৈছে। নিযুত মইনাৰ দ্বাৰা আমি কোনেও ভাবিব নোৱাৰো যে অসমৰ ভণী সকলৰ বহুতে কলেজ যাব নোৱাৰে, ক্লাচ কৰিব নোৱাৰে, বহুতে পইচা চেভ কৰে। মই এনেকুৱা ছোৱালী লগ পাইছো যে কলেজ যাওঁতে কলেজৰ কেন্টিনৰ পৰা এটা চিঙৰা কিনি নাখায়। কিয়নো এই ১০ টকাতো চেভ কৰিব লাগে। মাক-দেউতাকে কষ্ট কৰি ১০ টকা দি পঠায় তাৰে টুকটুকৰে ভাৰা দিব নে কেণ্টিনতে খাব। নিযুত মইনাৰ দ্বাৰা আজি সেই প্রত্যেক ছাত্রীয়েই নিজৰ পইচাৰে টুকটকৰো ভাৰা দিব পাৰে, কলেজলৈ অহা-যোৱা কৰিবলৈ চাইকেল এখনো আমাৰ চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে আৰু কলেজলৈ গৈ নিজৰ পইচাৰে কেণ্টিনত খানাও খাব পাৰে। আমাৰ অসম চৰকাৰৰ প্রচেষ্টাত শিক্ষা ব্যৱস্থা আগতকৈ খুব ভাল হৈছে আৰু ভাল কৰা হ'ব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰী তানজিল হুছেইন, ভাৰতীয় জাতীয় কংগ্ৰেছ, আপোনাৰ সময় ৪ মিনিট।

**শ্ৰী তানজিল হুছেইন,চামগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মোক ইয়াত ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰথমে মই এই

সদন আৰু আমাৰ দলৰ পৰা আজিৰ পৰা দুদিন আগতে দিল্লীত হোৱা আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত যি বৰ্বৰ আক্ৰমণ হৈছিল তাক মই নিন্দা আৰু প্ৰতিবাদ কৰিছো। লগতে দিল্লী পুলিচকো এই ঘটনাটোৰ কাৰণে inhumane হোৱা বুলি ক'ব বিচাৰিছো।

**শ্ৰী পবিত্ৰ ৰাভা, পশ্চিম গোৱালপাৰাঃ** দিল্লীত যে আমাৰ হিন্দু ধৰ্মৰ ওপৰত কথাটো কৈছে, তেতিয়াহ'লে তাত বৰ্বৰ আক্ৰমণ নকৰি কি কৰিব লাগে ? মৰম কৰিব লাগে নেকি।

**শ্ৰী তানজিল হুছেইন,চামগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কেৱল ছাত্ৰ-ছাত্ৰীৰ কথাটো ক'ব বিচাৰিছো।

**শ্ৰী পবিত্ৰ ৰাভা, পশ্চিম গোৱালপাৰাঃ** NDA ৰ বিৰুদ্ধে শ্লোগান দিছে সেইটো কিয় নকয়।

**শ্ৰী তানজিল হুছেইন,চামগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নিজেও আজি এটা ছাত্ৰ সংগঠনৰ পৰা আহি বিধায়ক হৈছো। এই সদনত সকলোতকৈ কণিষ্ঠ বিধায়ক হিচাপে আপোনালোকৰ মাজত বহি আছো। আজি ইয়াত চৰকাৰে যেনেকৈ backlog ৰ কথা কৈছে, Fees Waiver Scheme আনিছে। কিন্তু কথাটো হৈছে backlog আমাৰ কাক লাগে। যিসকল পঢ়া-শুনাত অলপ দুৰ্বল আৰু যাৰ ঘৰবোৰো ইমান সৱল নহয়, তেওঁলোকক backlog লাগে। বিশেষকৈ BPL যিখিনি ছাত্ৰ-ছাত্ৰী আছে তেওঁলোকৰ কাৰণে এই backlog ব্যৱস্থাটো অন্তৰ্ভুক্ত কৰিব লাগে বুলি মই আপোনাৰ জৰিয়তে চৰকাৰলৈ দাবী জনাইছো। Rising of Education fund, দেখা গৈছে যে হোষ্টেলৰ খৰচ বাঢ়িছে, transportation ৰ খৰচ বাঢ়িছে। আপোনালোকে digital learning ৰ কথা কৈছে। কিন্তু digital learning ৰ কথা ইমান বেছি ওলোৱা নাই। আমাৰ দলৰ মাননীয় তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত যেতিয়া চৰকাৰ আছিল, তেতিয়া আমাৰ চৰকাৰে প্ৰথম বিভাগ পোৱা ল'ৰা-ছোৱালীক প্ৰথমে Desktop, তাৰপিছত Laptop আৰু দ্বিতীয় বিভাগ পোৱাৰ কাৰণে Tablet দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু আজিৰ চৰকাৰে এই

আঁচনিখন বন্ধ কৰি দিছে। আমাৰ কাৰণে Laptop বা কম্পিউটাৰ কিনাটো এটা সৰু কথা হ'ব পাৰে। কিন্তু গাঁৱৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে Laptop, কম্পিউটাৰ বা Tablet কিনাটো বহুত ডাঙৰ কথা। সেইকাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে এই আঁচনিখন পুনৰ চলাই নিব লাগে আৰু আগন্তুক দিনত যাতে ছাত্ৰ-ছাত্ৰীসকলে এই আঁচনিৰ সুবিধা সমূহ লাভ কৰিব পাৰে। এটা কথা হ'ল যে shortage of teacher, এতিয়া যেনেকৈ Right to Education Act ৰ অধীনত এটা প্ৰভিজন আছে যে আমাৰ প্ৰাথমিক স্কুল সমূহত 30:1 ত এজনকৈ শিক্ষক হ'ব লাগে আৰু Upper Primary ত 35:1 ত এজনকৈ শিক্ষক হ'ব লাগে। কিন্তু অসমত এইটো হোৱা দেখা পোৱা নাই। মোৰ সমষ্টিৰ চামগুৰিৰ বহু স্কুলত এই ব্যৱস্থাটো দেখা নাই। Co-infrastructure ৰ ক্ষেত্ৰত মোৰ সমষ্টিৰ চামগুৰিৰ কলেজত মই দেখিছো যে তাত CCTV, aquaguard, Modern Library, Science Laboratoary ৰ ব্যৱস্থা নাই। আমাৰ চামগুৰি বা অসমৰ বিভিন্ন কলেজ সমূহত Space Technology ৰ ক্ষেত্ৰত আপোনালোকে যিবোৰ কথা কয়, কিন্তু মূল যিখিনি প্ৰয়োজনীয়তা এখন স্কুল বা কলেজত থাকিব লাগে সেইখিনি আপোনাৰ জৰিয়তে পূৰণ কৰিবলৈ চৰকাৰক অনুৰোধ জনালো। শেষত মই ক'ব বিচাৰিছো যে unemployment after education আপোনালোকৰ চৰকাৰে কৈছিল যে ১ বা ২ লাখ চাকৰি দিব। আমাৰ যিখিনি মৌলিক প্ৰয়োজন সেইখিনি আপোনালোকে পূৰণ কৰক। আৰু শেষ কথাটো হৈছে যে Unemployment after education। আপোনালোকৰ চৰকাৰে কৈছিল যে একৰ পৰা দুই লাখ চাকৰি দিব। কিন্তু এতিয়া সংখ্যা চোৱাৰ আগতে প্ৰত্যেক বছৰে গোটেই অসমত যিমান কলেজ, ইউনিভাৰ্ছিটি আছে তাত UG আৰু PG পাছ কৰে সাতৰ পৰা আঠ লাখ ছাত্ৰ-ছাত্ৰীয়ে। তাৰপিছত আমি যেতিয়া হিচাপ কৰি ওলালোঁ যে সাতৰ পৰা আঠ লাখ পাচ কৰিছে কিন্তু আমাৰ যদি এক লাখ বা দুই লাখ চাকৰি পাঁচ বছৰত আপোনালোকে চৰকাৰে কৈছে মাত্ৰ ৩০ পৰা ৪০ হাজাৰ চাকৰিহে দিয়া হৈছে। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছোঁ যে এই সংখ্যাটো আপোনালোকে বঢ়াওঁক।

এইটো ১ লাখ ২ লাখ নহয় ৩/4 লাখ পাঁচ বছৰত কৰক। তেতিয়াহে আমাৰ যিখিনি Basic মানুহে চাকৰি পাব লাগে সেইখিনি পাবলৈ সক্ষম হ'ব। শেষত মই প্ৰধান কথাখিনি লৈ আহিছোঁ যে আজি যেনেকৈ NEET ৰ কথা আহিছে প্ৰশ্ন কাকত ফাদিল বা বিভিন্ন ধৰণে প্ৰশ্ন কাকত ফাদিল হৈছে। সেইকাৰণে মই আমাৰ ৰাজ্য চৰকাৰক চাৰিটা কথা ক'বলৈ ওলাইছো। Establish the zero tolerance policy against paper leak with strict criminal accountability, Create a secure digital examination management system, Extend the benefit to the deserving back-log students through a special provision. আৰু ইয়াত আপোনালোকে BPL Student কো include কৰক। আৰু শেষৰটো হৈছে, Fill all vacant teaching posts within a fixed time frame I এইখিনি কৰক, এইখিনি কৰাৰ পিছত আমাৰ ৰাজ্যখনৰ যিখিনি ছাত্ৰ-ছাত্ৰীৰ বোজা আছে সেইখিনি আতৰিব আৰু NEET ৰ যিখিনি পেপাৰ লিক হৈছে সেই ক্ষেত্ৰতো আপোনালোকে ষ্টেপ লওঁক । আৰু আমি বিৰোধী হিচাপেও আপোনালোকে যদি বিচাৰে যে আমিও কিবা সহযোগ কৰিব লাগে আমি সহযোগ কৰিবলৈ প্ৰস্তুত আছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া ভাৰতীয় জনতা পাৰ্টীৰ বিধায়ক শ্ৰী টংকেশ্বৰ ৰাভা।

**শ্ৰী টংকেশ্বৰ ৰাভা, গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱত মোক ভাগ লবলৈ দিয়াৰ বাবে ধন্যবাদ। বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে মই সেইটোৰ বিৰোধীতা কৰিছো। মই হাইস্কুলীয়া প্ৰবেশিকা পৰীক্ষা দিয়া লৈকে ভেন্সাৰ স্কুলত পঢ়া। যদিও মই আজি Technical ৰ ছাত্ৰ সেইটো বেলেগ কথা। আগতে বিদ্যালয় বুলি কলে আমাৰ মনলৈ আহিছিল ঘৰটো কেচা, শিক্ষক কম, বিদ্যুৎৰ ব্যৱস্থা নাই, toilet নাই, চাৰিওফালৰ বেৰ নাই ইত্যাদি। ইয়াৰ লগত তুলনা কৰি আজিৰ মাননীয় মুখ্যমন্ত্ৰীৰ ডা° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰৰ আৰু তেখেতৰ যি চিন্তা গতিকে ২০১৬ চনৰ আগৰ আৰু আজিৰ যদি আমি এটা তুলনা মূলক বাখ্যা কৰো, তেতিয়া দেখিব যে ই আকাশ পাতাল প্ৰভেদ। ২০১৬ চনলৈকে বিদ্যুতৰ সংযোগ ২০ শতাংশ স্কুলতহে আছিল। আৰু

এতিয়া এইটো ৮৮ শতাংশলৈকে বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় পৰ্য্যায়ত ৯১ শতাংশ বিদ্যালয়ৰ বিদ্যুৎ সংযোগ আছে আৰু আমাৰ অসমত ৮৮ শতাংশ। মই ভেন্সাৰ স্কুলৰ ছাত্ৰ হিচাপে কব বিচাৰিছো এটা সময়ত স্কুলত শিক্ষকৰ toilet ৰ ব্যৱস্থা নাছিল। আগতে ছাত্ৰী সকলৰ toilet ৰ ব্যৱস্থা আছিল ৪০ শতাংশ আৰু এতিয়া এইটো হৈছে ৯৩ শতাংশ। আগতে ছাত্ৰৰ কাৰণে আছিল ৬৫ শতাংশ আৰু এতিয়া হ'ল ৯৪ শতাংশ। সেই সময়ত Internet ৰ সংযোগ আছিল ৯.৪ শতাংশ। আৰু এইটো এতিয়া ৭৮ শতাংশ হ'ল। আজিৰ গাঁৱৰ ল'ৰা ছোৱালী বিলাকে চিন্তা কৰিব পৰা হ'ল যে এক সুন্দৰ স্কুল, সুন্দৰ আচবাব, ছেপাৰেট টয়লেট, ছেপাৰেট ডিজিটেল ক্লাছৰুম, ছেপাৰেট কম্পিউটাৰ লেব, সুন্দৰ আন্তঃগাথনি। হেডমাষ্টাৰ/ অধ্যক্ষৰ কাৰণে সুকীয়া ৰুম, বাকী টিচাৰসকলে কাৰণে সুকীয়া ৰুম, এটা সুন্দৰ আন্তঃগাথনি আজি এই প্ৰক্ৰিয়া আৰম্ভ হৈছে । অধ্যক্ষ মহোদয়, কৰিবলগীয়া বাকী আছে। কিন্তু আজিৰ এই দহ বছৰত ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন চৰকাৰখনে যি ধৰণে In the line of education যিধৰণে growth কৰিছে, যি ধৰণে আপগ্ৰেড হৈছে, সেই ব্যৱস্থা যদি আৰু পাঁচ বছৰ চলে অসমৰ কোনো স্কুলত ইলেক্ট্ৰিক কানেকশ্যন নাথকাকে নাথাকিব। সুন্দৰ বিল্ডিং গৃহ হ'ব। আজি ট্ৰাইবেলসকলৰ কাৰণে এটা সুকীয়া ব্যৱস্থা কৰিব লগীয়া য'ত স্কুল ফেচিলিটি, টয়লেট ইনফ্ৰাস্ট্ৰাকচাৰ, কম্পিউটাৰ লেব, ডিজিটেল ক্লাছৰুম, আদি সকলো সুবিধা থকা ৪৭ খন একলব্য আদৰ্শ বিদ্যালয় আৰম্ভ হৈ গ'ল। ২৩ খন জিলাত এই কাম-কাজবোৰ চলি আছে। আজিৰ বাজেটত শিক্ষাৰ বাবে ১৮ শতাংশ আছে। মই বিৰোধী পক্ষৰ প্ৰতি অনুৰোধ জনাম যে এইটো ৩০ শতাংশলৈ বৃদ্ধি হব লাগে। মই দুটামান মোৰ অনুভৱ কবলৈ বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীৰ নেতৃত্বত ৰাভা, মিচিং, তিৱাকে ধৰি বিভিন্ন জনগোষ্ঠীৰ ভাষা স্কুলত ব্যৱহাৰ কৰা হ'ল প্ৰাথমিক পৰ্যায়ত। এতিয়া ৰাভা ভাষাৰ যিহেতু শিক্ষক নিযুক্তি দিয়া হোৱা নাই গতিকে মোৰ অনুৰোধ থাকিল যে আমাৰ গোৱালপাৰাত স্থাপন হোৱা ১০০ খন বিদ্যালয়ত সেই ৰাভা শিক্ষক সকলক নিযুক্তি দিব লাগে। মোৰ সমষ্টিত যি বিকালী মহাবিদ্যালয় আছে তাত ২০০৫

চনতে বাণিজ্য শাখাটো আৰম্ভ কৰা হৈছিল । আৰু আমি যদি চাওঁ নামনি অসমৰ মহাবিদ্যালয় বোৰৰ ভিতৰত হয়টো তাতে অকল বাণিজ্য শাখাটো আছে আৰু প্ৰায় ৯৯ শতাংশ মানুহে বাণিজ্য শাখাটো পঢ়ে । কিন্তু ৯৯ শতাংশ খিলঞ্জীয়া মানুহে পঢ়া বাণিজ্য শাখাটো এতিয়ালৈকে চৰকাৰী কৰণ কৰা নহ'ল। গতিকে মই আশা কৰো যে যিকোনো প্ৰকাৰে তাত বাণিজ্য শাখাটো প্ৰদেশীকিকৰণ কৰিব লাগে। মোৰ সমষ্টিত প্ৰায় ১৮২ খন LP আৰু UP স্কুল আছে। আৰু য'ত ৩০ জনতকৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছে আৰু এইটো অসমৰ বেছিভাগ জনজাতীয় স্কুলত আছে । গতিকে সেই স্কুল বিলাকক একত্ৰীকৰণ কৰাৰ পৰিৱৰ্তে সেই ধৰণে চলি থাকিব দিয়াটো মই বিচাৰো । মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱ মানে হ'ল কাটি দিয়া। আমাৰ বিৰোধী পক্ষই যি বাজেটৰ টকা কাটি এক টকালৈ আনিব দিছে, এই ক্ষেত্ৰত মই ভাবো যে বিৰোধী পক্ষৰ সমষ্টি সমূহত যি স্কুল বনাবলৈ আছে, কলেজ বনাবলৈ আছে ,বাউন্দৰী ওৱাল বনাবলৈ আছে, toilet বনাব আছে সেইটো কাটি আনি আমাৰ শাষক পক্ষৰ বিধায়ক সকলৰ সমষ্টিত বনাব লাগে।

**মাননীয় অধ্যক্ষঃ** আপুনি যিহেতু ৰাভা জনগোষ্ঠীৰ মানুহ আৰু চৰকাৰেও যিহেতু ৰাভা ভাষাটো আৰম্ভ কৰিছে, গতিকে আপুনি এক মিনিট ৰাভা ভাষাত কওঁক।

**শ্ৰী টংকেশ্বৰ ৰাভা, বিধায়ক ১৫নং দুধনৈ গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰাভা ভাষাত নকওঁ কাৰণ এইটো কৰিলে কোনোবাই বেয়া পাব পাৰে।

**মাননীয় অধ্যক্ষঃ** এতিয়া সদন ২৩ জুলাই ২০২৬ ৰ ৯:৩০ বজালৈ স্থগিত ৰখা হ'ল।